# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৰৰণী
## তাৰিখঃ ৫/০৪/২০২৩ বুধবাৰ

আজি ইংৰাজী ০৫-০৪-২০২৩ তাৰিখে মাননীয় অধ্যক্ষ মহোদয়ৰ অধ্যক্ষতাত পূৰ্ব নিৰ্দ্ধাৰিত কাৰ্য্যসূচী মতে অসম বিধান সভাৰ অধিবেশন ৰাতিপূৱা ৯.৩০ বজাত অনুষ্ঠিত হয়।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া প্ৰশ্ন নং ২৪১, সন্মানীয় সদস্য শ্ৰী ৰূপেশ গোৱালা।
**শ্ৰী পৰিমল শুক্লবৈদ্য, (পৰিবহন বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।
**শ্ৰী ৰূপেশ গোৱালা, (ডুমডুমা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, তিনিচুকীয়া জিলাত পৰিবহন নিগমৰ অধীনত বাছ আস্থান ৯ টা আছে বুলি উত্তৰ কোৱা হৈছে। এই ৯ টা বাছ আস্থান heart of the town ত অৱস্থিত। আমি যেতিয়া লক্ষ্য কৰো কেৱল তিনিচুকীয়া জিলাতে নহয়, গোটেই অসমত বাছ আস্থান বিলাক সদায় heart of the townত অৱস্থিত। বেছি ভাগ বাছ আস্থানৰ অৱস্থা একেবাৰে বেয়া, কদৰ্য্যময় অৱস্থাত আমি দেখিবলৈ পাওঁ, তাত থকা দোকান ঘৰ বিলাকৰ অৱস্থাও ভাল নহয়। সেই কাৰণে মই মন্ত্ৰী মহোদয়ক প্ৰশ্নটো সুধিছিলো যে যিবিলাক বাছ আস্থান জৰাজীৰ্ণ অৱস্থাত আছে, সেইবিলাক পুনৰ নিৰ্মাণ কৰি ৰাজহ বৃদ্ধি কৰিব পৰা যায় নেকি? তাৰ কাৰণে মই প্ৰশ্ন এটা দাঙি ধৰিছিলো। প্ৰশ্নৰ উত্তৰত কোৱা হৈছে যে এটা Agency ক report দাখিল কৰিবলৈ কোৱা হৈছে আৰু প্ৰথম phase report টো ইতিমধ্যে পোৱা বুলি কৈছে আৰু 2nd Phase report ৰ কাৰণেও ব্যৱস্থা কৰা হৈছে বুলি কোৱা হৈছে। গতিকে উত্তৰটো সন্তোষজনক, কিন্তু এই কথাটো ভালেমান দিনৰ পৰা শুনি আছো যে ৰাজহ বৃদ্ধিৰ কাৰণে বাছ আস্থান বিলাক আধুনিকৰণ কৰি ব্যৱস্থা কৰা হ'ব বুলি কোৱা হৈছে। এতিয়ালৈকে বাস্তৱ ক্ষেত্ৰত আমি দেখিবলৈ পোৱা নাই। গতিকে মই বিভাগক অনুৰোধ জনাম যে ভৱিষ্যৎ দিনবিলাকত এই ঠাইসমূহক আধুনিক ৰূপত নিৰ্মাণ কৰি, ইয়াৰ জৰিয়তে নিগমৰ যাতে আয় বৃদ্ধি হয়, তাৰ কাৰণে ব্যৱস্থা হাতত ল'ব লাগে।
**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মন্ত্ৰী ডাঙৰীয়া।
**শ্ৰী পৰিমল শুক্লবৈদ্য, (পৰিবহন বিভাগৰ মন্ত্ৰী )** ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰী ৰূপেশ গোৱালা ডাঙৰীয়াই সঠিকভাৱে কৈছে যে বহুত ঠাইত বাছ আস্থান বিলাক যেনেকুৱা ধৰণে হ'ব লাগিছিল, তেনেকুৱা স্থিতিত নাই। এইটো লক্ষ্য কৰি আমাৰ চৰকাৰে গোটেই অসমৰ বাছ আস্থান বিলাকত যি asset আছে, গোটেই খিনি মিলাই কেনেকৈ উন্নতি কৰিব পাৰো তাৰ কাৰণে Land Asset Monetization ৰ বাবে KPMG নামৰ Consultancy Firm এটাক দায়িত্ব দিছিলো। আৰু তেওঁলোকে 1st Phase report এটা আমাক জমা দিছে।2nd Phase report টো আমি ভাৱো যে within a month আমাৰ হাতত আহিব। এটা ভালকৈ ৰূপৰেখা নিৰ্মাণ যিহেতু তেওঁলোকে কৰি দিব যে এনেকুৱা হলে ভাল। এই ক্ষেত্ৰত আমি তেওঁলোকৰ পৰা report পোৱাৰ পিছত, মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰো সদ্ ইচ্ছা আছে যে গোটেইখিনি বাছ আস্থান ভাল কৰিব পাৰো, তাৰ কাৰণে ব্যৱস্থা লম।
**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰী ৰূপেশ গোৱালা, (ডুমডুমা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰত মই আৰু এটা কথা জানিব খুজিছিলো যে ডুমডুমাত যিটো বাছ আস্থান আছে, সেইটো encroach হৈছে নেকি বুলি? কিন্তু মই জনাত অলপ চলপ encroachment আছে। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে ভালকৈ জোখ মাখ কৰি encroach হৈছে নেকি, একেবাৰে নিশ্চিত কৰিব লাগে আৰু যদি encroach হৈ আছে, সেইটো clear কৰিব লাগে।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পৰিমল শুক্লবৈদ্য, (পৰিবহন বিভাগৰ মন্ত্ৰী)**ঃ মাননীয় অধ্যক্ষ মহোদয়, ডুমডুমাৰ মাটি কালিৰ পৰিমান ১ বিঘা ১ কঠা ১৬ লেচা। এনেকুৱা বিভিন্ন ঠাইত দেখিবলৈ পোৱা যায় যে encroachment আছে। কিন্তু কথাটো হ'ল আজিৰ পৰা ২০, ২৫ বছৰ আগৰে পৰা সৰু সুৰা দোকান তাত দি আছে। সেইটো ASTCয়ে দিলে, হয়তো বেদখল আছে। কিন্তু বিভাগে এইটো চালি জাৰি চাই মাটিৰ মাটি কালি আপোনাক জনোৱা হৈছে আৰু জনা মতে এতিয়ালৈকে encroachment নাই। তথাপিও আপুনি কৈছে যিহেতু আমি আকৌ পুনৰাই পৰিদৰ্শন কৰাৰ ব্যৱস্থা কৰিম।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, গোটেই অসমতে যিবিলাক মাটি ASTC ৰ নামত আছে, তাৰ কাৰণে এটা master plan তৈয়াৰ নকৰে কিয়? master plan তৈয়াৰ কৰি যদি commercial level ত যায়, তেতিয়া ASTC ৰ যথেষ্টখিনি ৰাজহ সংগ্ৰহ হ'ব। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে master plan তৈয়াৰ কৰি, সেই প্ৰকাৰে কামবিলাক কৰাৰ গ্ৰহণ কৰিবলৈ।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পৰিমল শুক্লবৈদ্য, (পৰিবহন বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াই যি প্ৰশ্ন উত্থাপন কৰিছে, প্ৰকৃতাৰ্থত সন্মানীয় সদস্য শ্ৰী ৰূপেশ গোৱালা ডাঙৰীয়াই এই কথাটো কব বিচাৰিছে বা কৈছে।

কথাটো হয় সঁচা, একেবাৰে heart of the city, town কব পাৰে, আমাৰ বহুতখিনি মুল্যবান ঠাই আছে। এইটো আমি সঠিকভাৱে লৈ যোৱাৰ কাৰণে যেনেকুৱা আপুনি পৰামৰ্শ আগবঢ়ালে, ঠিক তেনেকুৱা Lane Asset Monetization ৰ বাবে KPMG নামৰ Consultancy Firm ক দিছোঁ। ইয়াৰে প্ৰথম report পাইছোঁ। 2nd report পোৱাৰ পিছতে আমি কোনটো কোনটো বাছ আস্থানত কেনেকুৱা কৰিব লাগে, গোটেই খিনি চাই consultancy Firm আমাক এটা পৰামৰ্শ দিব, দিয়াৰ পিছত মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ সদ্ ইচ্ছা আছে যে বাছ আস্থান বিলাক ধুনীয়াকৈ নিৰ্মাণ কৰিব পাৰো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া প্ৰশ্ন নং ২৪২, সন্মানীয় সদস্য শ্ৰী ৰমাকান্ত দেউৰী।

**শ্ৰী পিযুষ হাজৰিকা, (জলসম্পদ বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী ৰমাকান্ত দেউৰী, (মৰিগাঁও)**ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অৱশ্যে উত্তৰখিনি পাইছো। তাৰ কাৰণে মন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছোঁ। মোৰ এটা মাত্ৰ supplementary আছে যে ২ নং গুণামৰা আৰু ১ নং গুণামৰাত গৰাখহনীয়া ৰোধ কৰাত এটা ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আৰু পাত্ৰবৰিত যিটো শ্লুইচ গেট, এই শ্লুইচ গেট মন্ত্ৰী মহোদয়ৰ সমষ্ঠিত, এই শ্লুইচ গেটৰ পানী যেতিয়া আহিব মোৰ সমষ্টি ধ্বংস হৈ যাব। ৭৫ বছৰৰ আগত এই শ্লুইচ গেট নিৰ্মাণ কৰা হৈছিল। এতিয়া পুনৰ নিৰ্মাণ কৰিলে মই ভাল পাম।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পিযুষ হাজৰিকা, (জলসম্পদ বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে যিখিনি অঞ্চলৰ কথা কৈছে, তাৰে আধা মোৰ সমষ্টি পৰে। যোৱা বছৰ যিহেতু ডিমাহাছওৰ পৰা যথেষ্ট পানী নামি আহিছিল, ইয়াৰ তলৰ অংশ হোজাই, জমুনামুখ, নগাওঁ, ৰহা, বঢ়মপুৰ, জাগীৰোডৰ এটা অংশ খুব বেছিকৈ প্লাৱিত হৈছিল। তাৰ কাৰণে কলং নদীৰ বানপানীয়ে ভয়বহ ৰূপ লৈছিল আৰু কেইবাটাও অংশত breach like situation হৈছিল। মানে গোটেই মথাউৰি ভঙা নাই, কিন্তু প্ৰায় চাৰিটা মান অংশত ক'বলৈ গ'লে ৮০ শতাংশ মথাউৰি ভাঙিছিলে। কিন্তু আমাৰ যথেষ্ট কষ্টৰ ফলত আৰু পাত্ৰবৰি, মণিপুৰটোপ গাঁৱৰ ৰাইজৰ মানুহৰ সহায়ত মথাউৰিটো বচাব পাৰিলো। মোৰ সমষ্টিৰ অঞ্চলটোৱে দুটা breach হৈছিল, ৮০ শতাংশ হৈছিল, বাকী আমি ৰাখিব পাৰিলো, মণিপুৰটোপতো একে ধৰণে হৈছিল। যদি সেই breach হ'লে হৈ মোৰ সমষ্টিৰ দুখন গাঁও প্লাৱিত হ'ল হৈ, কিন্তু সকলোতকৈ বেছি প্লাৱিত হ'ল হৈ মৰিগাঁও সমষ্টি। জালুগুটি, মৰিগাওঁ চহৰ, দলবাৰি গোটেই অঞ্চল বিলাক প্লাৱিত হ'ল হয়। কিন্তু আমি ৰখাবলৈ সক্ষম হৈছো।

মাননীয় অধ্যক্ষ মহোদয়, আকৌ কৈছো ৮০ শতাংশ ভাঙিছে, কিন্তু আমি এইবাৰ যিটো নিয়ম কৰিছো যে য'ত সম্পূৰ্ণভাৱে মথাউৰি ভাঙিব, তাতহে আমি সম্পূৰ্ণভাৱে মেৰামতি কৰিম। তাৰ কাৰণে মোৰ সমষ্টি যদিও মই সম্পুৰ্ণ মেৰামতি কৰিব পৰা নাই। আমি কৰিছো যিখিনি ৮০ শতাংশ breach হোৱা চাৰিটা ঠাই আছিল, সেই কেইটা কৰিছো। কিন্তু যিহেতু আমি নিয়ম কৰিছিলো, মুঠ raise and strengthening কৰিম, য'ত মথাউৰি সম্পূৰ্ণ ভাৱে ভাঙিছে। Almost গোটেই কাম কৰা হৈছে, আৰু দুটা কাম কৰিবলৈ আছে, আমি অহা সময়ত কৰিবলৈ প্ৰচেষ্টা চলাম। কাৰণ মোৰ সমষ্টিতো অতিকৈ বানপানী হোৱাৰ সমষ্টি আছিল। লাহৰীঘাটত মথাউৰি বনোৱাৰ পিছত মৰিগাওঁ, লাহৰিঘাট আৰু জাগীৰোডত অলপ পানী কমিছে। কিন্তু এতিয়াও মোৰ সমষ্টি বেছিকৈ বানপানী হোৱা সমষ্টিত পৰে। কিন্তু একেলগে মোৰ সমষ্টিতো কৰিব পৰা নাই। কলং নদীৰ উত্তৰ অংশটো মৰিগাঁও সমষ্টিৰ আৰু দক্ষিণ অংশ মোৰ সমষ্টি। মোৰ ঘৰত এতিয়া যিখিনি পানী হৈছে, কলং নদীৰ মথাউৰি নোহোৱাৰ কাৰণে হৈছে। গতিকে অহা সময়ত গোটেইখিনি কাম কৰাৰ চেষ্টা কৰিম। যিটো শ্লুইচ গেটৰ কথা কৈছে আকৌ কৈ দিও, সেইটো অতি সোনকালে কৰিবলৈ নিৰ্দেশ দিছো। যাতে মানুহখিনি অসুবিধাত নপৰে।

**ড° ৰফিকুল ইছলাম, (জনীয়া ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, জনীয়া আৰু দক্ষিণ অভয়াপুৰী সমষ্টিত লেংটিছিঙা বজাৰৰ দক্ষিণ ফালৰ পৰা নসত্ৰ, পাখাকাটা আৰু বাঘেখাইটি লৈ পল্টনবজাৰ আকৌ সেইটো বঙাইগাঁও জিলাৰ দক্ষিণ অভয়াপুৰীত পৰে, ইয়াত দুটা সমষ্টি হোৱা বাবে এলেকাটো প্ৰতাৰিত হৈ আছে। ডুমৰুগুৰী এলেকাতে কেইবছৰমান আগতে ভাঙিছিল। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে লেংটিছিঙাৰ পৰা পাখাকাটা, বাঘেখাইটি হৈ পল্টনবাজাৰ চ'কলৈ যিটো মথাউৰি গৈছে, বেছি নহয় চাৰি-পাঁচ কিলোমিটাৰ হ'ব, এই মথাউৰিটো নিৰ্মাণ কৰিব লাগে। মথাউৰিটো বনাই সেইটো ৰাস্তা হ'ব লাগে ।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, তেখেতৰ সমষ্টিত আমি ইতিমধ্যে বিশ্ব বেংকৰ প্ৰজেক্টৰ জৰিয়তে যথেষ্ট কাম কৰিছো আৰু পৰৱৰ্ত্তী সময়তো সেইখিনি কৰিবলৈ চেষ্টা কৰিম ।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী গণেশ কুমাৰ লিম্বু। প্ৰশ্ন নং- ২৪৩

**শ্ৰী পৰিমল শুক্লবৈদ্য, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে ।

**শ্ৰী গণেশ কুমাৰ লিম্বু, (বৰছলা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰশ্ন কৰিছিলো আমাৰ ঐতিহাসিক বৰাকটা বিলৰ ওপৰত। এই বৰাকটা বিলত বহুত মৎসজীৱী লোকে জীৱন নিৰ্বাহ কৰে । সেই কাৰণেই বিলখনত কোনো ধৰণৰ উন্নয়নমূলক কাম চৰকাৰে নোলোৱাৰ কাৰণে এতিয়া এচাম মানুহে বিলখনত অবৈধ হিচাপে দখল কৰি এনেধৰণৰ কাম চলাই আছে আৰু এই বিলখনত প্ৰায় জানুৱাৰী মাহৰ পৰা ছেপ্তেম্বৰ মাহলৈকে বাৰিষা দিনত সম্পূৰ্ণ পানী জমা হৈ থাকে আৰু বাকী দিনত কিছু মাহ পানী নোহোৱাৰ কাৰণে তাত চৰকাৰে ভাল আঁচনি লোৱাৰ কিছু প্ৰয়োজন আছে । সেইটো মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো ।

**শ্ৰী পৰিমল শুক্লবৈদ্য,(মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গণেশ কুমাৰ লিম্বু ডাঙৰীয়াই যেনেকৈ কৈছে কথাখিনি একেবাৰে সঁচা। এই বিলখনত বালি আছে আৰু গোটেই বছৰ পানী নাথাকে। পাঁচ-ছয় মাহ মান পানী থাকে আৰু এই বিল খন আমাৰ মীন বিভাগৰ অধীনত নহয় । সম্ভৱ মাটি ৰেভিনিউ বিভাগত থাকিব। এইক্ষেত্ৰত আমি মীন বিভাগে প্ৰত্যক্ষভাৱে আঁচনি লোৱাত অসুবিধা আছে। তথাপি আমিও যোগাযোগ কৰিছিলো। এখন দুখন আঁচনি দিবলৈ বা এই ঠাইখন উন্নয়ন কৰাৰ বাবে ইচ্ছা প্ৰকাশ কৰিলে। তাৰ পিছত চাৰ্ভে কৰা হৈছে। কিন্তু ৱৰ্ল্ড ফিছ আৰু এআৰআইএয়ে কিছুমান নীতি-নিয়ম বান্ধি দিয়াৰ পিছতো আকৌ এই কামটো এতিয়ালৈকে সম্পূৰ্ণ হোৱা নাই বা কৰিব পৰা নাই বা আৰম্ভ হোৱা নাই। এই ক্ষেত্ৰত জিলা উপায়ুক্তলৈ লিখিছো যে এই মাটি যিটো দিয়া হয় ফিচাৰী বিভাগক তেনেহ'লে আমি ভৱিষ্যতে কেনেকৈ কৰিব পাৰো তাৰ কাৰণে এটা প্ৰয়াস কৰিম ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী গণেশ কুমাৰ লিম্বু, (বৰছলা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিলখন যিহেতু ঐতিহাসিক আৰু অতি পুৰণি ইয়াৰ ওপৰত বহুতো মানুহ নিৰ্ভৰশীল আৰু মই আশা ৰাখো যে ইয়াত এখন বিজ্ঞান সন্মত মাছৰ ব্যৱস্থা হ'ব লাগে। কিয়নো এতিয়া তাত নেচাৰেলি হৈ আছে, বাৰিষা ব্ৰহ্মপুত্ৰৰ পৰা পানী আহে আৰু ব্ৰহ্মপুত্ৰৰ পানী শুকাই যোৱাৰ পিছত মানুহে মাছ ধৰে। কিন্তু চৰকাৰে কোনো ধৰণৰ পদক্ষেপ লোৱা নাই। যিহেতু ঐতিহাসিক বিল, এই বিলখনত সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে। যিহেতু তাত অবৈধ ভাবে মানুহে বে-দখল কৰি আছে । ইয়াৰ ওপৰত বিভাগক কেইবাবাৰো লিখিছো । মই ভাবো মন্ত্ৰী মহোদয়ে বিষয়টো বিবেচনা কৰি চাই দিব লাগে ।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পৰিমল শুক্লবৈদ্য, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কথাটো একেবাৰে সঁচা। কাৰণ এই বিলখনত বহুত মানুহে মাছ সংগ্ৰহ কৰি তেওঁলোকৰ জীবিকা নিৰ্বাহ কৰে। বিলখন সঁচাকৈ ঐতিহাসিক বিল আৰু বহুত ডাঙৰ বিল । ইয়াৰ মাটিকালিৰ পৰিমানো বহুত খিনি আছে । এই ক্ষেত্ৰত আমি উপায়ুক্তৰ লগত যোগাযোগ কৰি আছো। আপুনি যিহেতু আমাৰ বিভাগৰ লগত যোগাযোগ কৰি আছে আমিও বিচাৰো যে এই বিলখনৰ মাটি যদি আমাক দিয়া হয়, তেনেহ'লে আমাৰ বিভাগৰ জৰিয়তে আমি যিমানখিনি পাৰো উন্নত কৰাৰ চেষ্টা চলাই যাম ।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী দিগন্ত কলিতা ।

**শ্ৰী দিগন্ত কলিতা, (কমলপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, খুব সুন্দৰ প্ৰশ্ন গণেশ কুমাৰ লিম্বু ডাঙৰীয়াই কৈছে । মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক এটা অনুৰোধ কৰিছো যে আপোনালোকে জানে বিশেষকৈ নামনি অসমৰ হওক বা উজনি অসমৰে হওক বা আমাৰ মঙ্গলদৈ লোক সভা সমষ্টিটোত বহু এনেকুৱা মীন পালক আছে। মই সামগ্ৰিকভাবে কথাটো কৈছো । কথা হ'ল আমাৰ ইয়াত

বিভিন্ন জনগোষ্ঠীয়ে এই মীন পালকৰ ঘৰত এটা পুখুৰী সদায় ৰাখিছে । কিন্তু আমি পুখুৰী বিলাক সজাই থোৱাৰ নিচিনা হৈছে। মই প্ৰশ্ন এইটোৱে কৰিছো যে অকণমান মীন পালকক, কৰবাত এখন জিলাত কোনোবা এটা সমষ্টিত মডেল হিচাপে কৰিব বিচাৰে আমিও কিছু শিকিব বিচাৰিছো আমাৰ ঘৰতো মীন পালন কৰিছো। এনেকুৱা ধৰণৰ মডেল ফিচাৰী এটা সমষ্টি বা কোনোবা জিলাত কৰে, আমি তেখেতক আহ্বান জনাইছো যে তেখেতে যথেষ্ট খিনি কৰিছে আৰু অকমান তেখেতে মনোযোগ দিবৰ কাৰণে তেখেতক অনুৰোধ জনাইছো ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া। মডেল পুখুৰী সন্দৰ্ভত।

**শ্ৰী পৰিমল শুক্লবৈদ্য, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় অধ্যক্ষ মহোদয় খুব ধুনীয়া কথা আৰু এই মৎস্য বিভাগটো ৰাইজৰ মনৰ লগতো জড়িত । কাৰণ আমাৰ খাদ্য তালিকাত আমি যদি মাছ পাওঁ নিশ্চয় আমাৰ ৯৬ শতাংশ লোকে ভাল পায় । এই ক্ষেত্ৰত দিগন্ত কলিতা ডাঙৰীয়াই যেনেকৈ কৈছে আমি চেষ্টা চলাই আছো । আমি নতুনকৈ কিছুমান প্ৰযুক্তি আনিছো । যেনেকৈ বাইঅ'ফ্লাড, ফিছ কালচাৰ, তেনেকুৱা ধৰণৰ নতুন প্ৰযুক্তি বিলাক আনিছো আৰু আপোনালোকে শুনিলে ভাল পাব যে আজিৰ দিনত আমাৰ ৪.৭১ লাখ মেট্ৰিক টন প্ৰডাকশ্যন হৈছে । 2016 চনৰ আগতে হয়তো ৩ লাখ মেট্ৰিক টনো প্ৰডাকশ্যন হোৱা নাছিল । এই ক্ষেত্ৰত আপোনালোকৰ উৎসাহ আমাৰ বাবে অনুপ্ৰেৰণা । আমাৰ গোটেই খিনি বিধায়ক বন্ধুসকলে আমাক উৎসাহ দিয়ে আৰু আমাৰ বিভাগে প্ৰতিটো ক্ষেত্ৰত, প্ৰতিটো সমষ্টিত কাম আগবঢ়াইছে। যদি আপোনালোকে এনেকুৱা পৰামৰ্শ দিয়ে আমাক যে এই ক্ষেত্ৰত, যেনেকৈ গণেশ কুমাৰ লিম্বু ডাঙৰীয়াই কৈছে যে আমাৰ বিলখন উন্নত কৰিব লাগে । তেনেকুৱা যদি কোনো ঠাই থাকে আমাক পৰামৰ্শ দি আমি নিশ্চিতভাবে বিভাগৰ জৰিয়তে কামখিনি কৰিম ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। প্ৰশ্ন নং-২৪৪ । শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ ।

**শ্ৰী পৰিমল শুক্লবৈদ্য, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া হৈছে ।

**শ্ৰীধৰ্মেশ্বৰ কোঁৱৰ, (সোণাৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আমাৰ মাননীয় পৰিবহন মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰিছো যে ক'ভিডৰ সময়ৰ পৰাই আমাৰ সোণাৰি নগৰৰ পৰা গুৱাহাটীলৈ অহা যিবিলাক শীততাপ নিয়ন্ত্ৰিত বাছৰ চলাচল বন্ধ হৈ আছে ।সেইবাবে কেতিয়াৰ পৰা আৰম্ভ কৰিম বুলি ভাবিছে, আমাৰ বিভাগে তাৰ বিষয়ে সবিশেষ জনাব বুলি ভাবিছো । বিশেষকৈ যিহেতু গুৱাহাটীত বহুতো ছাত্ৰ-ছাত্ৰী পঢ়ি আছে আৰু কিছুমান লোক অফিচিয়েল কামত আহিব লগীয়া হয় । যিবিলাক উত্তৰ পাইছো, ব্যক্তিগত বাছ চলাচল কৰা সিদ্ধান্ত লৈছে এই ব্যক্তিগত বাছ বিলাক কেতিয়াবা ভাড়াত গুছি যায়। তেতিয়া আমাৰ যাত্ৰী বিলাকৰ বহুত অসুবিধা হয় । গতিকে আমি ভাবিছো চৰকাৰীভাবে এই বাছ সমূহ যদি চলাব পাৰে, তেতিয়া অন্ততঃ সুবিধা হয়। গতিকে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰীপৰিমল শুক্লবৈদ্য, (পৰিবহণ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীধৰ্মেশ্বৰ কোঁৱৰ ডাঙৰীয়াই তেওঁৰ সমষ্টিৰ পৰা শীত-তাপ নিয়ন্ত্ৰিত বাছ চলাচলৰ কাৰণে তেওঁ আগ্ৰহ প্ৰকাশ কৰিছে। মই তেওঁৰ উত্তৰত কৈছো যে এই মুহূৰ্তত আমাৰ হাতত এনেকুৱা বাছ নথকাৰ কাৰণে আমি ASTC ৰ বাছ directly চলাব নোৱাৰো। কিন্তু ব্যক্তিগত খণ্ডৰ বাছবিলাক অহা-যোৱা কৰি থাকে আৰু ব্যক্তিগত খণ্ডৰ বাছ যদি কোনো মানুহে ইচ্ছা প্ৰকাশ কৰে যে এই ৰাস্তাত তেওঁলোকে যদি বিচাৰে নিশ্চিতভাৱে আমি সহায় কৰিম। যিটো ক্ষেত্ৰৰ কথা আপুনি ইয়াত উল্লেখ

কৰিছে বৰহাট ইয়াত আমাৰ consultancy firm য়ে গোটেইখিনি চালি-জাৰি চাই আমাৰ এই firm খন যাতে development কৰিব পাৰো আৰু ভৱিষ্যতত আমাৰ পৰিকল্পনা আছে যদি আমি নতুন বাছ ল'ব পাৰো তেনেহ'লে আপোনাৰ ৰাস্তাত অগ্ৰাধিকাৰ দি বাছ চলোৱাৰ ব্যৱস্থা কৰিম।

**শ্ৰীধৰ্মেশ্বৰ কোঁৱৰ, (সোণাৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সোণাৰি নগৰৰ পৰা বৰহাট অঞ্চললৈ প্ৰায় ৩৫-৪০ কিলোমিটাৰ দূৰত্ব। গতিকে বৰহাট অঞ্চলৰ পৰা বা সাপেখাতী অঞ্চলৰ পৰা আহিবৰ কাৰণে বা তাত কোনো চৰকাৰী বাছ আস্থান এটা নাই। গতিকে এই বাছ আস্থান টো আমাৰ অত্যন্ত প্ৰয়োজন। গতিকে তাৰ বিষয়ে কিবা বিভাগীয় বিষয়াসকলে বা বিভাগে চিন্তা-চৰ্চা কৰিছে নেকি ? তাৰোপৰি আমাৰ সোণাৰিত যিটো বাছ আস্থান আছে, এই বাছ আস্থানটো একেবাৰে জৰাজীৰ্ণ অৱস্থাত আছে বুলি ক'ব লাগিব। গতিকে এই বাছ আস্থানটো আন্তঃগাঁথনিৰ উন্নয়নৰ কথা যদি চিন্তা কৰে অন্ততঃ বিভাগৰ তৰফৰ পৰা ভাল হ'ব বুলি ভাবিছো। গতিকে মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এই বিষয়ে মই জানিব বিচাৰিছো আৰু অনুৰোধ জনাইছো।

**শ্ৰীপৰিমল শুক্লবৈদ্য, (পৰিবহণ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সোণাৰিৰ পৰা বৰহাটলৈকে এটা ভাল ৰাস্তা আৰু আমি যদি ASTC বাছ দিব পাৰিলোহেঁতেন, তেনেহ'লে ৰাইজে ভাল পোৱাৰ লগতে সুবিধা পালেহেঁতেন। কথাটো হৈছে যে সোণাৰিৰ পৰা বৰহাটলৈকে আমাৰ নিজৰ মাটি নাই। এইক্ষেত্ৰত আমি যেতিয়া বাছ সেৱা ASTC ৰ জৰিয়তে আৰম্ভ কৰিম, তেতিয়া খুব স্বাভাৱিকভাৱে আমি মাটিৰ কাৰণে আমাৰ বিভাগক অনুৰোধ কৰিম আৰু মাটি যদি আমি পাব পাৰো, তেনেহ'লে নিশ্চিতভাৱে এই ঠাইখন develop কৰাৰ কথা আমি চিন্তা কৰিম। যিটো বৰ্তমানৰ বাছ আস্থানৰ কথা কৈছে, মই আগতেওঁ কৈছো যে, consultancy firm এখন KPMG তেওঁলোকক দায়িত্ব দিয়া আছে আৰু মই ভাৰো, first phase ৰ report এটা তেওঁলোকে দিলে আৰু second phase ৰ report টো তেওঁলোকৰ লগত যেনেকৈ আমি কথা-বতৰা পাতিছো তেওঁলোকে সেইমতে submit কৰিব বুলি মই ভাৰো। এমাহৰ পাছত যি report আহিব, এই report ত তেওঁলোকে যেনেকৈ পৰামৰ্শ দিব, সেই পৰামৰ্শ অনুযায়ী আমাৰ চৰকাৰে ব্যৱস্থা লোৱাৰ কাৰণে পুঁজি সাপেক্ষে চেষ্টা কৰিব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰীচক্ৰধৰ গগৈ।

**শ্ৰীচক্ৰধৰ গগৈ, (মৰাণ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এই বিষয়টোত যিহেতুকে বাছ আস্থান আৰু ASTC ৰ বাছ চলাৰ সম্পৰ্কে সুধিছে গোটেই বিষয়টো মোৰ লগত অলপ খাপ খোৱাৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক এটা প্ৰশ্ন সুধিব খুজিছো যে মৰাণৰ পৰা বৰ্তমান কোনো ধৰণৰ এনেকুৱা ভাল ASTC ৰ বাছ নাই যিখনত উঠি আমি গুৱাহাটীলৈ আহিব পাৰো। গতিকে প্ৰথমতে তাত ভাল বাছ দিয়াৰ ব্যৱস্থা কৰিব নেকি আৰু এটা কথা আছে যে মৰাণৰ যিটো বাছ আস্থান, সেই বাছ আস্থানটো অতিকৈ পুৰণি। প্ৰাক্তন প্ৰধান মন্ত্ৰী মাননীয় শ্ৰীমনমোহন সিং ডাঙৰীয়াৰ দিনত তেখেতে ইয়াৰ পৰা ৰাজ্য সভাৰ সদস্য হৈ থাকোতে এটা পুঁজি দি অলপ নিৰ্মাণ কৰাইছিল তাৰ পাছত আমি নিৰ্মাণ কৰাৰ কথা ভাৰো মোক ৰাইজে কৈ থাকে, কৈ থকাৰ কাৰণে মই বিধায়ক পুঁজি দি হলেও বনোৱাৰ কথা ভাৰো। কিন্তু মাটিডোখৰ বিবাদমান হৈ আছে। গতিকে বিবাদটো কিমান দিঘলীয়াকৈ চলিব আৰু কেতিয়া শেষ হ'ব। কাৰণ আমি মৰাণৰ ৰাইছে এইটো মুক্ত হোৱাটো বিচাৰিছো। গতিকে মাননীয় মন্ত্ৰী মহোদয়ে এইক্ষেত্ৰত কি পদক্ষেপ গ্ৰহণ কৰিব জনালে নিশ্চয় ভাল পাম।

**শ্ৰীপৰিমল শুক্লবৈদ্য, (পৰিবহণ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মৰাণৰ পৰা ASTC বাছ চলাচলৰ ব্যৱস্থা প্ৰকৃতাৰ্থত ক'বলৈ গ'লে আমাৰ অসমৰ ৰাইজৰ বহুত এটা পুৰণা ASTC (Assam State Transport Corporation) এই প্ৰতিষ্ঠানটো যদি আমি আগুৱাই লৈ যাব লাগে বা আমি যদি ৰাইজৰ demand অনুযায়ী দিব লাগে, তেনেহ'লে কম কৰি হ'লেও আমাৰ ৪-৫ হাজাৰ বাছৰ প্ৰয়োজন আছে। আজিৰ দিনত আমাৰ ৫ শ ৰো অধিক বাছ চলাচল কৰি আছে। এই বাছবিলাক দি আমি প্ৰতিখন ঠাইত খুৱ স্বাভাৱিকভাৱে যিসকল যাত্ৰী অহা-যোৱা কৰে, তেওঁলোকৰ demand fulfill কৰিব নোৱাৰো। এইক্ষেত্ৰত চৰকাৰে দায়িত্ব পোৱাৰ পাছতে লাহে লাহে অলপ develop কৰাৰ চেষ্টা কৰি আছো। আপুনি কোৱা মতে মৰাণৰ যিটো বাছ আস্থান, ঠিক তেনেকুৱা বিভিন্ন ঠাইত যিবিলাক বাছ আস্থান আছে কেনেকৈ পুনৰ নিৰ্মাণ ভালকৈ কৰা যায়, তাৰ কাৰণে আমি consultancy firm ৰ কথা ইতিমধ্যে সদনত জনাইছো। তাৰোপৰি এটা কথা আপোনালোক প্ৰতিজনে জানে যে বিভিন্ন বাছ আস্থানত আমাৰ চৰকাৰ অহাৰ আগতে মই কেইদিনমান আগতে এটা প্ৰশ্নৰ উত্তৰত কৈছো, যে বিভিন্ন ঠাইত lease ত কিছুমান মাটি দিয়া আছে আৰু lease amount টো একেবাৰে কম। এই মাটিবিলাক লৈ এতিয়াও বিভিন্নভাৱে বিতৰ্ক চলি আছে, High Court ত Case আছে। যিহেতু মহামান্য High Court ৰ ওচৰত Case আছে, এই Case বিলাক নিষ্পত্তি হোৱাৰ আগতে, প্ৰতিটো ক্ষেত্ৰতে আছে এনেকুৱা নহয় যে দুই চাৰিটা ঠাইত আছে আপোনাৰ মৰাণতো হ'ব পাৰে। গতিকে এইক্ষেত্ৰত এইটো নিষ্পত্তি হোৱাৰ পাছতে হয়তো কোনোবা নহয় কোনোবা ঠাইত য'ত আছে আমি ব্যৱস্থা গ্ৰহণ কৰিম।

**শ্ৰীদুৰ্গা দাস বড়ো, (কলাইগাঁও) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ DRSC Committee ৰ দহ-বাৰ দিনমান আগতে সভা আছিল তাত পৰিবহণ বিভাগৰ আটাইবিলাক বিষয়া উপস্থিত আছিল. মাননীয় মন্ত্ৰী মহোদয়ে জনাব নেকি যে প্ৰথমে পৰিবহণ বিভাগৰ 50% Employee VRS দিবৰ কাৰণে ready হৈছে বা তেওঁলোকো যাবলৈ ready হৈছে। দ্বিতীয়তে, ভৱিষ্যতে transport department ৰ বাছ চলিব নে যিহেতু transport department টো ইতিমধ্যে প্ৰায় দেউলীয়া ৰ নিচিনা হৈছে। যিবিলাক বাছ আছে সেইবিলাকো, নতুন বাছ অনা বিলাকো বহি আছে ড্ৰাইভাৰৰ অভাৱত তেওঁলোকে চলাব পৰা নাই। CNG বাছ আনিছে, এই বাছ সমূহক প্ৰাইভেটত দিয়াৰ কথা চিন্তা কৰিছে নেকি।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰীপৰিমল শুক্লবৈদ্য, (পৰিবহণ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ VRS ৰ ক্ষেত্ৰত এইবাৰো আমি আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আপোনালোকে দেখিছে যে বাজেট যেতিয়া place কৰা হৈছিল কিছু বঢ়োৱা হৈছে। এইমূহুৰ্তত ১৩২-৩৪ জনৰ এখন তালিকা প্ৰস্তুত হৈছে। এইক্ষেত্ৰত কিছুমান মানুহ VRS ত যাব আৰু কথা হৈছে যে, আমাৰ বাকী যিসমূহ ১০০ বাছৰ কথা কৈছে, এইটো smart city ৰ জৰিয়তে গুৱাহাটীৰ কাৰণে দিয়া হৈছে আৰু সেই কাৰণে CNG ৰ বাছ সমূহ দিছে এইকথা আপুনি যেনেকৈ  কৈছে। CNG বাছসমূহ ধুনীয়াকৈ চলি আছে গুৱাহাটীত। আমি ড্ৰাইভাৰৰ কাৰণে বাছ চলোৱা নাই এনেকুৱা কথা নহয়, হয়তোবা কোনো ঠাইত কোনো মানুহে ছুটী লৈছে বা কিবা দুদিন-এদিন এনেকুৱা হ'ব পাৰে। কিন্তু বাছ আমাৰ চলি আছে। এই মুহূৰ্তলৈকে  ড্ৰাইভাৰৰ কোনো সমস্যা হোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং-২৪৫। শ্ৰীদেৱব্ৰত শইকীয়া।

**শ্রীঅতুল বৰা, (অসম চুক্তি ৰূপায়ণ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্রীদেৱব্রত শইকীয়া, (নাজিৰা, বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম চুক্তি ৰূপায়ণ বিভাগৰ মন্ত্ৰী মহোদয়ক যিটো প্ৰশ্ন সুধিছিলো, এই প্ৰশ্নটোৰ উত্তৰ সম্পৰ্কে মই জানিব বিচাৰিছো পুণৰবাৰ যে প্ৰশ্ন নং- 'খ' অনুসৰি অসম চুক্তি ৰূপায়ণ বিভাগে বিদেশী নাগৰিকৰ চিনাক্তকৰণৰ বাবে অসম চুক্তি অনুসৰি ভিত্তিবছৰ পৰিবৰ্তন কৰা নাই আৰু অসম চুক্তিৰ ৫ নং দফা অনুসৰি ৫.৮ অনুসৰি ১৯৭১ চনৰ মাৰ্চৰ ২৫ তাৰিখ তথা তাৰপাছত অসমলৈ অহা বিদেশী নাগৰিকসকলক চিনাক্ত কৰি তৎকালীনভাৱে কাৰ্য্যকৰী হোৱাকৈ তেওঁলোকক খেদি পঠিয়াব লাগে। দ্বিতীয়তে, সেই একেই মোৰ প্ৰশ্ন নং- 'ঙ' নাগৰিকত্ব সংশোধনী আইনে অসম চুক্তিৰ ৫ নং দফা মূল্যহীন কৰিছে নেকি? মহোদয়, ২০১৯ চনৰ নাগৰিকত্ব সংশোধনী আইনে ২০১৪ চনৰ ৩১ ডিচেম্বৰলৈকে অহা যিকোনো বিদেশীকে এটা জনগোষ্ঠী বাদ দি সকলোকে ভাৰতীয় নাগৰিক কৰিব বিচাৰিছে। সেই গতিকে নিশ্চিতভাৱে এই দুয়োটাৰ মাজত কিছু অসামঞ্জস্য হ'ব। এইখিনি কেনেকৈ দূৰ কৰা হ'ব এই কথা জানিব বিচাৰো। দ্বিতীয়তে অসম চুক্তি ৰূপায়ণৰ বাবে অসমীয়া সংজ্ঞাটো সোনকালে নিৰ্ধাৰণ হোৱাটো প্ৰয়োজন সেই গতিকে চৰকাৰে এই বিষয়ত সোনকালে যাৱতীয় পদক্ষেপ ল'ব নেকি এইকথাটো মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী, অসম চুক্তি ৰূপায়ণ ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য দেৱব্ৰত শইকীয়া ডাঙৰীয়াই যিকেইটা প্ৰশ্ন সদনৰ মজিয়াত আপোনাৰ উত্থাপন কৰিছে মই ভাৱো ইয়াৰ যথাযথ উত্তৰ লিপিবদ্ধভাৱে সন্নিবিষ্ট কৰা হৈছে। তৎস্বত্বেও তেখেতে কেইটামান বিষয়ত আমাৰ পৰা স্পষ্ট হ'ব বিচাৰিছে। তেখেতে এই বিষয়ত বৰ্তমান সময়ত চিন্তা কৰিছে। সেইটো খুবেই ভাল কথা। ইয়াৰ বাবে মই ধন্যবাদ জনাইছো। আমিও ছাত্ৰাৱস্থাৰ পৰা এই বিষয়টোৰ লগত গভীৰভাৱে জড়িত হৈ আছো আৰু দায়িত্ব লোৱাৰ পিছৰ পৰা আমি আন্তৰিকতা আৰু নিষ্ঠাৰে কাম কৰি যাবলৈ চেষ্টা কৰিছো। আপোনালোকে জানে যে এটা দীঘলীয়া আন্দোলনৰ অন্তত ১৯৮৫ চনত অসম চুক্তি হৈছিল। সেই সময়ৰ প্ৰধান মন্ত্ৰী প্ৰয়াত ৰাজীৱ গান্ধীয়ে অসম চুক্তি স্বাক্ষৰ কৰিছিল। তাৰ পিছত দিল্লীত কংগ্ৰেছৰে চৰকাৰ আছিল আৰু দিছপুৰতো কংগ্ৰেছৰ চৰকাৰ আছিল। কিন্তু সেই সময়ত চুক্তি ৰূপায়ণৰ মূল হেঙাৰ আছিল আই এম ডি টি আইন। তথাপিতো আন্তৰিকতা থকা হ'লে কংগ্ৰেছ চৰকাৰে এই চুক্তিখন ৰূপায়ণ কৰি অসমৰ জনসাধাৰণৰ শংকা দূৰ কৰিব পাৰিলেহেঁতেন। যিকেইটা প্ৰশ্ন মাননীয় সদস্য গৰাকীয়ে ইয়াত উত্থাপন কৰিছে, মই ভাৱো যে মাননীয় সদস্যগৰাকীয়ে নিজৰ বিবেকক প্ৰশ্ন কৰা উচিত আৰু দিল্লীত থকা ৰাজীৱ ভৱনক প্ৰশ্ন কৰা উচিত।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত বিবেকৰ কথা নাহে, তথ্যৰ কথা আহে।

**সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়।**

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াক উত্তৰ দিবলৈ দিয়ক।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী, অসম চুক্তি ৰূপায়ণ ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰশ্নকেইটাৰ উত্তৰ দিবলৈ মই সাজু আছো। আমি এই বিষয়টো লৈ যিমান চিৰিয়াচ তাতকৈ আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু বেছি চিৰিয়াচ। চিৰিয়াচ হোৱাৰ বাবেই বহু কেইটা ব্যৱস্থা ইতিমধ্যে

গ্ৰহণ কৰা হৈছে। চুক্তি কৰা হ'ল, আই এম ডি টি আইন লগাই দিলে। তাৰ পিছত দীঘলীয়া সময় কংগ্ৰেছ দলৰ চৰকাৰ দিল্লীত আছিল আৰু দিছপুৰতো আছিল। সেইকাৰণে মই কৈছো যে উত্তৰটো ৰাজীৱ ভৱনে ভালকৈ দিব পাৰিব।

**সদনত হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়।**

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াক উত্তৰ দিবলৈ দিয়ক।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী, অসম চুক্তি ৰূপায়ণ ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়,..........Interruption............ বাংলাদেশৰ পৰা মানুহ অহাৰ ৰাস্তা কংগ্ৰেছে মুকলি কৰি দিছিল। ..........Interruption............আপোনালোকে এনেকুৱা কৰিলে মই আৰু দূৰলৈ û±Ô ù ±úá Ô¼.........Interruption............তাৰ কাৰণে অসম আন্দোলন হ'ল, ৮৫৫ জনক সেই সময়ত কংগ্ৰেছ চৰকাৰে হত্যা কৰিছিল।

**মাননীয় অধ্যক্ষ ঃ** পৰৱৰ্তী পৰিপূৰক প্ৰশ্ন।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কংগ্ৰেছ দলে বাহিৰৰ পৰা মানুহ অনাৰ কথা কৈছে। সেই কথাটো যদি প্ৰমাণ কৰিব নোৱাৰে তেতিয়াহ'লে ......................Interruption............ সেইটো Expunge কৰিব লাগিব। সেইটো প্ৰথম কথা। ২০০5 চনত আই এম ডি টি আইনখন বাতিল কৰা হৈছিল আৰু তাৰ পিছত ২০১৪ চনত এখন নতুন আইন আহিছিল। সেই আইন খনত কি আছে আৰু আমাৰ অসম চুক্তিত কি আছিল সেই কথাখিনি আমি স্পষ্টকৈ সকলোৱে জানে। এই কথাটো স্বীকাৰ কৰিবলৈ টান পাইছে, তাত মোৰ আপত্তি নাই। দ্বিতীয়তে, মোৰ অন্য এটা বিষয়ো আছে যে ৬ নং দফাত অসমৰ সাহিত্য-সংস্কৃতি ইত্যাদি বিভিন্ন ক্ষেত্ৰত সংৰক্ষণ কৰাৰ কথা আছিল। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ পৰা পুঁজিও আহে। আমাৰ শিৱসাগৰ জিলাৰ গৌৰীসাগৰৰ নামদাঙৰ শিলৰ সাঁকোখনে আজি বহু বছৰ ধৰি ৰাইজৰ সকলো পৰিবহনৰ বাবে যাতায়তৰ ব্যৱস্থা কৰি আছে। সেয়েহে নামদাঙৰ শিলৰ সাঁকোখনৰ বাবে বিশেষ সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে। গড় সমূহৰ সংৰক্ষণৰ বাবে কিছু টকা দিয়া হৈছে। গড় খাৱৈ আৰু গড় দুয়োটা একেলগে থাকে। প্ৰথমতে পানী থাকে, তাৰ পিছতহে গড় থাকে। এই যিখিনি আছে সেইখিনি সংৰক্ষণৰ বাবে বিশেষ কিবা ব্যৱস্থা ল'ব নেকি? জাপান আৰু বিদেশৰ বিভিন্ন দেশত ৰজাদিনীয়া গড় সংৰক্ষণ কৰা হৈছে। তাত বহু বছৰ আগতে ৰজা নাইকিয়া হৈছে। সেয়েহে এনেকুৱা ধৰণৰ পদক্ষেপ লৈ অসম চুক্তিখন সাৰ্থক ভাৱে ৰূপায়ণ কৰিবৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।.....................Interruption............

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াক উত্তৰ দিবলৈ দিয়ক।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী, অসম চুক্তি ৰূপায়ণ ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চুক্তিৰ দফাসমূহ ৰূপায়ণ কৰিবৰ বাবে বিভিন্ন ধৰণৰ পৰিকল্পনা কৰিছে। আপোনালোকে ইতিমধ্যে গম পাইছো যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে এখন চাব-কমিটি কৰি দিছে। সেইখন কমিটিত আমি অধ্যক্ষ হৈ আছো আৰু আমাৰ সতীৰ্থ মন্ত্ৰী অজন্তা নেওগ ডাঙৰীয়ানী, পিয়ুষ হাজৰিকা ডাঙৰীয়া আৰু সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃবৰ্গসকল সদস্য হৈ আছে। আমি যোৱা সময়ছোৱাত ৬ নং দফা সম্পৰ্কে বিস্তৃতভাৱে আলোচনা কৰিছো আৰু ইতিমধ্যে চাৰি লানি আলোচনা হৈছে। আমি আশা কৰিছো যে আৰু দুই লানিমান আলোচনাৰ পিচত এই বিষয়টো এটা সমাপ্তি ঘটাব পাৰিম আৰু সেই মতে আগবাঢ়িব পাৰিম। অন্যান্য যিসমূহ ক্লজ আছে, আজি শংকৰদেৱ কলাক্ষেত্ৰকে ধৰি বিভিন্ন অনুষ্ঠানৰ ক্ষেত্ৰত চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। ভাৰতৰ পুৰাতত্ত্ব বিভাগে ২০২০-২১

বৰ্ষত শিৱসাগৰ জিলাৰ বাউলী মৈদাম পুৰাতত্ব স্থানৰ সুৰক্ষা, সংৰক্ষণ আৰু উন্নীতকৰণৰ বাবে ৯.৫০ লাখ টকাৰ ধন ধাৰ্য্য কৰিছে আৰু ইতিমধ্যে লাভো কৰিছে। ঠিক তেনেদৰে বাউলী মৈদাম পুৰাতত্ব স্থান আৰু গড়গাঁও ৰাজধানী পুৰাতত্ব স্থান শিৱসাগৰৰ বাবে চাৰি কোটি টকাৰ বিত্তীয় আবণ্টন লাভ কৰিছে। মাজুলীত এখন সংস্কৃত বিদ্যালয় স্থাপন কৰিছে আৰু বজালী মহাবিদ্যালয়ক ভট্টদেৱ বিশ্ববিদ্যালয়, হোজাই মহাবিদ্যালয়ক ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়, মাধৱদেৱ মহাবিদ্যালয়ক শ্ৰী শ্ৰী মাধৱদেৱ বিশ্ববিদ্যালয়লৈ উন্নীতকৰণ কৰিছে। বৰ্তমান চৰকাৰে গোলাঘাটত সতীসাধিনী বিশ্ববিদ্যালয় স্থাপন কৰাৰ বাবে অনুমোদন জনাইছে আৰু কাম-কাজ চলি আছে। মাননীয় সদস্য দেৱব্ৰত শইকীয়া ডাঙৰীয়াই নামদাঙৰ শিলৰ সাঁকোৰ বিষয়ে এটা অতি গুৰুত্বপূৰ্ণ কথা কৈছে। মই যেতিয়া শিলৰ সাঁকোৰে পাৰ হৈ যাঁও মই তেতিয়া ভাৱো যে কিদৰে ইমান বছৰে অক্ষত অৱস্থাত আছে। সেই সাঁকো সংৰক্ষণ কৰিবৰ বাবে যিকেইটা পৰামৰ্শ দিছে, অসম চৰকাৰে নিশ্চিতভাৱে সেইকেইটা গুৰুত্বসহকাৰে গ্ৰহণ কৰিব আৰু চুক্তিৰ দফাসমূহ ৰূপায়ণৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য জাকিৰ হুছেইন ডাঙৰীয়াই কওক।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম চুক্তিৰ পিছতে অসম গণ পৰিষদ দলে দুবাৰকৈ আমাৰ ৰাজ্যৰ শাসনৰ দায়িত্ব পাইছিল আৰু বৰ্তমান বি জে পিৰ মিত্ৰজোঁটৰ চৰকাৰ য'ত অসম গণ পৰিষদ দল আছে। ইতিমধ্যে সাত বছৰে তেখেত সকলে শাসনভাৰ চলাই আছে। মুঠ সোতৰ বছৰ ধৰি তেখেতসকলে শাসনভাৰ চলাই আছে। মোৰ প্ৰশ্নটো হ'ল- বিদেশী নাগৰিকৰ চিনাক্তকৰণৰ ভিত্তি বৰ্ষটোক লৈ মাননীয় উচ্চতম ন্যায়ালত এটা গোচৰ চলি আছে। এই গোচৰত অসম চৰকাৰে কি শপত নামা দিছে আৰু অসম চৰকাৰে ভিত্তি বৰ্ষ হিচাপে কোনটো চনৰ পক্ষত আছে সেই বিষয়ে মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী, অসম চুক্তি ৰূপায়ণ ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, নাগৰিকত্ব সংশোধনী আইন ২০১৯, কেন্দ্ৰীয় চৰকাৰে প্ৰনয়ণ কৰিছে আৰু এই বিষয়টো ৰাজ্য চৰকাৰৰ বিষয় নহয় আৰু এই সম্পৰ্কে মতামত দিয়াৰো আমাৰ কৰ্তৃত্ব নাই।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম চুক্তিত একেবাৰে স্পষ্টকৈ কোৱা আছে.....................Interruption........... অসম চৰকাৰে দুটা স্থিতি কেনেকৈ ল'ব পাৰে? অসম চৰকাৰৰ স্থিতি স্পষ্ট নহয় কিয়? অসম চুক্তিক তেওঁলোকে সন্মান কৰে নে নকৰে? যদি অসম চুক্তিক তেওঁলোকে সন্মান কৰে, তেন্তে অসম চুক্তিৰ প্ৰত্যেকটো দফা তেওঁলোকে মানি ল'ব লাগিব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী অতুল বৰা, (মন্ত্ৰী, অসম চুক্তি ৰূপায়ণ ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, য়েতিয়া কংগ্ৰেছ দলে অসম চুক্তিৰ কথা কয়, অসম চুক্তি ৰূপায়ণ আৰু বিদেশীৰ কথা কয় মোৰ এনেকুৱা লাগে যে 'ভূতৰ মুখত ৰাম নাম'। তেখেতসকলে হয়তো বৰ্তমান সময়ত উপলব্ধি কৰিছে, .....................Interruption...........

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম চুক্তি কৰি আপোনালোকে শাসনত আহিছে .....................Interruption...........

**শ্ৰী অতুল বৰা,(কৃষিমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্যগৰাকীয়ে যিমানেই চিঞৰি

নকওঁক কিয়, অসমৰ জনসাধাৰণে বুজি পায় যে অসম আন্দোলনৰ প্ৰতি কংগ্ৰেছ চৰকাৰৰ কিমান আন্তৰিকতা আছিল, চুক্তিখন ৰূপায়ণৰ বাবে চৰকাৰে কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছিল। চৰকাৰে কি কৰিছে বা নকৰিছে অসমৰ জনসাধাৰণে উপলব্ধি ...interruptions.... অসম আন্দোলনৰ সিসকল ... আছিল, তেওঁলোকক ... দিয়াই হওঁক আৰু অন্য ব্যৱস্থাই লোৱা হওঁক, কোনো ব্যৱস্থাই সেইসময়ত কংগ্ৰেছ চৰকাৰে গ্ৰহণ নকৰিলে ..interruptions....

(সদনত হুলস্থূল)

(বিৰোধীয়ে সদন ত্যাগ কৰে)

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা, ইত্যাদি)ঃ** চাৰ, তেওঁলোক গুছি গ'ল। কিন্তু মই on record কথা এটা কওঁ। মই ১৭ বছৰ কংগ্ৰেছ দলত আছিলো। কংগ্ৰেছত মই বিধায়ক হিচাপেও জিকিছিলো। ৭ বছৰ মই যুব-কংগ্ৰেছৰ সভাপতি আছিলো। সেই ৭ বছৰত প্ৰত্যেকখন Executive Meeting ত মই বহিব লাগে। প্ৰত্যেকখন Election Committee meeting, ডাঙৰ কাৰ্যসূচীত মই বহো। কিন্তু, ৭ বছৰত এদিনো কংগ্ৰেছৰ মজিয়াত অসম চুক্তিৰ আলোচনা হোৱা নাছিল। এতিয়া হঠাৎ অসম চুক্তিৰ কথা এতিয়া কংগ্ৰেছে ক'ৰ পৰা উলিয়ালে মোৰ মনত পৰে। 'কা' বিৰোধী আন্দোলনৰ গইনা লৈ কংগ্ৰেছে অসম চুক্তি, অসম চুক্তি কোৱা হ'ল। ১৫ বছৰত কোনো দিনে অসম চুক্তিৰ কথা নুশুনিলো। এতিয়া মই কংগ্ৰেছ এৰি আাহিলো, বাচি আহিলো .....interruptions....

**মাননীয় অধ্যক্ষঃ** ঠিক আছে, হ'ব। ধন্যবাদ। প্ৰশ্ন নং ২৪৬- মোঃ আমিনুল ইছলাম (কনিষ্ঠ)। তেখেত অনুপস্থিত। প্ৰশ্ন নং২৪৭- শ্ৰীমতী শিৱামণি বৰা। তেখেতে অনুপস্থিত। প্ৰশ্ন নং ২৪৮- মাননীয় সদস্য শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী .....interruptions....

(সদনত হুলস্থূল)

Please Sit down.....interruptions...... অখিল গগৈ বহক. ..interruptions.... Please Sit down .....interruptions.. সন্মানীয় সদস্য শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী, আপুনি কওঁক

..interruptions.. মাননীয় সদস্যৰ প্ৰশ্ন চলি আছে Please .......interruptions...

**শ্ৰী অতুল বৰা, (কৃষিমন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰসদনৰ মজিয়াত দিয়া আছে।

**শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী, (যোৰহাট)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ....interruptions......

**শ্ৰী অখিল গগৈ(শিৱসাগৰ)ঃ** ঃ তেওঁ বহি বহি সদায় কথা কৈ থাকে। তেওঁক বিধান সভাৰ মালিক বুলি ঘোষণা কৰি দিয়ক .......interruptions....

**মাননীয় অধ্যক্ষঃ**তেওঁ সংসদীয় পৰিক্ৰমা মন্ত্ৰী। অখিল গগৈ, আপুনি কি কৰিব । তেওঁ চৰকাৰৰ হৈ ক'ব লাগে.......interruptions... Please Sit down. মাননীয় জ্যেষ্ঠ সদস্যগৰাকীয়ে প্ৰশ্ন কৰি আছে।

**শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী, (যোৰহাট)ঃ** অধ্যক্ষ মহোদয়, সদনত শান্তি বিৰাজ কৰিলে ভাল হ'ব। মই যিটো প্ৰশ্ন সুধিছো সেইটো বৰ সংবেদনশীল। মই জানো যে আমাৰ চৰকাৰে সীমামূৰীয়া ৰাজ্যবোৰৰ লগত সীমা সমস্যা সমাধানৰ বাবে এক উচিত পদক্ষেপ লৈছে। মোৰ দৃষ্টিত it is a wonderful step. সীমা সমস্যা সমাধানৰ ক্ষেত্ৰত এই বুজাপৰাৰ বাদে আমাৰ অন্য উপায় নাই। কিন্তু, এটা কাৰণত মই আজি এই প্ৰশ্নটো আনিলো যে এপ্ৰিল মাহৰ আৰম্ভণিত আমাৰ সন্মানীয় সদস্য ৰূপজ্যোতি কুৰ্মীৰ মৰিয়নী সমষ্টিৰ অসম-নাগালেণ্ড সীমান্তত নগা দুৰ্বৃত্ত বা নগা

জনসাধাৰণো হ'ব পাৰে, মুকলিকৈ বন্দুক লৈ আমাৰ সীমামূৰীয়া মানুহক তেওঁলোকে অত্যাচাৰ কৰিছিল। যেতিয়া অসমৰ বন বিষয়াই যাওঁতেও তেওঁলোক ঘূৰি আহিবলগীয়া হৈছিল। মই জনাত, পুলিচৰ উচ্চ পদস্থ বিষয়া সকলক বোধকৰো কিবা এটা কাৰণত ওপৰলৈ যাব দিয়া নাছিল। সীমা সমস্যা ভাল কৰিবলৈ নিশ্চিতভাৱে পৰিস্থিতিও ভাল ৰাখক। অসমেও কেতিয়াও জুইত তেল ঢালিব নালাগে। সেইয়া মই বিশ্বাস কৰো। কিন্তু, মুকলিকৈ টিভি স্ক্ৰীণ বা বাতৰি কাকতত আমাৰ বিষয়াসকল spotলৈ যাব নোৱাৰাৰ অৱস্থা হোৱা, তেওঁলোকক বন্দুক লৈ ভাবুকি দিয়াৰ কথাবোৰ যেতিয়া ওলায় তেতিয়া সেই অঞ্চলত থকা লোকসকলে নিঃসহায় বুলি ভাৱে। মন্ত্ৰী মহোদয়ে কৈছে- হিংসাত্মক কাৰ্য, বনজ সম্পদ লুণ্ঠনৰ ক্ষেত্ৰত আৰক্ষীয়ে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। কিন্তু, মই ভাৱো অসম-নাগালেণ্ড সীমান্তত সেই কথাটো যিধৰণে হ'ব লাগিছিল, হোৱা নাই। এইক্ষেত্ৰত, চৰকাৰে ভৱিষ্যতে কি পদক্ষেপ ল'ব সেই কথাটো মই অকণমান জানিব বিচাৰিছো। সীমা সমস্যা সমাধানৰ ক্ষেত্ৰত আজি উত্তৰত মই দেখিছো যে নাগালেণ্ডৰ ক্ষেত্ৰত সীমা নিষ্পত্তি কৰিবলৈ মহামান্য উচ্চতম ন্যায়ালয়ত বৰ্তমান এটা কেচ চলি আছে। তাৰ মানে আমি বন্ধুত্বপূৰ্ণ আলোচনাৰ মাজেৰে সীমা সমস্যা সমাধান কৰিবলৈ যিদৰে চুবুৰীয়া ৰাজ্যলৈ গৈছো, সেই ক্ষেত্ৰত নাগালেণ্ড exception হৈ আছে নেকি? মই এই দুটা কথা জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী অতুল বৰা, (কৃষিমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী ডাঙৰীয়াক মই ধন্যবাদ জনাইছো। তেখেতে স্পৰ্শকাতৰ কেইটামান গুৰুত্বপূৰ্ণ বিষয় আজি সদনৰ মজিয়াত উত্থাপন কৰিছে। আমি সকলোৱে এই কথা জানো যে সীমা বিবাদ আমাৰ এদিনীয়া নহয়, দীৰ্ঘদিনীয়া। সেই সময়ত কংগ্ৰেছ দল যেতিয়া দিল্লীত ক্ষমতাত আছিল, আমাৰ ৰাজ্যখনতো ক্ষমতাত আছিল। সেই সময়ছোৱাতেই আচলতে আমাৰ ৰাজ্যৰ পৰাই কেইখনমান জিলা ফালৰি কাটি গৈ একোখনকৈ ৰাজ্য গঠন হৈছিল আৰু সেই ৰাজ্য গঠন হওঁতেই যদি কংগ্ৰেছ চৰকাৰে once for all সীমাটো ঠিক কৰি দিলেহেঁতেন, তেতিয়া হ'লে আজি যিবিলাক সমস্যাৰ আমি সন্মুখীন হৈছো, সীমান্ত অঞ্চলত বসবাস কৰা জনসাধাৰণে বিভিন্ন সময়ত একাংশ দুষ্কৃতিকাৰীৰ দ্বাৰা ভাবুকিৰ সন্মুখীন হৈছে, এনে ধৰণৰ ভাবুকিৰ সন্মুখীন নহ'লহেঁতেন আৰু বিভিন্ন ধৰণৰ ডাঙৰ বা সৰু ঘটনা বা পৰিঘটনা সংঘটিত নহ'লহেঁতেন। আটাইতকৈ ডাঙৰ কথা হৈছে যে সীমান্তৰ সেই অঞ্চলবিলাকত আচলতে উন্নয়নৰ কাম-কাজ হৈ উঠা নাই। তাৰ প্ৰতি লক্ষ্য ৰাখি মেঘালয়ত যিখন সভা অনুষ্ঠিত হৈছিল তাত মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই উত্তৰ-পূৰ্বাঞ্চলৰ কেউখন ৰাজ্য, যাৰ লগত আমাৰ সীমা বিবাদ আছে, তেখেতসকলক প্ৰস্তাৱ দিছিল যে আমি আলাপ-আলোচনাৰ মাজেৰে বিষয়টো মীমাংসা কৰিব লাগে। তেখেতৰ বলিষ্ঠ পদক্ষেপ আৰু দূৰদৰ্শী চিন্তাৰ বাবে বৰ্তমান সময়ত এই সমস্যাটো সমাধানৰ ক্ষেত্ৰত অসম চৰকাৰ যথেষ্ট আগবঢ়ি যাবলৈ সক্ষম হৈছে। মাননীয় সদস্য হিতেন্দ্ৰ নাথ গোস্বামী ডাঙৰীয়াই কোৱাৰ দৰে মৰিয়নী বা অসম নাগালেণ্ড সীমান্তত এনেধৰণৰ ঘটনা খুব সঘনাই সংঘটিত হয়, বিশেষকৈ, সন্মানীয় বিধায়ক ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াৰ মৰিয়নী সমষ্টিত। মই দেখিছো যে তেখেতে সেই সময়ত যথেষ্ট দৃঢ়তাৰে কেতবোৰ পদক্ষেপো লয়। চুবুৰীয়া ৰাজ্যৰ ক্ষেত্ৰত চৰকাৰৰ যিখিনি কৰিবলগীয়া কাম বা যিখিনিলৈকে কৰিব পৰা যায় সেইখিনি কৰাত কেতিয়াও কৃপণালি কৰা নাই, সেইখিনি কৰি আছে। আটাইতকৈ ডাঙৰ কথা হৈছে যে অসম আৰু নাগালেণ্ড ৰাজ্যৰ ক্ষেত্ৰত সীমা সমস্যা নিষ্পত্তি কৰিবলৈ মহামান্য উচ্চতম ন্যায়ালয়ত original Suit No.2/1988 এই গোচৰটো

চলি আছে৷ অসমৰ সাক্ষীৰ সাক্ষ্যদান প্ৰক্ৰিয়া এতিয়া শেষ পৰ্যায়ত আছে আৰু ইয়াৰ পিছতে নাগালেণ্ডৰ সাক্ষ্যদান প্ৰক্ৰিয়া আৰম্ভ হ'ব। আমি ভাবোঁ যে নাগালেণ্ডৰ ক্ষেত্ৰত থকা সীমা বিবাদ ইয়াৰ পিছতেই নিশ্চয় দূৰ হ'ব। মাননীয় মুখ্যমন্ত্ৰীৰ লগত one to one talk, খুব deeply যদিও আলোচনা হোৱা নাই, কাৰণ বিষয়টো sub-judice হৈ আছে, কিন্তু মুখ্যমন্ত্ৰী পৰ্যায়ত একেবাৰে আলোচনা নোহোৱাকৈও থকা নাই। ইয়াৰোপৰিও মাননীয় অধ্যক্ষ মহোদয়, অসম মেঘালয়ৰ সীমা বিবাদ নিষ্পত্তিৰ ক্ষেত্ৰত আমি যথেষ্ট খিনি আগবাঢ়ি যাবলৈ সক্ষম হৈছো। ইতিমধ্যে বাৰটা এলেকাত প্ৰথম ছয়টা মীমাংসা কৰিবলৈ তিনিখনকৈ আঞ্চলিক সমিতি গঠন কৰি স্থানীয়ভাৱে সমিতিবোৰে যুটীয়া তদন্ত কৰি সীমা নিৰ্ধাৰণৰ ব্যৱস্থা হাতত লৈছে। দুয়োগৰাকী মাননীয় মুখ্যমন্ত্ৰীৰ আলোচনাত এটা সিদ্ধান্ত হৈছিল যে য'ত ৬ টা disputed point আছে, সেইকেইটাৰ ক্ষেত্ৰত পুনৰ Regional Committee গঠন কৰিব, সেইমতে আমাৰ চৰকাৰে বহুদিনৰ আগতেই Regional Committee গঠন কৰিলে। কিন্তু, মেঘালয়ত নিৰ্বাচনৰ বাবে সেই সমিতি গঠন কৰাত পলম হ'ল। তথাপি, আজি কিছুদিন আগত সমিতি গঠন হৈছে আৰু এই যুটীয়া সমিতিয়ে সীমান্ত অঞ্চলত পূৰ্বৰ দৰে ভ্ৰমণ কৰিব আৰু বিশেষভাৱে পূৰ্বতে যিবোৰ criteria আছিল, যেনে- ethnicity, mood of local people, administrative convenience এই দিশসমূহৰ ওপৰত গুৰুত্ব দি আলোচনা আগবঢ়াই নিব আৰু আমি আশা ৰাখিছো অসম-মেঘালয়ৰ ক্ষেত্ৰত যি দীৰ্ঘদিনীয়া বিবাদ আছিল, এইখিনিৰ নিশ্চিতভাৱে খুব সোনকালে অন্ত পৰিব। লগতে, মিজোৰামৰ ক্ষেত্ৰত আপোলালোকে জানে যে মিজোৰাম সীমাত এটা দুৰ্ভাগ্যজনক ঘটনা সংঘটিত হৈছিল য'ত আমাৰ কেইবাজনো পুলিচ বিষয়া নিহত হৈছিল আৰু গুলীবিদ্ধ হোৱা আমাৰ আৰক্ষী অধীক্ষকজন এতিয়াও সুস্থ হৈ উঠা নাই। গতিকে, মিজোৰামৰ ক্ষেত্ৰতো, তৎস্বত্বেও আমাৰ সদ্ ইচ্ছা, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ দৃঢ় পদক্ষেপৰ বাবে আমাক তালৈ প্ৰেৰণ কৰিছিল। মই আৰু সতীৰ্থ মন্ত্ৰী অশোক সিংহল ডাঙৰীয়া আৰু আমাৰ কমিশ্যনাৰ চেক্ৰেটাৰী তালৈ গৈ আলোচনা কৰিছিলো সেই ঘটনাৰ পাছত। তেওঁলোকে দুখ প্ৰকাশ কাৰিছিল যি ঘটনা লাইলাপুৰত সংঘটিত হ'ল। তাৰ পিছতে সেই আলোচনা continue হৈ আছে। মিজোৰামৰ গৃহ মন্ত্ৰী আৰু উচ্চ পদস্থ চৰকাৰী বিষয়া দল এটা গুৱাহাটীলৈ আহিছিল আৰু আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই মিজোৰামৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত কেইবাবাৰো আলোচনা কৰিছিল। অৰুণাচলৰ লগত আমাৰ বহুখিনি resolve হৈছে আৰু আমি আশা কৰিছো নিশ্চয় এই বছৰৰ ভিতৰতে চুবুৰীয়া ৰাজ্যসমূহৰ লগত থকা আমাৰ বিবাদ আমি নিস্পত্তি কৰিবলৈ সক্ষম হম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী, (যোৰহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা supplementary আছে। আমাৰ আত্মসন্মানৰ লগতো এইবিলাক কথা জড়িত হৈ থাকে। যদি কিবা ঘটনা ঘটে, মই কোৱা নাই যে চৰকাৰে immediate ব্যৱস্থা ল'ব লাগে, কাৰণ মই জানো যে আমি give and take বেছিকৈ কৰিব লাগিব। তেতিয়াহে সীমা সমস্যা সমাধান হ'ব। সীমা নিৰ্দ্ধাৰিণ নকৰাকৈ যেতিয়া ৰাজ্যবিলাক গঠন হৈছিল, অসমৰ পৰাই গৈছিল। গতিকে আমি অলপ বেছিকৈ এৰিব লাগিব। সেইটো মই বুজি পাওঁ। কিন্তু যেতিয়া তেওঁলোকে আহি উপদ্ৰৱ কৰে, মই সেই জেগাটো আৰু aggravate কৰিব নিবিচাৰো। কিন্তু মই এটাই উত্তৰ বিচাৰো যে অসমৰ এজন উচ্চ পদস্থ বিষয়াই হওঁক বা Chief Secretary, Home Secretary বা Additional Chief Secretary বা মন্ত্ৰীয়ে হওঁক, তেওঁলোকে এনেকুৱা ঘটনা ঘটিলে next day এটা

statement দিব লাগে, নহ'লে দুই তিনিদিন যদি তেনেকৈ থাকে তেতিয়াহ'লে ৰাইজৰ আমাৰ ওপৰত যিটো আস্থা, সেইটো কমি যাব পাৰে। এতিয়া হয়তো বহুতে ক'ব যে আমি অসমত নাথাকো ইফালেহে থাকিম। এনেকুৱা কোৱা মানুহ বহু ঠাইত আছে। গতিকে যেতিয়া এনেকুৱা এটা ঘটনা ঘটে, আমি immediate গৈ একচন নল'লেও উচ্চ পদস্থ বিষয়া এজনে যেতিয়া কয় যে আমি এইটো নজৰত ৰাখিছো that will give spirit to the people who are living in the border area.

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী অতুল বৰা, (কৃষিমন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, border issue বহুত sensitive. Border ত থকা মানুহ বিলাকৰ চিন্তাধাৰা অলপ বেলেগ ধৰণৰ হয়। মাননীয় মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহৰ দিনতে সৰু কথাতে বিস্ফোৰণ হৈছিল। Border issue কেতিয়াবা দুস্কৃতিকাৰীৰ প্ৰৰোচনাতো সংঘটিত হয়। গতিকে খুব সাৱধানে deal কৰাৰ কথাত আমি গুৰুত্ব দিছো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই সদায় আমাক alert হৈ থাকিবলৈ কয়। DGP য়ে হওক বা General Administration য়ে হওক বা আমাকে হওঁক, তেখেতে কৈ আহিছে যে সদায় সজাগ হওঁক যাতে situation টো আৰু অধিক aggravate নকৰে। আজি কিছুদিনৰ আগতে নাগালেণ্ডত যিটো ঘটনা সংঘটিত হৈছিল সেই সময়ত নাগালেণ্ডত election আছিল। তৎসত্বেও যোৰহাট জিলা প্ৰশাসন আৰু মোককচাং জিলা প্ৰশাসনে আলোচনা কৰি এই বিষয়টো নিস্পত্তি কৰিছিল।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। Question No.249, শ্ৰী দিগন্ত বৰ্মন, অনুপস্থিত। প্ৰশ্ন নং ২৫০, শ্ৰী শ্বেৰমান আলী আহমেদ।

**মাননীয় অধ্যক্ষ মহোদয়**

**শ্ৰী পিয়ুষ হাজৰিকা, (মন্ত্ৰী) ঃ** উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মোৰ question ৰ last part লৈ যাব বিচাৰিছো। মন্দিয়া, বৰদলনী আদি ঠাইত ভেলেঙী নদীৰ গৰাখহনীয়া যথেষ্ঠ প্ৰবল। মই মাননীয় মন্ত্ৰী মহোদয়ক জনাব খোজো যে এই ভেলেঙী নদীৰ কাষৰ অঞ্চলখিনি গোটেই sub urban area.Market, College, Mandia Bazar আদি আৰু মূল্যৱান মাটি। ইয়াত খুব বেছি গৰাখহনীয়া হৈ আছে। ইয়াত আপুনি SDRF ৰ কথা কৈছে, কিন্তু ইয়াৰ ওপৰত আমাৰ খুব বেছি ভৰসা নাই। ইয়াৰ আগৰ বছৰত আপুনি কৈছিলে ১০ কোটি submit কৰিছে কিন্তু হোৱা নাই এই ১৫ তাৰিখে। গতিকে এতিয়া আপুনি যিটো দিছে, সেইটোৰ ওপৰতো বেছি ভৰসা নাই। সেয়েহে মই আপোনাক জনাম যে ভেলেঙী আৰু জলজলীত খুব গৰাখহনীয়া চলি আছে। যোৱা দুটা বছৰ আপুনি মন্ত্ৰী হোৱাৰ পাছত আৰু মই বিধায়ক হোৱাৰ পাছত কোনো বিশেষ পুঁজি দিয়াও নাই। ভেলেঙী আৰু জলজলীৰ কাৰণে বিভাগে এতিয়া এটা প্ৰস্তাৱ পঠাইছে। গতিকে এই দুটাৰ কাৰণে ফাণ্ড দিবলৈ মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

**শ্ৰী পিয়ুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ভেলেঙী আৰু জলজলীৰ ১ কিঃ মিঃ অঞ্চলত গৰাখহনীয়া থকাটো সত্য। এটা কথা মই সদনত বহুতবাৰ কৈছো যে মে' মাহৰ পৰা নবেম্বৰ মাহলৈকে আমি temporary কাম কৰিম। এই সময়ত আমি full protection কাম কৰিব নোৱাৰো, কাৰণ এই সময়ত তেনেকুৱা কাম কৰিলে পানীয়ে উটাই লৈ যাব। গতিকে আপোনাৰ তাত মেইন কামটো ডিচেম্বৰৰ পাছত কৰিম। আজি মই সদনত আপোনাক এই কথা দিলো। আপোনাৰ সমষ্টিত ভেলেঙী আৰু জলজলীৰ ১ কিঃ মিঃ অঞ্চলত যি গৰাখহনীয়া আছে,

সেইখিনি আমি অতি সোনকালে sanction দিবলৈ চেষ্টা কৰিম। কিন্তু in the mean time আমি temporary কাম কৰিবলৈ immediately ব্যৱস্থা ল'ম।

**শ্ৰী শ্বেৰমান আলী আহমেদ, (বাঘবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ক মই তেখেতৰ সহৃদয়তাৰ বাবে ধন্যবাদ জনাইছো। কিন্তু এটা কথা উনুকিয়াই দিব খুজিছো যে ভেলেঙীৰ গৰাখহনীয়াটো ১ কিঃমিঃ নহয়, প্ৰায় ৬ কিঃ মিঃ মান আছে আৰু জলজলীৰ গৰাখহনীয়া প্ৰায় ১০ কিঃ মিঃ মান আছে। আপুনি ডিচেম্বৰত কাম কৰাৰ যিটো কথা কৈছে সেইটো feasible.কিন্তু আমাৰ আঁচনিবিলাক tender কৰা sanction দিয়া বহুত সময়ৰ দৰকাৰ। গতিকে এইখিনি যদি এই বাৰিষা কালত ঠিক কৰি থোৱা হয় তেতিয়াহে নবেম্বৰ ডিচেম্বৰত কামখিনি কৰিব পৰা যাব। সেয়েহে আপোনাক এই কামখিনি বাৰিষাৰ আগতে শেষ কৰাৰ বাবে অনুৰোধ জনাইছো।

**শ্ৰী পিয়ুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সেইটোৱে কৈ আছো যে permanent কামখিনি আমি ডিচেম্বৰত আৰম্ভ কৰিম আৰু বাকী কামখিনি আমি within December ত শেষ কৰিম আৰু tender কৰা sanction দিয়া কাম শেষ কৰিম। মই আকৌ কৈছো যে erosion বহুত ঠাইত থাকে কিন্তু I'm speaking about active erosion.Active Eroded area হ'ল ১ কিঃ মিঃ বিভাগৰ মতে। তথাপিও যদি আপোনাৰ কথাৰ লগত আমাৰ বিভাগৰ কথাৰ মিল নাই মই নিশ্চয় আপোনাৰ লগত আলোচনা কৰি লম। অধ্যক্ষ মহোদয়, সদনৰ ভিতৰত মোবাইল ব্যৱহাৰ কৰি আছে।

**মাননীয় অধ্যক্ষ ঃ** সদনৰ ভিতৰত মোবাইল ব্যৱহাৰ কৰিব নালাগে। যদি বিধায়ক হয়, সদনৰ ভিতৰত attention থাকিব লাগে, মোবাইলত নহয়। মই কৈ দিছো আজিৰ পৰা আপুনি মোবাইল লৈ আহিব নালাগে সদনৰ ভিতৰত। সদনৰ মৰ্য্যাদা ৰক্ষা কৰা সকলোৰে কৰ্তব্য।

**শ্ৰী পিয়ুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, গতিকে মই আকৌ কৈছো আপুনি বৰপেটা ইঞ্জিনিয়াৰৰ লগত আলোচনা কৰিব। ইতিমধ্যে মই তেখেতক কৈ দিছো। যদি তেওঁ কোৱাৰ ওপৰত আৰু অলপ কিবা কৰিব লাগে, মই নিশ্চয় চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী ৰফিকুল ইছলাম।

**ড° ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰী শ্বেৰমান আলী ডাঙৰীয়াৰ যিটো প্ৰশ্ন এই ক্ষেত্ৰত মই মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দিছো, এইটো কাম আৰম্ভ হৈছে মথনগুৰিৰ পৰা জনীয়া সমষ্টি হৈ ১০০ কোটিৰ কাম চলি আছে। জনীয়া সমষ্টিৰ ৬ টা spot ৰ এটাৰ কামহে চলি আছে। বাকীকেইটাও যাতে সোনকালে হয়। এই survey বিলাক ১০ বছৰ আগতে World Bank য়ে কৰিছিল। তেতিয়া যিবিলাক spot লৈছিল, এতিয়া আৰু বহুত ঠাইত erosion হৈছে। গতিকে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে World Bank ৰ team পঠাই এতিয়া যিবিলাক ঠাইত নতুনকৈ erosion হৈছে সেই ঠাইসমূহ survey কৰি যাতে include কৰি লোৱা হয় আৰু ভেলেঙী নদীৰ কাৰণে যাতে কাম কৰা হয়।

**শ্ৰী পিয়ুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, Land Aquisition ৰ issue ৰ কাৰণে কাম কৰাত কিছু অসুবিধা হৈছে। য'ত Land Aquisition ৰ issue নাই তাত পূৰ্ণগতিত কাম চলি আছে। আমি Land Aquisition সমস্যাখিনিও অতি সোনকালে সমাধান কৰিবলৈ চেষ্টা কৰি আছো। অতি সোনকালে সেইখিনও হ'ব। তেখেতৰ সমষ্টিলৈ মই অতি সোনকালে যাম। লগতে শ্বেৰমান আলী ডাঙৰীয়াই যিটো প্ৰশ্ন আনিছিলে সেইটো second phase ত আছে আৰু second phase ৰ কাম অহা বছৰ আৰম্ভ হ'ব। আৰু যদি কিবা কাম

কৰিবলগীয়া আছে আমি temporary কাম কৰিম। অধ্যক্ষ ডাঙৰীয়া, আমি flood deal ৰ টকা ৫০ লাখৰ পৰা ১ কোটি টকালৈ প্ৰত্যেক জিলালৈ পঠাম। গতিকে আপোনালোকে অকণমান খা-খৰৰ ল'ব। য'ত বেছি বানপানী হয় তাত ১ কোটি আৰু য'ত কম বানপানী হয় তাত ৫০ লাখ। শিৱসাগৰত কম বানপানী হয়, তথাপিও ৫০ লাখ পাব।

**মাননীয় অধ্যক্ষ ঃ** কোৰেশ্বন আৱাৰ অভাৱ । এতিয়া জিৰো আৱাৰ । শ্ৰীমতী শিবামনি বৰা ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (কৰিমগঞ্জ উত্তৰ) ঃ** ছাৰ , যোৱাকালি আমাৰ লিডাৰে এটা জিৰো আৱাৰ দিছিল। আমি গোটেইকেইজনে মিলি দিছিলো । কিন্তু আমাক দিয়া নাই । আমি বিচাৰিছিলো।

**মাননীয় অধ্যক্ষ ঃ** নহয় আপুনি বহক। বিচৰাটোতো সকলোৱে বিচাৰে । আঠ খন মান আছে জিৰো আৱাৰ নোটিছ। এতিয়া শিবামনি বৰাই কওক।

**শ্ৰীমতী শিবামণি বৰা,( বটদ্ৰৱা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা দুই এপ্ৰিল তাৰিখে অসমীয়া প্ৰতিদিন বাতৰি কাকতত প্ৰকাশ পোৱা 'এনিমিয়াত আক্ৰান্ত মহিলা ২০ শতাংশ বৃদ্ধি' দেশৰ শোচনীয় ৩ ৰাজ্যৰ মাজত অসম' শীৰ্ষক বাতৰিটোৰ প্ৰতি স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো । কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ৰ প্ৰতিবেদনত প্ৰকাশ পাইছে যে অতি উদ্বেগজনক ভাবে অসমত বৃদ্ধি পাইছে এনিমিয়া তথা ৰক্তহীনতাত আক্ৰান্ত মহিলাৰ সংখ্যা । পাঁচ বছৰৰ ব্যৱধানত ৰাজ্যত বৃদ্ধি পাইছে বিশ শতাংশ এনিমিয়াত আক্ৰান্তৰ সংখ্যা । স্বাস্থ্য মন্ত্ৰালয়ৰ তথ্য অনুসৰি ২০১৫-১৬ বৰ্ষত অসমত ৰক্তহীনতাত ভোগা মহিলাৰ সংখ্যা আছিল ৪৬ শতাংশ । কিন্তু ২০২০-২১ বৰ্ষত এই সংখ্যা বৃদ্ধি পাইছে ৬৬ শতাংশলৈ অৰ্থাৎ মাত্ৰ পাঁচ বছৰৰ ব্যৱধানত আমাৰ ৰাজ্যখনত বিশ শতাংশ ৰক্তহীনতাত আক্ৰান্ত মহিলাৰ সংখ্যা বৃদ্ধি পালে । আমাৰ ৰাজ্যখনৰ ৬৬ শতাংশ মহিলা ৰক্তহীনতাত আক্ৰান্ত । ইয়াৰ ফলত হ'ব পৰা দীৰ্ঘদিনীয়া প্ৰভাৱৰ প্ৰতি চৰকাৰ সজাগ নহয় নেকি ? যিধৰনে কাৰ্য্যকৰী ব্যৱস্থা ল'ব লাগিছিল তাৰ পৰিৱৰ্তে সম্পূৰ্ণ উদাসীনতাহে দেখিবলৈ পোৱা গৈছে । স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগে মহিলাৰ ৰক্তহীনতাটো দূৰ কৰাৰ কাৰণে নেশ্যনেল আইৰণ প্লাছ ইনিচিয়েটিভ আদি বিভিন্ন আঁচনিৰ অধীনত ব্যাপক আইৰণ চাপ্লিমেন্ট বিতৰণ কৰা দেখুৱাই আছে । ইয়াৰ ওপৰিও মহিলা আৰু শিশু কল্যাণ বিভাগেও চাপ্লিমেন্টৰি নিউট্ৰিশ্যন প্ৰগ্ৰেম, ৱৰ্ল্ড ফুড প্ৰগ্ৰেম , স্কীম ফৰ এদ'লেচেন্স গাৰ্ল আদি আঁচনি ৰূপায়ণ কৰি আছে । ৰাজ্যখনত মহিলাৰ ৰক্তহীনতা দূৰ কৰাৰ কাৰণে এই দুয়োটা বিভাগে ব্যাপক হাৰত ৰাজহুৱা ধন ব্যয় কৰাৰ পিছতো বিশ শতাংশ বৃদ্ধি হৈছে আৰু ইয়াৰ দায়িত্বত থকাসকলৰ ৰেচপনছিবিলিটি ফিক্সড কৰা হ'বনে? অধ্যক্ষ মহোদয়, ভৱিষ্যতৰ মাতৃ , সন্তান সম্ভৱা মাতৃ, আৰু প্ৰসূতি মাতৃৰ ৰক্তহীনতাত ভুগি থকাটো সন্তান আৰু মাতৃৰ বাবে কিমান বিপদজনক ।

**Sri Sherman Ali Ahmed, Baghbor -** What was the problem Hon'ble Deputy Speaker Sir, there was a complaint raised by Congress , senior Member Bharat Narah- what was the problem? I would like to know.

**Hon'ble Deputy Speaker -** Hon'ble MLA, Sherman Ali Ahmed, when house is on, you can't show your back towards the Chair. When you are talking, your back was towards the Chair. You can't do that.

**Sri Sherman Ali Ahmed, Baghbor** - Sir, I respect your Ruling but complained form that side was irrelevant.

(protest form Congress)

---- uprroar---

**Hon'ble Deputy Speaker** - please sit down...... keep silence ..... শিবামণি বৰাই কওক ।

**শ্ৰীমতী শিবামণি বৰা, (বটদ্ৰৱা)ঃ** উপাধ্যক্ষ মহোদয়, চিকিৎসাৰ নামত কেৱল বিল্ডিং বনালে জনস্বাস্থ্যৰ উন্নতি নহয় । কেৱল বীনটোহে বজাব পাৰিব। কাৰণ আজি স্বাস্থ্যখণ্ডত যথেষ্ট পুঁজি খৰছ কৰি জয়গান গাই থকা ৰাজ্যখনৰ ৬৬ শতাংশ মহিলাই ৰক্তহীনতাত ভুগি আছে । ২০১৫-১৬ চনৰ ৩৬ শতাংশৰ পৰা এনিমিয়াত ভোগা মহিলাৰ সংখ্যা ২০২০- ২১ চনত ৬৬ শতাংশলৈ বৃদ্ধি হ'ল । এই পাঁচটা বছৰত অসমত স্বাস্থ্য খণ্ডত কিমান খৰছ হ'ল এবাৰ হিচাপ কৰি চাবলৈ মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো। সুস্থ, শাৰীৰিক আৰ মানসিকভাৱে সবল শিশু এখন ৰাজ্য আৰু দেশৰ ভৱিষ্যত, গতিকে স্বাস্থ্য আৰু কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ৰ ওচৰত এই গুৰুত্বপূৰ্ণ বিষয়টোৰ বাখ্যাৰ বাবে দাবী জনালো ধন্যবাদ ।

**মাননীয় উপাধ্যক্ষ ঃ** স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা) ঃ** সন্মানীয় উপাধ্যক্ষ মহোদয়, সন্মানীয়া শিবামণি বৰা ডাঙৰীয়ানীয়ে আজি সদনত শূন্যকালীন ঘন্টাত এটা অতি গুৰুত্বপূৰ্ণ বিষয় উপস্থাপন কৰিছে। ৰক্তহীনতানো কি ? সেইটো হৈছে শৰীৰৰত থাকিব লগা তেজৰ পৰিমানতকৈ ক'ম থকা হিম'গ্ল'বিন আৰু ৰঙা ৰক্তকোষৰ পৰিমান দহ মিলিগ্ৰাম ডি এলতকৈ কম থকা । ৰক্তহীনতা তেজৰ পৰিমান কিমান থাকিলে হয়। প্ৰাপ্ত বয়স্ক পুৰুষৰ ১৩ মিলিগ্ৰাম ডি এলতচক কম থকা, প্ৰাপ্তবয়স্ক নাৰীৰ ১২ মিলিগ্ৰামতকৈ কম থকা, প্ৰাপ্তবয়স্ক গৰ্ভৱতী নাৰীৰ ১১ মিলিগ্ৰামতকৈ কম থকা , শিশুৰ ছয় মাহলৈ ১১ মিলিগ্ৰাম, আৰু ছয় মাহৰ পৰা চৈধ্য বছৰ বয়সলৈ ১২ মিলিগ্ৰামতকৈ কম থকা এই খিনি হ'ল ৰক্তহীনতাত ভোগা ব্যক্তি, কাৰণটো হৈছে ফলিক এচিডৰ অভাৱ, ভিটামিন বি -১২ ৰ অভাৱ, আইৰনৰ অভাৱ আৰু কিছুমান ৰোগৰ ফলত ৰক্তকোষৰ হেমেলাইটিক এমেনাইটিছৰ ক্ষতি কৰে। বাৰে বাৰে সংক্ৰমিত হোৱা মেলেৰিয়া আদি ৰোগৰ বাবেও হয় । কিছুমান মজ্জাৰ ৰোগ আৰু আঘাতপ্ৰাপ্ত হৈ আন আন কিছুমান ৰোগত তেজ কমি যোৱা, প্ৰয়োজনীয় খাদ্য নোপোৱাৰ ফলত অপুষ্টি হোৱা, গৰ্ভৱতী হোৱাৰ সময়ত পৰ্য্যাপ্ত আহাৰ নোখোৱা, মহিলাৰ ঋতুশ্ৰাৱৰ সময়ত বেছি ৰক্তক্ষৰণ হোৱা , এই কেইটাই হৈছে ৰক্তহীনতাৰ কাৰণ। এনিমিয়া হোৱা মানুহৰ লক্ষণ কেইটা হ'ল অলপতে ভাগৰ লগা , বুকুৰ বিষ হোৱা , উশাহ চুটি হোৱা , গাল উখহি উঠা আৰু গাৰ ছাল সেঁতা পৰা। উপাধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে এই এনিমিয়া নোহোৱা কৰাৰ কাৰণে যথেষ্ট কাম কৰিছোঁ। আপোনালোকে দেখিছে আমাৰ চৰকাৰখনে জন্মৰ ক্ষেত্ৰত প্ৰসুতি সকলৰ খোৱাবোৱাৰ কাৰণে যথেষ্ট ব্যৱস্থা হাতত লৈছে আৰু আমাৰ চৰকাৰে MMR, IMR নাইকিয়া কৰিবলৈ বা কমাবলৈ বহুত পদক্ষেপ লৈছে। মই যেতিয়া স্বাস্থ্যবিভাগত ৰাজ্যিক মন্ত্ৰী আছিলো মই নিজেই বহু জিলাৰ বহু ঠাইত MMR, IMR ৰ কাৰণে নিজেই পৰিভ্ৰমণ কৰিছিলোঁ তেতিয়া সেই কথাবতৰা বিলাক চোৱাৰ মোৰ experience আছে। এটা কথা সমাজত আমাৰ আৰু এটা সমস্যা আছে খুব সৰুতে বিয়া হোৱাতো আমি কিছু কিছুৰে সমৰ্থন কৰো তাৰ ফলতো মহিলা গৰাকীৰ growth নহয় আৰু মহিলা গৰাকীয়ে সন্তান জন্ম দিয়াৰ সময়ত অসুবিধাৰ সৃষ্টি হয় আৰু মানুহজনীৰ anemia বা বহু ক্ষেত্ৰত MMR, IMR ৰ কাৰণেও সেইটো হয়, গতিকে মই সদনক অনুৰোধ

কৰিম যে আমি যেতিয়া চৰকাৰে বাল্যবিবাহ ৰোধৰ বাবে strict action লওঁ তেতিয়া সকলোৱে আমাক সহায় কৰিব লাগে। যাতে আমি বাল্যবিবাহ ৰোধ কৰিব পাৰো, anemia, MMR, IMR হওঁক এই কথাবতৰা বিলাক যাতে আমি নাইকীয়া কৰিব পাৰো। যিকি নহওঁক, আমাৰ চৰকাৰে কি কি এই ক্ষেত্ৰত ব্যৱস্থা লৈছে সেই খিনি কথা মই আমাৰ এই পবিত্ৰ বিধান সভাত উল্লেখ কৰিব খুজিছোঁ। যদিও anemia মুক্ত ভাৰত তথা Iron folic Acid tablet প্ৰদান কাৰ্য্যসূচী স্বাস্থ্য বিভাগে দিয়ে কিন্তু এই কাৰ্য্যসূচী সাফল্যতা লাভ কৰিবলৈ হলে সমাজ কল্যাণৰ শিক্ষাই এক সক্ৰিয় ভূমিকা গ্ৰহণ কৰাতো প্ৰয়োজনীয়। সেই কাৰণে সমাজ কল্যাণ বিভাগে পোষণ মাহ কৰিছে মাতৃ সকলক খোৱাৰ ব্যৱস্থা কৰি এনেদৰে কাম কৰিছে। ইয়াৰ বাবে একত্ৰিতভাৱে তিনিটা বিভাগে আমি কাম কৰি আছো। কেৱল চৰকাৰে নহয়, জনপ্ৰতিনিধি NGO আৰু আমাৰ সকলোৱে শক্তিশালী ভূমিকা আমি বিচাৰোঁ। আমাৰ উপস্বাস্থ্যৰ পৰা জিলা চিকিৎসালয়লৈকে সকলো স্তৰতে বিভিন্ন ধৰণৰ ৰক্তহীনতা thalassemia, sickle cell anemia, HbE trait thalassemia, intermediary চিনাক্তকৰণৰ কাৰণে স্বাস্থ্য পৰীক্ষা চলাই থকা হৈছে। ইতিমধ্যে ৰাজ্যৰ স্বাস্থ্যসেৱা অভিযান বিশেষ স্বাস্থ্যসেৱা শিবিৰৰ জৰিয়তে ৰক্তহীনতা পৰীক্ষাত বিশেষ গুৰুত্ব প্ৰদান কৰি সকলো শ্ৰেণীৰ লোকৰ মাজত নিয়মীয়া ৰক্তহীনতা পৰীক্ষা নিৰীক্ষণ পুনৰীক্ষণ কৰা হৈছে। বৰ্তমানলৈকে স্বাস্থ্য সেৱা অভিযানত অংশগ্ৰহণ কৰা ১ কোটি ৪৫ লাখ ৰোগীৰ মাজত ১৫৭৭৩ গৰাকী, মানে 10.81% ৰক্তহীনতা আৰু ২৫২ 0.17 গুৰুতৰভাৱে ৰক্তহীনতাত আক্ৰান্ত বুলি চিনাক্ত কৰা হৈছে। ভিতৰুৱা পিছপৰা অঞ্চল সমূহত Mobile Medical Unit (MMU) সঞ্জিৱনী গাওঁ স্বাস্থ্য প্ৰচাৰ কাৰ্য্যসূচীৰ জৰিয়তে নিয়মীয়া ৰক্তহীনতাৰ পৰীক্ষা নিৰীক্ষণ আৰু পুনৰীক্ষণ কৰি থকা হৈছে। খণ্ড চিকিৎসা বিষয়া আৰু সামুহিক স্বাস্থ্য বিষয়া CHO সকলৰ দ্বাৰা পৰীক্ষা নিয়মীয়াকৈ কৰা হৈছে। প্ৰতিমাহৰ ৯ তাৰিখে অনুষ্ঠিত হোৱা প্ৰধানমন্ত্ৰী সুৰক্ষা মাতৃত্ব অভিযানৰ অধীনত ইতিমধ্যে ৰাজ্যৰ সকলো স্থানতে ৰক্তহীনতাৰ ওপৰত বিশেষ গুৰুত্ব দি গৰ্ভৱতী মহিলা সকলৰ স্বাস্থ্য পৰীক্ষা কৰা হয়। মাতৃৰ পৰা সংক্ৰমিত হৈ pneumonia হোৱা এনিমিয়া ৰোগ ৰোধ কৰিবলৈ বছৰত দুবাৰকৈ ৰাষ্ট্ৰীয় কৃমিনাশক দ্ৰব্য দিৱস পালন কৰা হয়। এই কাৰ্য্যসূচীত ১ বছৰৰ পৰা ১৯ বছৰৰ শিশু ২০ ৰ পৰা ২৪ বছৰৰ মহিলা, গৰ্ভৱতী নোহোৱা আৰু স্তনপান নকৰোৱা আৰু গৰ্ভৱতী মহিলাক সামৰি লোৱা হয়। 15th Finance Commission Health Grant আৰু PM-ABHIM ৰ অধীনৰ পুঁজিৰে উপস্বাস্থ্যকেন্দ্ৰ আৰু আন সকলো প্ৰাথমিক পৰ্য্যায়ৰ স্বাস্থ্য পৰিচালনা digital hemoglobin meter ৰ ব্যৱস্থা কৰা হৈছে। Iron folic acid পৰিপূৰক আৰু সাপ্তাহিক iron আৰু folic acid পৰিপূৰক কাৰ্য্যসূচীৰ অধীনত ৰক্তহীনতা হ্ৰাস কৰিবলৈ সকলো শ্ৰেণীৰ ব্যক্তিকে আইৰণ ফলিক এচিড পৰিপূৰক প্ৰদান কৰা হৈ আছে। Anemia মুক্ত ভাৰত কাৰ্য্যসূচীৰ অধীনত কেন্দ্ৰীয় চৰকাৰে Test,Treat and Talk (T3) এনেদৰে বিভিন্ন স্থানত Adolescence Girl Day পালন কৰি ছোৱালীৰ ৰক্তহীনতা চিনাক্ত কৰিবলৈ পৰীক্ষাৰ ব্যৱস্থা কৰি ৰখা হৈছে। খাদ্যসুৰক্ষা আয়ুক্তৰ জৰিয়তে জিলাসমূহক স্থানীয় ভাৱে উপলব্ধ খাদ্যৰ লগতে millet আৰু বিভিন্ন খাদ্য শক্তিশালী কৰণৰ দ্বাৰা ৰক্তহীনতা হ্ৰাস কৰাৰ কাৰণে ব্যৱস্থা কৰা হৈছে। অসম চৰকাৰে মহিলা আৰু শিশু বিভাগৰ জৰিয়তে কাৰ্য্যকৰী কৰি থকা বিভিন্ন আঁচনিৰ যোগেদি মহিলা সকলৰ ৰক্তহীনতাৰ কাৰণে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰি থকা হৈছে। আৰু এই পদক্ষেপ সমূহ হ'ল পোষণ অভিযান আঁচনিৰ জৰিয়তে ৰক্তহীনতা দূৰীকৰণৰ উদ্দেশ্যে বিভিন্ন সজাগতামূলক কাৰ্য্যসূচী যেনে পোষণ মাহ পালন, পোষণ পোষৰাৰা আদি উদ্যাপন কৰা হৈছে। ইয়াৰোপৰি

প্ৰাথমিক পৰ্য্যায়ত অসমৰ ওডালগুৰি আৰু মৰিগাওঁ জিলাত স্বাস্থ্যবিভাগৰ সহযোগত ক্ষেত্ৰপৰ্য্যায়ৰ কৰ্মকৰ্তা সকলক ৰক্তহীনতাত ভোগা মহিলা চিনাক্তকৰণ ব্যৱস্থাপনা আৰু খাদ্য প্ৰণালীৰ সন্দৰ্ভত প্ৰশিক্ষণৰ ব্যৱস্থা কৰা হৈছে। আৰু পৰৱৰ্তী পৰ্য্যায়ত অসমৰ আন আন জিলা সমূহকো সামৰি লোৱা হ'ব। পৰিপূৰক পুষ্টি আঁচনিৰ যোগেদি গৰ্ভৱতী মহিলা আৰু প্ৰসূতি মাতৃ সকলক micronutrient Fortifid energy dense খাদ্য যোগান ধৰা হৈছে, য'ত এনিমিয়া মুক্ত কৰিবৰ বাবে চাইলড iron folic acid আৰু vitamin B12 ৰ সংমিশ্ৰণ কৰা হৈছে। উপাধ্যক্ষ ডাঙৰীয়া, বেটি বচাও বেটি পঢ়াও আঁচনিৰ জৰিয়তে অসমৰ বিভিন্ন জিলাত মাতৃকিশোৰীৰ মেলা অনুস্থিত কৰি শিক্ষা আৰু স্বাস্থ্য বিভাগৰ সহযোগত ৰক্তহীনতাত ভোগা মহিলা আৰু কিশোৰী সকলক চিনাক্ত কৰণ কৰি তেওঁলোকৰ স্বাস্থ্য সম্পৰ্কীয় পৰামৰ্শ প্ৰদান কৰি থকা হৈছে। কিশোৰীৰ বাবে আঁচনিৰ জৰিয়তে ১৪ ৰ পৰা ১৮ বয়সৰ কিশোৰী সকলক অংগনবাড়ী কেন্দ্ৰৰ জৰিয়তে স্বাস্থ্য বিভাগৰ সহযোগত এক সপ্তাহত এটাকৈ আইৰণযুক্ত বড়ি খোৱাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ উপৰিও আপোনালোক সকলোৰে অৱগত। আমাৰ বাগানৰ মহিলা সকলক যি সকল গৰ্ভৱতী হয় তেখেত সকলক আমাৰ চৰকাৰৰ তৰফৰ পৰা ১২ হাজাৰ টকাকৈ দিয়াৰ ব্যৱস্থা কৰা হৈ আছে। আৰু অহা মাহৰ পৰা বা দুমাহৰ পৰা এই ধনৰ পৰিমাণ ১৫ হাজাৰলৈকে বৃদ্ধি কৰা হৈছে। গতিকে আমাৰ চৰকাৰ এই ক্ষেত্ৰত অত্যন্ত দায়িত্বশীল।

**শ্ৰীমতী নন্দিতা দাস, (বকো) ঃ** ছাৰ, এইটো চৰ অঞ্চলতো ল'ব লাগে। মই অনুৰোধ কৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি নিজে মন্ত্ৰীক লগ কৰি ল'ব, please sit down.

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** পৰ্য্যায়ক্ৰমে লোৱা হ'ব। মই অস্বীকাৰ নকৰো চৰ অঞ্চলত সমস্যা আছে। সমস্যা সমাধান কৰিবলৈ গলে আকৌ আপোনালোকে কেতিয়াবা কেতিয়াবা বেয়া পায়। যেনে আমি বাল্যবিবাহ বন্ধ কৰিবলৈ যাওঁতে আপোনালোকে বেয়া পাই গ'ল।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** আমি ক'ত ক'লো বেয়া পোৱা বুলি ?

**মাননীয় উপাধ্যক্ষ ঃ** Please.

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ গতিকে ঠিক আছে নকওঁ দিয়ক।** গতিকে আমি ব্যৱস্থা লৈ আছো ভৱিষ্যতেও এইটোত seriously ব্যৱস্থা লোৱা হ'ব।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। আমাৰ ৰুলিং হওঁক শাসক পক্ষৰে হওঁক বিধায়ক সকলে এটা বস্তু awareness টো, আমাৰ যিটো antenatal checkup তিনিটা trimester ত হয় সেইটো purely সকলোৰে আমি গোটেই মিটিঙত কব লাগে। আৰু তাতে iron folic acid যিটো first trimester, second trimester, tikakaran এই তিনিটা বস্তু আমি এৱাৰ্নেছটো বঢ়াব লাগে আৰু plus 100% hospital delivery, home delivery 0% কৰিব লাগে তেতিয়া maternal and infant mortality বহুতখিনি কমি আহিব। এতিয়া মাননীয় সদস্য পৰমানন্দ ৰাজবংশী।

**ড° পৰমানন্দ ৰাজবংশী, (ছিপাঝাৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ২ এপ্ৰিল তাৰিখে নিয়মীয়া বাৰ্তাত প্ৰকাশিত ৰাজহ ফাকি চূড়ান্ত অনিয়মৰে ছিপাঝাৰত চলিছে ইটাভাটা শীৰ্ষক বাতৰিটোৰ সন্দৰ্ভত আপোনাৰ জৰিয়তে মই মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰাৰ সৈতে যথা বিহিত ব্যৱস্থা লোৱাৰ বাবে অনুৰোধ জনালোঁ। উপাধ্যক্ষ মহোদয়, এয়া অকল ছিপাঝাৰ সমষ্টিৰে নহয় অসমৰ সৰহভাগ ইটাভাটাৰ ক্ষেত্ৰতো এই স্পৰ্শকাতৰ বিষয়টো এক বিশেষ গুৰুত্ব আছে। অসমৰ বিভিন্ন জিলাত জধে মধে গঢ় লৈ উঠা ইটাভাটা মাননীয় উপাধ্যক্ষ মহোদয়, শিশু শ্ৰমিক,

বাল্য বিবাহ, অবৈধ শ্ৰমিকৰ প্ৰব্ৰজন, শিক্ষাৰ অভাৱ আদি উল্লেখযোগ্য অঞ্চলসমূহৰ আন্তঃগাঁথনি উন্নয়ন, পৰিবেশৰ ওপৰত পৰা ক্ষতি সমূহৰ পৰা জনসাধৰণৰ স্বাস্থ্য সম্বন্ধীয় সমস্যা অকল ছিপাঝাৰ সমষ্টি বুলিয়েই নহয় সমগ্ৰ অসমক এই ,সমস্যাই ক্ষতি কৰিব ধৰিছে। অসমৰ অঞ্চল বিশেষ কৃত্ৰিম বানৰ সৃষ্টি কৰাত ইটাভাটা সমূহে অভাৱনীয় জটিল নেতিবাচক পৰিবেশৰ সৃষ্টি কৰিছে। ছিপাঝাৰ সমষ্টিৰ ছিপাঝাৰ ৰাজহ চক্ৰ এলেকাত ৪৯ টা ইটাভাটা আছে। একেদৰে পথৰুঘাট ৰাজহ চক্ৰটোত ১৩ টা ইটাভাটা আছে। এই ইটাভাটাসমূহৰ অধিকাংশই অবৈধভাবে নিৰ্মাণ কৰা বুলি ৰাইজে আমাক অভিযোগ দিছে। এইবেলি এই ইটাভাটাৰ কাম পৰ্য্যালোচনা কৰিবলৈ আৰু ছিপাঝাৰ সমষ্টিৰ এই উদ্যোগক নিয়মীয়া অনুজ্ঞাপত্ৰৰে শক্তিশালী কৰিবলৈ আমি আন্তৰিক প্ৰচেষ্টা গ্ৰহণ কৰিছিলো। সেইমৰ্মে ৰাজহ চক্ৰ বিষয়াৰ জৰিয়তে দুইবাৰকৈ অনুজ্ঞাপত্ৰ থকা আটাইবোৰ ইটাভাটাৰ মালিকক মাতিছিলো, তাৰ ভিতৰত ৭/৮ গৰাকীয়ে আমাৰ এই প্ৰচেষ্টাৰ প্ৰতি সঁহাৰি দিলে, বাকীসকলে নকৰিলে। যোৱাবেলি বানপানীৰ পৰিদৰ্শন কালত আমি মন কৰিলো যে দিপীলা আৰু বুঢ়াগাঁও পঞ্চায়ত এলেকাত ইটাভাটা সমূহে বানপানীৰ স্বছন্দ গতিত বাধাৰ সৃষ্টি কৰিছে যাৰ ফলত পানী স্বতন্ত্ৰ হৈ ওলাই যাব নোৱাৰে বাবে সেই পানীয়ে এই অঞ্চলৰ গঞা ৰাইজৰ প্ৰভূত ক্ষতি কৰিছে। একেদৰে এই পানীয়ে বুঢ়া, লোক্ৰাই, দুমনীচকী গাঁও পঞ্চায়তৰ এলেকাৰ পৰা বৈ আহি গণেশকুঁৱৰী, বাজনাপথাৰ, কৰুৱা গাঁও পঞ্চায়তত অবৈধ যধে-মধে স্থাপন কৰা ইটাভাটা সমূহৰ বাবে সেই অঞ্চলৰ ৰাইজে জীয়াতু ভুগিবলগীয়া হৈছে। এই ইটাভাটা সমূহত কাম কৰা বহুত শ্ৰমিক ধুবুৰী, গোৱালপাৰা অঞ্চলৰ পৰা কাম কৰিবলৈ আহে ইয়াৰ ভিতৰত ভালেসংখ্যক শিশু। অধিকাংশই আধাতে বিদ্যালয় বাদ দি ইয়াত কাম কৰিবলৈ আহে আৰু চাৰি/ছয়মাহ কাম কৰি আকৌ নিজৰ ঠাইলৈ গুচি যায়। এই শিশু শ্ৰমিক সকলৰ একাংশ নিয়মীয়া ছাত্ৰ হিচাপেও পৰিগণিত। এই শ্ৰমিক সমূহৰ আমদানি-ৰপ্তানি চাবলৈ কোনো চৰকাৰী বিষয়া-কৰ্মচাৰী সেই অঞ্চললৈ যোৱাৰ খা-খৱৰ আমি পোৱা নাই। বাল্য বিবাহৰ এক অন্যতম কাৰণ হিচাবে পৰিগণিত এই ইটাভাটাসমূহ। এই অবৈধ ইটাভাটাসমূহ বৈধ কৰিবৰ বাবে আমি আন্তৰিকতাৰে সংশ্লিষ্ট বিষয়া-কৰ্মচাৰী, মণ্ডলক বাৰম্বাৰ কোৱা স্বত্বেও দুই এক মণ্ডল আৰু কৰ্মচাৰীয়ে ধন উপাৰ্জনৰ পথহে অব্যাহত ৰাখিছে বুলি বহুলোকে জনাইছে। এই উদ্যোগ সমূহ যধে-মধে নিৰ্মাণ কৰাৰ ফলত ৰাস্তা-ঘাট নষ্ট হৈ গৈছে। ৰাস্তা-ঘাট পুনৰ্নিৰ্মাণত চৰকাৰী ধন অপব্যয় হৈছে। এই উদ্যোগ সমূহে আজি পৰ্য্যন্ত কোনো ধৰণৰ ৰাস্তা-ঘাট, বিদ্যালয়ৰ উন্নয়নত কোনো কল্যাণকামী কাম হাতত লোৱা দেখা নাই। তাতোকৈও গুৰুত্বপূৰ্ণ দিশ এয়ে যে চৰকাৰী এনৰেগা আঁচনি, লোকনিৰ্মাণ বিভাগৰ আঁচনিৰ জৰিয়তে যি সমূহ পথ নিৰ্মাণ কৰা হৈছে এই ইটাভাটাৰ গাড়ী সমূহে পথসমূহ নষ্ট কৰাত প্ৰধান ভূমিকা গ্ৰহণ কৰিছে। তাতোকৈ ভয়ানক আন এটা সমস্যা হৈছে বায়ু প্ৰদূষণ। যধে-মধে নিৰ্মাণ কৰা অবিজ্ঞান সন্মত ইটাভাটাৰ পৰা নিৰ্গত ধোৱাৰ বাবে স্থানীয় এলেকাৰ ৰাইজে বিভিন্ন ৰোগত আক্ৰান্ত হৈছে। আমি যি আন্তৰিকতাৰে এই উদ্যোগসমূহক প্ৰণালীবদ্ধ ভাবে, বৈধভাবে নিৰ্মাণত সহায় কৰাৰ কাৰণে আৰু উদ্যোগটোক অধিক শক্তিশালী তথা প্ৰদূষণমুক্ত কৰাৰ বাবে যাৱতীয় প্ৰচেষ্টা গ্ৰহণ কৰা নিকটৱৰ্তী অনুষ্ঠান-প্ৰতিষ্ঠানবোৰত কল্যাণমূলক আঁচনি গ্ৰহণ কৰা, শিশু শ্ৰমিকসকলক অধিকাৰৰ ন্যায় প্ৰদান কৰা আৰু এই উদ্যোগৰ জৰিয়তে ছিপাঝাৰ সমষ্টিটোক শক্তিশালী কৰাৰ চিন্তা-চৰ্চাৰে তেওঁলোক দুই এজনৰ সৈতে বহি আলোচনা কৰিলে যদিও আজিলৈ মই কোনো ধৰণৰ সুফল পোৱা নাই। ইয়াৰ অন্যতম কাৰণ হৈছে এই ভাটাসমূহ বৈধ হ'লে আকাংক্ষিত ধন আহৰণৰ বিজুতি ঘটে বাবে চৰকাৰী বিষয়া-

কৰ্মচাৰীৰ সৈতে সাময়িক ধনৰ লেনদেনেৰে এই উদ্যোগ সমূহ জীয়াই ৰখাৰ যি প্ৰচেষ্টা দেখি আমি হতভম্ব হৈছোঁ। ইয়াৰ আগৰ উপায়ুক্ত, ৰাজহ বিষয়া আদিক বাৰম্বাৰ কৈও তেওঁলোকৰ জৰিয়তে এই উদ্যোগক বৈধ শক্তিশালী কৰাৰ কোনো মনোবৃত্তি দেখা নাপালো। এই সমস্যা অকল ছিপাঝাৰ সমষ্টিৰে নহয় অসমৰ যিবোৰ ঠাইত এনেধৰণৰ ইটাভাটাসমূহ আছে অসমৰ সেই অঞ্চলবোৰতে এই সমস্যাবোৰ পৰিলক্ষিত। সেয়ে আজি পবিত্ৰ সদনত এই গুৰুত্বপূৰ্ণ বিষয়টি উত্থাপন কৰি মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো। আমি যি ধৰণে এই উদ্যোগটো শক্তিশালী কৰি জনকল্যাণ নিয়োজিত কৰাৰ বাবে যি ভূমিকা ল'ব খুজিছো সেই ক্ষেত্ৰত অতিশীঘ্ৰে আগৰ বিষয়া-কৰ্মচাৰী সকলৰ ঠাইত নতুন বিষয়া-কৰ্মচাৰী নিয়োগ কৰি এই অবৈধ উদ্যোগসমূহক বন্ধ কৰি বৈধকৰণ আৰু শক্তিশালীকৰণৰ ব্যৱস্থা নকৰিলে এই উদ্যোগসূহ জ্বলন্ত সমস্যা হিচাবে ছিপাঝাৰ সমষ্টিত প্ৰলয়ৰ সৃষ্টি কৰিব। আজিৰ মহামান্য সদনৰ উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে বিষয়টো চৰকাৰৰ শক্তিশালী হস্তক্ষেপ কামনা কৰিলোঁ। অবৈধ ইটাভাটা সমূহ অতি সোনকালে বন্ধ কৰি দিলে এই সমস্যাৰ সমাধান হ'ব বুলি মই ভাবো। ধন্যবাদ।

**শ্ৰী যোগেন মহন, (মন্ত্ৰী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, 'ৰাজহ ফাঁকি চূড়ান্ত অনিয়মেৰে ছিপাঝাৰত চলিছে ইটাভাটা' এখন জনপ্ৰিয় কাকত নিয়মীয়া বাৰ্তাত যোৱা ২ এপ্ৰিল তাৰিখে প্ৰকাশিত বাতৰিটোত আমাৰ সন্মানীয় বিধায়ক পৰামন্দ ৰাজবংশী ডাঙৰীয়াই এটা সুন্দৰ বিশ্লেষণ আনিছে। বৰ্তমান চলি থকা ইটাভাটা সমূহ যি চৰকাৰী নিয়ম নীতি উলংঘা কৰি তেওঁলোকে কাম-কাজ চলাই আছে তাৰ ওপৰত এটা কঠোৰ ব্যৱস্থা ল'ব লাগে। এইটো ইতিমধ্যে সংশ্লিষ্ট জিলা উপায়ুক্ত আৰু ৰাজহ চক্ৰ বিষয়া সকলক ২০০১ ৰ এখন অধিসূচনা আছে এইখনত তেওঁলোকক কঠোৰ ভাবে নিৰ্দেশ দিয়া আছে। আজি যদি এটা ইটাভাটাৰ অনুমতি ল'বলগীয়া হয়, প্ৰথমে তেখেতে উপায়ুক্তৰ অফিচত গৈ আবেদন কৰিব লাগিব। যদি তেখেতে ৪ লাখ ইটা উৎপাদন কৰিব বিচাৰে ১২ হাজাৰ টকাৰ royalty দিব লাগিব। তেখেতৰ যিটো ভূমি সেইটো পুনৰ নিৰীক্ষণ হ'ব লাগিব যে তাত উদ্যোগীক এলেকালৈ পৰিৱৰ্তন কৰিব লাগিব। প্ৰদূষণ নিয়ন্ত্ৰন বোৰ্ডৰ পৰা NOC ল'ব লাগিব। ওচৰৰ ৫০০ মিটাৰলৈকে কোনো কলেজ বা অন্যান্য অনুষ্ঠান থাকিব নোৱাৰিব। ঘন জনবসতি হ'ব নোৱৰিব। এই বিলাক চোৱা-চিতা কৰাৰ পিছতহে এটা ইটা ভাটা খুলিবলৈ উপায়ুক্ত বা মহকুমাধিপতিয়ে অনুমতি দিব লাগে। এই ক্ষেত্ৰত যদি অনিয়ম কৰিছে আমাৰ উপায়ুক্তসকলে চৰকাৰৰ ওচৰত প্ৰতিবেদন দাখিল কৰিব লাগিব। যি বিলাকত অনিয়ম হৈছে ইয়াৰ পৰা কঠোৰ নিৰ্দেশ দিয়া আছে, এই বিলাক বন্ধ কৰিব লাগে। ইতিমধ্যে ছিপাঝাৰ ৰাজহ চক্ৰত ৪৯ টাৰ ভিতৰত ৩৫ টাৰ অনুমতি আছে। ইতিমধ্যে ১৪ টা অবৈধ ভাবে চলি আছে বুলি জিলা উপায়ুক্তই ইয়াত নিজে প্ৰতিবেদন দাখিল কৰিছে যোৱাকালি। তাৰ উপৰিও পথাৰিঘাটত ১৬ ইটাভাটা চলি আছে বুলি জনাইছে। তাৰ ৯ টা অবৈধ ভাবে চলি আছে। এই ফালে ৭ টা আৰু সেইফালে ১৪ টা মুঠ ২১ টা অবৈধভাবে ইটাভাটা চলি আছে। আমাৰ ফালৰ পৰা অধিসূচনা জাৰি কৰি সেই ইটাভাটাবিলাক অতি সোনকালে নিয়মীয়াকৰণ কৰিব দিয়া হৈছে। অন্যথা সেইবোৰ বন্ধ কৰি দিয়া হ'ব। কোনোবাই তথ্য সহকাৰে দুৰ্নীতি কৰি ৰাজহ চক্ৰ বিষয়া হওক বা লাট মণ্ডল হওক এনেকুৱা ধৰণে মইমতালি কৰিছে, চৰকাৰক অন্যপথে পৰিচালিত কৰিছে তেতিয়াহ'লে তেখেতসকলৰ ওপৰতো ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ইটাভাটাবোৰৰ অনুমতি দিয়াৰ ক্ষেত্ৰত জিলা উপায়ুক্তৰ লগতে ৰাজহ চক্ৰ বিষয়া আৰু স্থানীয় বিধায়ক সকলে একলগ হৈ উক্ত বিষয়টো বিবেচনা কৰিব। এতিয়া PMAY ৰ ঘৰৰ কাৰণে ২২০০ পৰা ২৫০০ শ ইটা লাগে। তেতিয়া

হ’লে ৫ লাখ PMAY ৰ ঘৰত কিমান ইটা লাগিব। প্ৰায় ১০ কোটি লাগিব। য’ত উপযোগী নহয়, তেনেকুৱা ঠাইত উপায়ুক্তই অনুমতি দিব নোৱাৰে। এই ঠাইত এনেকুৱা ইটাভাটা হৈ গলে, এনেকুৱা ধৰণৰ কিছু অঞ্চল আছে, য’ত জলাশয় তাত টো পাৰমিশ্যনেই দিব নোৱাৰে। সেই মাটিত industrial plot হ’ব নোৱাৰে। re-classification হ’ব নোৱাৰে। যি বিলাক agricultural ৰ মাটি, সেইটোহে re-classification, industrial plot কৰি তেওঁলোকে তাত পাৰমিশ্যন দিব পাৰিব। আৰু industrial plot হ’লে তেওঁ তাতে ৰুৰেলত হ’লে ১৫ শ টকা প্ৰত্যেক বিঘাত আৰু টাউনত হ’লে ২ হাজাৰ টকা এইটো খাজানা দিব লাগে। খাজানাৰ উপৰিও তেওঁৰ royalty টো আছে। এনে ধৰণে চৰকাৰৰ লগত যদি full colperation কৰি ইটাভাটা খোলাৰ বাবে আমাৰ আপত্তি নাই। কেৱল অবৈধ ভাবে ক’তো ইটাভাটা থাকিবলৈ দিয়া নহ’ব। আমি এতিয়া এই সদনৰ পৰা জনাইছো অসমৰ প্ৰতিখন জিলাৰ উপায়ুক্ত সকললৈ অসমৰ যি ঠাইত এনেকুৱা ধৰণৰ অবৈধভাবে যদি ইটাভাটা আছে, এই criteria বিলাক, চৰকাৰৰ criteria টো যিখন ২০০১ৰ ন’টিফিকেশ্যন নমনাকৈ আছে সেইখন লগে লগে তেওঁলোকে cease কৰিব পাৰে, বন্ধ কৰি দিব পাৰে ন’হলে মাতি আনি regularize কৰি দিব পাৰে। চৰকাৰৰ কৰখিনি ল’ব পাৰে। তেওঁলোকৰ যি instruction আছে follow কৰিব লাগে। Pollution Control Board ৰ Officer য়ে visit দিব লাগে। চাৰ্কোল Officer সকলে visit দিব লাগে ইটাভাটা চলি থকা সময়বোৰত। এই ক্ষেত্ৰত জিলা উপায়ুক্তৰ হাতত কতৃত্বটো আছে। চৰকাৰে সম্পুৰ্ণ জিলা উপায়ুক্তক, এচ ডি অ’ চিভিলক, চাৰ্কোল অফিচাৰক দায়িত্ব দিয়া আছে। মই ভাবো তেওঁলোকে যদি এইখিনি ক্ষেত্ৰত গুৰুত্ব দিয়ে, এনেকুৱা অবৈধভাবে কোনো ভাটা ন’হব। তেওঁলোকেও বৈধভাবে কৰক আমাৰ কোনো আপত্তি নাই, আৰু তাত Pollution হওঁক বা এনেকুৱা বিভিন্ন বানপানী টো যাতে ৰাইজ ক্ষতিগ্ৰস্থ নহয়। Child labour ৰ টো পাৰমিশ্যনে নাই। তেনেকুৱা যদি তথ্য থাকে আপোনালোকে থানাত খবৰ দিব লাগে। সন্মানীয় বিধায়ক জনক কৈছো যদি ক’ৰবাত Child labour লগাইছে, এইবিলাক লগে লগে action হ’ব। গতিকে সদনত মই স্পষ্টভাবে কথাখিনি অৱগত কৰিলো ধন্যবাদ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয় যিহেতু অধিবেশন কাইলৈ শেষ হ’ব মই বেলেগ এটা বিষয়ত ১ মিনিটৰ এটা কথা সুধিব পাৰো নেকি? মই ৰাজহ মন্ত্ৰী ডাঙৰীয়াক এটা মাত্ৰ কথা সুধিব খুজিছিলো। আমাৰ গাওঁবুঢ়া সকলৰ যিটো সমস্যা সেই সমস্যাটো এটা ডাঙৰ সমস্যা হৈ পৰিছে। তেওঁলোকে খুব কম দৰমহা পায়, remuneration টো আৰু যি সকলে অৱসৰ গ্ৰহণ কৰিলে ৬৫ বছৰ কৰি তেওঁলোকক এটা সাহাৰ্য্য দিয়াৰ কথা আছিল। এই গোটেই বিষয়টো অকনমান কিবা এটা কৰিব পাৰি নেকি?

**শ্ৰীযোগেন মহন, (মন্ত্ৰী) ঃ** ধন্যবাদ, এইটো কথা আমিও বুজিছো। ৯ হাজাৰ টকাকৈ তেখেত সকলে

remuneration পাই গ’ল। আগতে টো চাৰি হাজাৰ চাৰে চাৰি হাজাৰ আছিল এইখন চৰকাৰৰ দিনত আমি ন হাজাৰলৈকে দিলো, আৰু এটা বঢ়োৱাৰ কথা আমি চিন্তা কৰি আছো, আৰু অৱসৰ গ্ৰহণ কৰাৰ পিছত আমি যেনেকৈ আশা কৰ্মীসকলক কিবা এটা দিয়া হয়। ঠিক তেনেদৰে গাওঁবুঢ়া সকলকো ২, ৩ লাখ টকা দিয়াৰ ব্যৱস্থা কৰিব পৰা যায় নেকি, খুব সোনকালে তেনেকুৱা ধৰণৰ এটা বিষয় মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰিম। অতি সোনকালে ভাল খবৰ পাব।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া কমলাক্ষ দে পুৰকায়স্থ।

**শ্রী কমলাক্ষ দে পুরকায়স্থ ঃ** ..... মাননীয় উপাধ্যক্ষ মহোদয়, ২৯ মার্চ, দৈনিক নববার্তা প্রসঙ্গ পত্রিকায় প্রকাশিত "রাজ্যের পৌরগামী পৌর কর্মচারী ২৬ মাস ধরে বেতন নেই। অভাবে নিত্যসঙী, সরকারের ভূমিকায় ক্ষোভ বাড়ছে"—- উপাধ্যক্ষ মহোদয়, বিষয়টি উত্থাপন করার সুযোগ দেওয়ার জন্য আমি ধন্যবাদ জ্ঞাপন করছি। উপাধ্যক্ষ মহোদয়, ২০১৩ সালে আসাম কেবিন্যাটে সিদ্ধান্ত নেওয়া হয়, তখন আমাদের বাইদেও আমাদের মন্ত্রী ছিলেন। তখন ৫২০০ পৌর কর্মচারীকে স্থায়ী করার জন্য সিদ্ধান্ত নেওয়া হয়েছিল। কিন্তু তখন কোন বিল হয়নি। পরবর্তী সময়ে আমাদের মাননীয় মন্ত্রী পিযুষ হাজারিকা মহাশয়, এই বিভাগের মন্ত্রী এবং তখন একটি বিল পাস হয়, "Assam municipal employees act 2021"। এবং সেখানে ৫২০০ পৌর কর্মচারীকে regularise করা হবে। তার মধ্যে, প্রথম পর্যায়ে ১৬৫৩ জনকে regularise করা হবে বলে সেই বিলটি পাস হয়। আমরা ছিলাম সেদিন, আমিও সাক্ষী ছিলাম সেই বিলের। ৩১ মে ২০২১ এ gazette notifiaction হয়। ভালো কথা, সব ঠিক চলছিল। ৪ জানুয়ারি ২০২২- এ Municipal Administration এর আধিকারিক DMA/228/2014/2003 পত্রযোগে প্রত্যেকটি ULB তে ২২-২৩ এর পৌর কর্মীদের বেতনের জন্য এল ফর্ম পাঠান হয়। এবং সেই এল ফর্ম মতে ১৬৫৩ জনকে regularise করার জন্য তথ্য চাওয়া হয়েছিল। সেই তথ্য যখন ইউএলবি কে বললেন যে আপনারা তথ্য পাঠান তখন ১২৩৪ জনের সেখানে রিপোর্ট এসেছিল। ভালো কথা সেটাতে আমাদের কোন আপত্তি নেই। এবং সেই মর্মে ১২৩৪ জন কর্মচারীর অনুমোদন হয়। ২০২৩-২৪ এ বেতন বরাদ্দ করার জন্য হেড ও তৈরি করা হয়। ভালো কথা, সব ভালো ভাবেই চলছে। ১৬-০৮-২০২২ তারিখে পুনরায় municipal Administration DMA/ 228/2014/2014/104 পত্রযোগে পৌর কর্মচারীর মাসিক প্রদানের জন্য কত পুঁজি লাগবে সেইগুলোর সব রিপোর্ট আমার কাছে আছে। আপনাদের বিভাগ ভালোই কাজ করছে সেখানে আমার বলার কিছু নেই। municipal Administration joint secretary র কাছে লিখেছিল অফিসিয়েল লেটার L form are prepared by concern ULB on the basis of 7th pay commission and total amount comes 69 crore 3 lakh 10 thousand 4 hundred and 20, সেই টাকা ধার্য্য করা হয়েছিল ৭১ ULB কর্মচারীকে দেওয়ার জন্য। টাকা সেংশন হল। আপনাদের corespondence করা হল । আপনারা বিল পাস করলেন। কিন্তু দুঃখের সঙে বলতে হচ্ছে আজকের দিনে প্রায় ২৬ মাস থেকে ৪৮ মাস অবদি অনেকেই বেতন পাচ্ছে না । সেই মর্মে আমি মন্ত্রী মহোদয়ের দৃষ্টি আকর্ষন করছি।সেই বিল অজন্তা নেওগ বাইদেও, পিযুষ হাজারিকা মহাশয় আমরা সবাই মিলে বিল পাস করলাম, টাকা ধার্য্য করা হল। আমরা সুশাসনের কথা বলি,আমরা গুড গভর্নেন্সের কথা বলি। কিন্তু এতদিন আগে corespondence হওয়ার পর আজ অবদি আপনাদের বিভাগ কেন সেই টাকা পৌর কর্মচারীদের রিলিস করা হল না। মন্ত্রী মহোদয়ের কাছে আমি ক্লিয়ার উত্তর চাই। আমদের কাছে এরকম অনেক তথ্য আছে। বিল পাস করে গেজেট নোটিফিকেশন হয় কিন্তু যখন implimentation হওয়া দরকার কোন কোন বিভাগ খুব ভালো implimentation করে। কোন বিভাগ ভালো implimentation করেনা। তাহলে সেই বিল পাস করার কি অর্থ হল? আমরা বিল পাস করলাম implimentation কোন বিভাগ ভালো করে করবে কোন বিভাগ ভালো করে করবে না। আমি সব আধিকারিকের কথা বলছি না। কিছু কিছু আধিকারিক খুব ভালে কাজ করে। I feel proud, আমি আসামের একজন বিধায়ক হয়ে আমি proud feel করছি

যে আমাদের আসামে এমনও কিছু অফিসার আছে যে অফিসার আমাদের ভারতবর্ষের প্রেক্ষাপটে যদি আমরা তুলনা করি যদি quality assesment করা হয় সেই অফিসাররা ভালো কাজ করছে। কিন্তু কিছু সংখ্যক অফিসাররা আছে সেই আইন পাস করার পর নোটিফিকেশন হওয়ার পর সেগুলো impliment হয় না। আমি মন্ত্রী মহোদয়ের কাছে স্পষ্ট উত্তর চাই যে কবে পৌর কর্মীদের বেতন রিলিজ করা হবে। ওনাদের account এ টাকা বরাদ্দ করা হবে। সেটাই মন্ত্রী মহোদয়ের কাছে আমি জানতে চাই।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী মহোদয়।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই বিধায়ক কমলাক্ষ্যদেই পুৰকায়স্থক ধন্যবাদ জনাব খুজিছো, যে এটা গুৰুত্বপূৰ্ণ বিষয় তেখেতে শূণ্যকালীন ঘন্টাৰ জৰিয়তে সদনত উত্থাপন কৰিলে। উপাধ্যক্ষ মহোদয়, আপোনাৰ মাধ্যমত মই সদনক জনাব বিচাৰিছো যে এটা কথা সকলোৰে বুজা উচিত। পৌৰনিগম যিমান আছে, Urban Local Bodies যিমান আছে, ভাৰতৰ সংবিধানে Urban Local Bodies ক Local Self Government বুলি কৈছে। তেখেত সকলৰ নিজৰ এখন Municipality, এই Municipality তেখেত সকলে পৰিচালনা কৰে। অকল Municipality এনেকুৱা বিভাগ আৰু কৰ'বাত কৰ'বাত পঞ্চায়ত এনেকুৱা বিভাগ য'ত Local Self Government গ্ৰাম্য অঞ্চলত পঞ্চায়ত আৰু নগৰ আৰু চহৰ অঞ্চলত Municipality ক Local Self Government বুলি কোৱা হয়। আমি যেতিয়া কথা পাতিম বা চিন্তা কৰিম Local Self Government বিভিন্ন নগৰ-চহৰ অঞ্চলত আছে। এই চিন্তা কৰি আমি কাম কৰিব লাগে। মাননীয় অধ্যক্ষ মহোদয়, দৰমহা পোৱা নাই বুলি কৈছে , মই অৱগত যে দৰমহা পোৱা নাই। কিন্তু practically এই কৰ্মচাৰী বোৰক appointment অসম চৰকাৰে কৰা নাই বা Department of Houshing and Urban Affairs য়ে কৰা নাই বা মোৰ আগৰ যিটো বিভাগ আছিল Urban Development Department য়ে ও কৰা নাই। Municipal Addministration Department য়ে ও কৰা নাই। এই গোটেই কৰ্মচাৰী বোৰক appointment বিভিন্ন Municipal Board য়ে নিজৰ নিজৰ তাত নিযুক্তি দিছে। বহুত ঠাইত appointment হৈছে, এই appointment টো নিয়ম মানিও হৈছে, কৰ'বাত adhoc basis ত appointment কৰা হৈছে, কৰ'বাত ভালপাই বুলি appointment কৰা হৈছে। এই appointment ৰ হাৰ কিমান আছে মই আজি মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে সদনক জনাব বিচাৰিছো। মই সকলোৰে কথা ক'ব নোৱাৰিম। দুই-এটা Municipality মই চালো, তাৰ কথা মই আপোনাক জনাওঁ। মাননীয় উপাধ্যক্ষ মহোদয়, কেইবাবাৰ চৰকাৰে Municipality বোৰক নতুনকৈ কৰ্মচাৰী ল'ব নালাগে বুলি পৰামৰ্শও দিছিল আৰু তাৰ পিছত আদেশ ও দিছিল। প্ৰথমে ২০১০ চনত তেনেকুৱা এটা আদেশ দিয়া হৈছিল যে নতুনকৈ আৰু employee ল'ব নালাগে আৰু employee যদি লোৱা হয় তাত ক্লিয়াৰলি লিখিছিল -

Subject টো আছিল মাননীয় উপাধ্যক্ষ মহোদয়, fresh reqruitment of staff in ULBs on Assam. তাত লিখিছিল যে -

"With reference to the subject cited above, I am directed to inform you that, as per recommendation of the 3rd Assam State Finance Commission, a Study Group is being constituted to determine the different categories of staff required for each ULB". তাৰ অৰ্থটো হ'ল staffing pattern এটা কৰা হ'ব আৰু এই staffing pattern মতে ULB ত ষ্টাফ থাকিব

লাগিব।

"In view of the same, you are informd not to create any new posts and make any fresh appointment till finalization of staffing pattern of ULBs on the basis of report of the said Study Group. Further, it is mentioned that, the Chairman/Chairperson of the concerned ULBs will be held responsible for any violation of the provision of Assam Fiscal Responsibility and Budget Management (A.F.R.B.M) Act, 2005. মাননীয় উপাধ্যক্ষ মহোদয়, এইটো ২০১০ চনৰ চাৰ্কোলাৰ। তাৰপিছত এখন কমিটি কৰি দিয়া হ'ল। এই কমিটিৰ ৰিপোৰ্ট আহিল। এই ৰিৰ্পোটটো গ্ৰহণ নহ'ল। তাৰপিছত ২০১৬ চনত আৰু এটা চাৰ্কোলাৰ দিয়া হ'ল। মই গোটেই চাৰ্কোলাৰটো পঢ়ি নিদিও তথাপি মই অলপ অংশবোৰ কৈ দি আছো।

"It has been observed that some Municipal Boards and Town Committees are moving Govt. for obtaining approval for making fresh recruitment/engagement of personnel in Municipal Boards / Town Committees. It is hereby clarified that the process for having a uniform staffing pattern in the Municipal Boards and Town Committees of Assam is under active consideration of Govt of Assam and as such the Govt. is not in a position to entertain such proposal.

The Director of Municipal Administration , Assam vide letter no. DMA(P)90/2010/187 dated 9th August, 2016 has also requested all the Municipal Boards / Town Committees not to appoint/engage/ personnel till the disposal of the matter on the staffing pattern by Govt.

The Chairmen/Chairpersons/Executive Officers of the Municipal Boards / Town Committees Assam are instructed not to make fresh recruitment in their Municipal Boards / Town Committees and not to move the Govt with such proposal till the proposed uniform staffing pattern for the Municipal Boards / Town Committees is finalized by the Govt.

This is issued with the approval of Hon'ble Minister, Urban Development Department, Assam, 2016.

**মাননীয় উপাধ্যক্ষ ঃ** অলপ চমুৱাই ক'ব।

**শ্ৰী অশোক সিংহল(মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বিষয়টো গুৰুত্বপূৰ্ণ। মই আৰু ৫ মিনিট ল'ব খুজিছো। এইটো অকল কৰিমগঞ্জৰে সমস্যা নহয়, অসমত থকা ১০২ টা ULB তেই এই সমস্যাটো চলি আছে। অলপ গুৰুত্ব সহকাৰে কৈ দিলে প্ৰত্যেকজন সদস্যই জানি ভাল পাব। মাননীয় উপাধ্যক্ষ মহোদয়, এতিয়া মই শিলচৰৰ কথা কওঁ - Required as per staffing pattern in 2013 হ'ব লাগে ১৯৪ জন। আজি main in position ত শিলচৰত আছে

৩৬৩ জন। ইয়াৰ অৰ্থটো হ'ল ২০১৩ চনৰ পিছত ১৬৩ জন কৰ্মচাৰীক ওপৰিঞ্চি লৈ ল'লে। শিলচৰ মিউনিচিপালিটি বোৰ্ডত ৩৬৩ জন কৰ্মচাৰীয়ে কাম কৰি আছে। ইয়াৰ পিছত মাননীয় উপাধ্যক্ষ মহোদয়, কৰিমগঞ্জৰ মিউনিচিপালিটিৰ কথা ক'বলৈ যাওঁ। ২০১৩ চনত কৰিমগঞ্জ মিউনিচিপালিটিত staffing pattern যেতিয়া চূড়ান্ত হৈছিল তেতিয়া তেখেত সকলৰ মাহিলী দৰমহাৰ কাৰণে requirement আছিল ১০ লাখ ৭৫ হাজাৰ টকা। ২০১৩ চনৰ পিছত যিটো ষ্টাফ তেখেত সকলে ল'লে তাৰ extra sallery burden হৈ গ'ল ৩০ লাখ টকা। গতিকে এই ১০ লাখ আৰু ৩০ লাখ টকা, মুঠতে ৪০ লাখ টকা মাহিলী তেখেত সকলৰ দৰমহাৰ burden হৈ গ'ল। বছৰি যদি হিচাপ কৰিবলৈ যাওঁ তেতিয়াহ'লে ৪.৯২ কোটি হ'বগৈ। গতিকে প্ৰায় ৫ কোটি টকা তেখেত সকলৰ sallery burden হৈ গ'ল। এতিয়া এই দৰমহাটো কোনে দিব, employee ৰ requirement কোনে কৰিলে ? এই employee ৰ requirement চৰকাৰে কৰা নাই বা Department of Houshing and Urban Affairs য়ে কৰা নাই আৰু Urban Development Department য়ে ও কৰা নাছিল। Municipal Directorate য়ে ও কৰা নাছিল। তাৰফলত ২০১৩ চনত FRBM ৰ অন্তৰ্গত requirement কৰিব নোৱাৰা নিৰ্দ্দেশৰ পিছতো মিউনিচিপালিটি বোৰ requirement কৰি থাকিল। আজি মাননীয় বিধায়ক শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়াই এটা ভাল কথা ক'লে যে ২৪-২৫ মাহে দৰমহা হোৱা নাই. মোৰো এই বিষয়টোৰ ওপৰত দুখ লাগে যে মিউনিচিপালিটি বোৰে কৰ্মচাৰী লৈ তেওঁলোকক দৰমহা নিদিয়ে। এইটো খুব বেয়া কথা হৈছে। আমি ডাইৰেক্টৰেটৰ ফালৰ পৰাও নিৰ্দ্দেশ দিছো যে যদি কৰ্মচাৰী লয় তেতিয়াহ'লে তেওঁলোকক দৰমহা দিয়াৰ দায়িত্ব মিউনিচিপালিটিবোৰে ল'ব লাগে। মিউনিচিপালিটিবোৰে কিয় তেওঁলোকৰ দায়িত্ব পালন কৰা নাই। তেখেতে দিয়া প্ৰস্তাৱটো মই গ্ৰহণ কৰিছো আৰু প্ৰয়োজন হ'লে তাৰ Executive Officer আৰু Chairmen সকলক মাতি আনি কথা পাতিম যে আপোনালোকে কৰ্মচাৰীবোৰ নিযুক্তি দিছে কিন্তু দৰমহা নিদিয়ে কিয়? যদি তেওঁলোকক লৈছে তেতিয়াহ'লে তেওঁলোকক কিয় দৰমহা দিব পৰা নাই। প্ৰশ্নটো হ'লে যে ৯৮ লাখ টকা তেখেতসকলে ৰাজহ হিচাবে সংগ্ৰহ কৰে আৰু ৫ কোটি টকা তেখেত সকলক দৰমহাই দিব লাগে। ইয়াৰ উপৰিও স্বচ্ছ ভাৰতৰ কাৰণেও টকা লাগে, অটোভেন চলাবৰ কাৰণে তাত ডিজেল-পেট্ৰোল ভৰাব লাগে, maintanance ও কৰিব লাগে। তাৰ অৰ্থটো হ'ল যে কৰিমগঞ্জ মিউনিচিপালিটিযে প্ৰায় ৯০ লাখ ১ কোটি টকা collection কৰে, ৫ কোটি টকা তেখেত সকলৰ দৰমহা দিবলৈ লাগে। তাৰ অৰ্থটো হ'ল যে কোনো বেলেগ কামেই কৰিব নোৱাৰে। এই অৱস্থাৰ পৰা মিউনিচিপালিটিবোৰক যদি আমি উদ্ধাৰ কৰিব লাগে, তাৰবাবে আমি বহুত reforms আনিছো। এই reforms বোৰৰ ভিতৰত হ'ল যে এই গোটেই বিষয়টো clearify কৰি দিয়াৰ কাৰণে আমি one man commission বনাইছো আৰু মাননীয় উপাধ্যক্ষ মহোদয়, মই সদনত কথা দিলো যে এই one man commission ক আমি recommendation বিচাৰিছো যে এই গোটেই কথাটো কেনেকৈ regulerised কৰিব পাৰি, কেনেকৈ এই Municipal employees বিলাকক মিউনিচিপালিটি বিলাকে দৰমহা দিব পৰা অৱস্থাত নথকাৰ পিছতো কেনেকৈ নিজৰ panel ত লৈ নিজে implement দি দিলে , এই মানুহখিনিৰ লগত কেনেকৈ ন্যায় কৰিব পাৰি, এই মানুহখিনিৰ ঘৰত যাতে পোহৰ হৈ থাকে তাৰ কাৰণে কি ব্যৱস্থা কৰিব পাৰি, তেখেতসকলৰ কেনেকৈ আমি ভাল এটা পৰিবেশত ৰাখিব পাৰো তাৰ কাৰণে one man commission কৰা

হৈছে। মই কথা দিলো যে ২ মাহৰ ভিতৰত কমিশ্যনৰ ৰিপোৰ্ট আহিব আৰু তাৰ ওপৰত আমি বিবেচনা কৰিম আৰু বিবেচনা কৰি তেখেত সকলক আমি কিদৰে সকাহ দিব পাৰো তাৰ সিদ্ধান্ত লোৱাৰ ব্যৱস্থা কৰিম।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া item no. 2, Rule - 54. মাননীয় সদস্য শ্ৰী তেৰছ গোৱালা ।

**শ্ৰী তেৰছ গোৱালা(দুলীয়াজান) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ অধীনত Rule 54 ত ২০২৩ চনৰ ২ মাৰ্চ তাৰিখৰ "অসমীয়া প্ৰতিদিন" কাকতত প্ৰকাশিত "ৰাজ্যত ৭ লাখ কুইন্টল চাউলৰ হৰলুকী" শীৰ্ষক বাতৰিটোৰ প্ৰতি খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিবলৈ দিয়াৰ কাৰণে মই আপোনাক ধন্যবাদ জনাইছোঁ।

মাননীয় উপাধ্যক্ষ মহোদয়, চৰকাৰখনে অতি আন্তৰিকতাৰে কৃষকসকলক নিম্নতম মুল্যত ধান ক্ৰয় কৰাৰ কাৰণে ইতিমধ্যে কেন্দ্ৰবিলাক খুলিছে। ডিব্ৰুগড় জিলাৰ দুলীয়াজান বিধান সভা সমষ্টিতো তেনে এটা ধান ক্ৰয় কেন্দ্ৰ আছে, আৰু তাতো দেখিছো চৰকাৰে অতি আন্তৰিকতাৰে কৃষকসকলক নিম্নতম মূল্য দিয়াৰ কাৰণে আজি কৃষক সকলৰ যথেষ্ট ফূৰ্তি লাগিছে খেতিত নামিবলৈ। ইতিমধ্যে সেই ধানখিনি চাউল কৰাৰ পিছত , পেপাৰত যিটো বাতৰি ওলাইছে, এই বাতৰিটোৰে আটাইতকৈ দুখজনক বাৰ্তা দিছে যে প্ৰায় ১৩ লাখ কুইন্টল চাউল বিক্ৰী হৈছে, ২০ লাখ কুইন্টল চাউলৰ ক্ৰয় কৰাৰ পিছত। গতিকে কথাবিলাক অলপ contradictory হৈছে। আৰু বাতৰিটোত এনেধৰণে কৈছে যে ইয়াত ৰাজ্য চৰকাৰৰ অধীনত খাদ্য আৰু অসামাৰিক যোগান নিগমৰ একাংশ দুৰ্নীতিগ্ৰস্ত বিষয়াৰ হস্তক্ষেপত এই কেলেংকাৰী সংঘটিত হৈছে বুলি কাকতত প্ৰকাশ পাইছে। লগতে কৈছে যে ক্ৰয় কৰা ধানক চাউললৈ ৰূপান্তৰ কৰি কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ সংস্থাই FCI ক বিক্ৰীৰ নামত খাদ্য আৰু অসামৰিক যোগান নিগমৰ দুৰ্নীতিগ্ৰস্ত বিষয়াসকলে অতি কৌশলৰে হৰলুকি কৰিছে বৃহৎ পৰিমানৰ চাউলখিনি। চৰকাৰী তথ্যত এই কথা পোহৰলৈ আহিছে।

মাননীয় উপাধ্যক্ষ মহোদয়, চৰকাৰী তথ্যত এই কথাটো অহাৰ কাৰণে আটাইতকৈ চিন্তনীয় বিষয় হৈছে যে চৰকাৰী তথ্যত যদি এনেকুৱা ধৰণৰ বিসংগতি থাকে, তেতিয়া হ'লে স্বাভাৱিকতে সৰ্বসাধাৰণ ৰাইজৰ এই ধান কিনাৰ প্ৰতি যিটো বিশ্বাস, আস্থা আছে, সেইটো নিশ্চয় কমি যাব। সেই কাৰণে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে চৰকাৰী তথ্যত যদি এনেকুৱা খেলিমেলি আছে, মই ভাৱো ইয়াৰ এটা তদন্ত হোৱা ভাল, আৰু এই সম্পৰ্কে এটা স্পষ্টীকৰণ দিয়াটো মই বিচাৰো। আৰু ইয়াত কৈছে যে বিগত বৰ্ষৰ দৰে এইবাৰো কৃষকৰ পৰা ধান ক্ৰয়ৰ নামত flop show চলি থকাৰ অভিযোগ উত্থাপন হৈছে। এইটো মই ক'বলৈ খুজিছো যে সত্য নহয়। কাৰণ দুলীয়াজান বিধান সভা সমষ্টিতো মই দেখিলো যোৱা বছৰ এগৰাকী Ward Member গুণলটা সোণোৱাল, ৭০ হাজাৰ টকাৰ ধান বিক্ৰী কৰিছিল। এই বাৰ তেখেতে ১ লাখ টকাত বিক্ৰী কৰিব পৰা হ'ল। গতিকে তেনেকুৱা এটা উৎসাহ জনক কাম কৰি থকাৰ সময়ত ইমান নিৰুৎসাজনক এটা বাতৰিয়ে স্বাভাৱিকতে আমাৰ মাজত এটা confusion ৰ সৃষ্টি কৰিছে। সেই কাৰণে মই Rule 54 ৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে এই বিষযটো গুৰুত্বসহকাৰে লৈ যদি এই তথ্য সত্য হয়, যিসকল বিষয়া কৰ্মচাৰীয়ে সঁচা অৰ্থৎ যদি জড়িত হয়, তেওঁলোকৰ ওপৰত ব্যৱস্থা লোৱাতো মই কামনা কৰো আৰু নহলে যদি সত্য নহয়, তেতিয়া হ'লে পেপাৰত কোনে এই তথ্য দিলে, তেওঁৰ ওপৰত ব্যৱস্থা লোৱাতো মই বিচাৰোঁ। এইখিনিকে কৈ মই হুRule

54 ত মন্ত্ৰী মহোদয়ৰ মনোযোগ আকৰ্ষণ কৰিলোঁ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক তেৰছ গোৱালা ডাঙৰীয়াই Rule 54 ৰ জৰিয়তে গুৰুত্বপূৰ্ণ বিষয় এটা উত্থাপন কৰাৰ কাৰণে, মই তেখেতক আন্তৰিক ধন্যবাদ জনাইছোঁ। কাৰণ এই বিষয়টোক লৈ আমি বাতৰি কাকতত স্পষ্টীকৰণো দিছিলো, কিন্তু স্পষ্টীকৰণটো প্ৰকাশ নহ'ল। গতিকে সেই কাৰণে মই নিজে ভাৰি আছিলো যে এই বিষয়টো যদি সদনত কোনোবাই উত্থাপন কৰে, তেতিয়া হ'লে ৰাইজক অন্তত clear picture টো দিব পৰা যাব।

আচলতে, আমাৰ যি ধান ক্ৰয়ৰ কথাটো আহিছে, Food & Civil Supply Corporation Limited এ ধান ক্ৰয় কৰে, FCI এ কিনে, NAFED কিনে, Agriculture Marketing Board এ কিনে। কিনাৰ পিছত সেইবোৰ মিলাৰৰ তাত দিয়া হয় আৰু তাৰ পিছত মিলাৰৰ পৰা গৈ চাউলবোৰ FCI লৈ যায়। ঠিক তেনেকুৱাকৈ এতিয়ালৈ প্ৰায় চাৰে চাৰি লাখ মেট্ৰিকটন ধান ক্ৰয় কৰিবলৈ সক্ষম হৈছো। আচলতে যি এই তথ্যটো দিছে, তেওঁলোকে এই তথ্যটো online ৰ পৰা পাইছে, আমাৰ বিভাগ আৰু FCI এ এই তথ্যটো মিলাই চাইছে। মিলাই চোৱাৰ পিছত কি ভুল হৈ গ'লজানিব পাৰিলো। FCI ৰ দুটা চিজন থাকে। এটা থাকে খাৰিফ বিপনন বৰ্ষ, ১ ডিচেম্বৰৰ পৰা ৩১ মে' পৰ্য্যন্ত। আৰু এটা হৈছে ৰবি বিপনন বৰ্ষ, ১ জুলাইৰ পৰা ৩০ চেপ্তেম্বৰ পৰ্য্যন্ত। গতিকে সেই দুটা period ৰ লগত আমাৰ Financial period হৈছে ১ এপ্ৰিলৰ পৰা ৩১ মাৰ্চ। গতিকে দুয়োটাই যদি মিলাই পাৰ্থক্যটো আহি পৰে। পাৰ্থক্যটো পালে স্বাভাৱিকতে ভাৱিব যে ইমান লাখ কুইন্টল ধান হৰলুকি হ'ল। সেইটো আচলতে নহয়, কাৰণ মই এই বিষয়টো তদাৰক কৰি আছো, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই তদাৰক কৰি আছে। এইটো একেবাৰে অসম্ভৱ। আচলতে বুজাত ভুল হোৱাৰ কাৰণে তেনেকুৱা এটা বাতৰি প্ৰকাশ পাইছে। তেওঁলোকৰ এটা বছৰত দুটা চিজন, তেওঁলোকৰ আৰম্ভ হয় ১ আক্টোৱৰৰ পৰা আমাৰ চিজনটো আৰম্ভ হয় ১ এপ্ৰিলৰ পৰা। গতিকে দুয়োটা compare কৰিলে নিমিলিব। তেওঁলোকৰ লগত আমি হিচাপটো মিলাই দিলে, বা আমাৰ মতে যদি তেওঁলোকে মিলাই দিয়ে, তেতিয়া হ'লে এই অংকটো মিলি যাব। সেই কাৰণে এইটো অনাৰ কাৰণে মই ভালেই পাইছোঁ। লগতে price stabilization ৰ কথাও আহিছে, price stabilization ৰ ক্ষেত্ৰত দুৰ্নীতি হোৱা বুলিও কৈছে, কিন্তু এই টকাতো as it is য়ে আছে। price stabilization ত হৈছে কি যেতিয়া মুল্য বৃদ্ধি হয় কোনোবা এটা বস্তুত, তেতিয়া কেন্দ্ৰীয় চৰকাৰে ১৬০ কোটি টকাৰ এটা fund দিয়া আছে। সেই টকাৰে আমি সমাগ্ৰী কিনি ৰাইজক দিব লাগে। এই বাৰ আমি তেনেকুৱাকৈ Agriculture Marketing Board য়ে আলু কিনিছিল, আলু কিনাৰ পিছত ৯৩ লাখ টকা তেওঁলোকৰ লোকচান হৈছে। লোকচান হ'লেও আমি সেইটো ধৰা নাই price stabilization ৰ কাৰণে। সেই টকাতো যদি ঘূৰাই দিয়ে, সেইটো as it is আছে। মাজে মাজে আমাৰ মিটিঙো হয়, কিন্তু price stabilization ৰ কাৰণে বেলেগ সামগ্ৰী ক্ৰয় কৰিব নোৱাৰো। ১৬০ কোটি টকাৰে বেলেগ সামগ্ৰী কিনিব খুজিলে আমাক নিদিয়ে। মই কৈছিলো সৰিয়হ বা আদা বা হালধী যদি কিনিব দিয়ে, তেতিয়া কেন্দ্ৰীয় চৰকাৰে ক'লে যে অকল আলু বা চাউল কিনিব পাৰে। গতিকে তথ্যটো হয়তো ভুলবশতঃ প্ৰকাশ পাইছে। এইখিনি মই আজি পবিত্ৰ সদনৰ মজিয়াত জনালো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া কাৰ্য্যসূচী নং ৩, Rule 301, মাননীয় সদস্য শ্ৰী অখিল

গগৈ।

**শ্ৰী অখিল গগৈ, (শিবসাগৰ)**ঃ মাননীয় উপাধ্যক্ষ মহোদয়, Rule 301 ৰ অধীনত বিষয় উত্থাপন কৰিছিলো। উত্থাপন কৰা বিষয়টো আছিল যে অত্যাৱশ্যকীয় সমাগ্ৰীৰ অবিৰত আৰু ব্যাপক মূল্য বৃদ্ধি ৰোধৰ চৰকাৰী ব্যৱস্থাৰ প্ৰয়োজনীয়তা। মই যিটো টোকা দিছিলো, তাত লিখিছিলো অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী আৰু অন্যান্য সমাগ্ৰীৰ মুল্যবৃদ্ধি বৰ্তমান চৰকাৰখনৰ দিনত এটা অত্যন্ত জ্বলন্ত সমস্যা। এনে সমাগ্ৰীৰ অবিৰত আৰু ব্যাপক মূল্যবৃদ্ধিয়ে জনজীৱনত ব্যাপক কু-প্ৰভাৱ পেলাইছে।

মূল্যবদ্ধিৰ কেইটামান উদাহৰণ এনেকুৱা ধৰণৰ - আইজং চাউল - ২০১৬ খুচুৰা মূল্য ফ্ৰেব্ৰুৱাৰী মাহত আছিল ২৪ টকা। ২০২৩ চনত খুচুৰা মূল্য হ'ল ৩৫ টকা। কেইটামান বছৰৰ পাৰ্থক্য। মিঠাতেল ২০১৬ চনত ৮০ - ৯০ টকা আছিল, মাৰ্চ মাহৰ ২০২৩ চনত ১৮০-২২০ টকালৈ বৃদ্ধি পালে। ঘৰুৱা ৰন্ধন গেছ চিলিণ্ডাৰ ২০১৬ চনৰ জুন মাহত ৪৪৮.৫০ টকা আছিল, ২০২৩ চনৰ মাৰ্চ মাহত ১১৫২ টকা হ'ল। ডিজেল জুন মাহৰ ২০১৬ চনত ৫৫. ৭৮ টকা আছিল, ২০২৩ চনত হ'ল ৮৮.৩০ টকা। ২০১৫ চনৰ পৰা ২০২৩ চনলৈ মূল্যবদ্ধি কোনো কোনো ক্ষেত্ৰত প্ৰায় তিনিগুণ হৈছে। অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিৰ ফলত জনজীৱন বিপন্ন হৈ পৰিছে। দুখীয়া শ্ৰমজীৱী ৰাইজ আৰু মধ্যবিত্ত শ্ৰমিকক এই মুল্যবদ্ধিৰ জুয়ে দহি পেলাইছে। এই ক্ষেত্ৰত মূল্য বৃদ্ধিৰ পৰিমান এনেদৰে কিয় অবিৰতভাৱে আৰু ব্যাপক ভাৱে বৃদ্ধি পাইছে, তাৰ কাৰণে আলোচনাৰ প্ৰয়োজন হৈছে। মুল্যবৃদ্ধি ৰোধ কৰাৰ বাবে কঠোৰৰ পৰা কঠোৰতম ব্যৱস্থা ল'ব লাগে। চৰকাৰে কেনে ব্যৱস্থাৰে মূল্যবৃদ্ধি ৰোধ কৰাৰ চেষ্টা কৰিছে, সদনক অৱগত কৰা উচিত। এইটো আছিল মোৰ বিষয়।

মাননীয় উপাধ্যক্ষ মহোদয়, এতিয়া যিধৰণে মূল্যবৃদ্ধি হৈছে, এগৰাকী গৃহিনীৰ বাবে যি পাক ঘৰটো মেনেজ কৰে, তেওঁৰ কাৰণে এতিয়া মুল্য বৃদ্ধিটো মূৰৰ কামোৰনিত পৰিনত হৈছে। পৰিয়ালৰ ভিতৰত কাজিয়া পেচাল বৃদ্ধি পাইছে। দোকানত গৈ বাজেট মিলোৱাৰ কাৰণে দহবাৰ ভাবিবলগীয়া হৈছে। এক পেকেট বিস্কুত ২০১৫ চনত ১৫ টকা আছিল, এতিয়া ৪৫ টকা হৈছে। সন্তানৰ টিফিনত দিয়া সৰু কেক এটা আনিবৰ কাৰণে যেতিয়া দোকানলৈ যায় তেতিয়া ভাবিবলগীয়া হৈছে যে কোনটো কেক কিনিম। আটাইতকৈ প্ৰভাৱ পৰিছে নিম্ন পৰ্য্যায়ৰ লোক সকলৰ। তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী, ড্ৰাইভাৰ ব্যক্তিগত প্ৰতিষ্ঠানৰ কৰ্মচাৰী, দিন হাজিৰা কৰা লোক সলক, দোকানী, ফাৰ্মাচিষ্ট, ৰিক্সাৱালা, মিস্ত্ৰি, বেপাৰী, খেতিয়ক, নাৰ্চ, চিকিউৰিটি কৰ্মী, শ্ৰমিক আদি সকলো বিলাকৰ ওপৰত এনেকুৱা ধৰণৰ হেঁচা পৰিছে যে মানুহে ভাবিবলৈ লৈছে আমি বাচি আছো কিন্তু জীয়াই আছো নে? অধ্যক্ষ মহোদয় মই কেইটামান বস্তুৰ তালিকা পাঠ কৰি দিম যিটো আমাৰ ৰিচাৰ্চ টীমে তৈয়াৰ কৰিছিলে । ৰিচাৰ্চ টীমে তৈয়াৰ কৰা অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি-

| | |
|---|---|
| ৮ মাৰ্চ, ২০১৪ | ৮ মাৰ্চ,২০২৩ |
| পেট্ৰ'ল- ৭২.৫১ টকা | ৯৭.৪৫ টকা |
| ডিজেল- ৫৮.৪০ টকা | ৮৮.৭২ টকা |
| এল পি জি চিলিণ্ডাৰ- ৪৪৮ টকা | ১১৫২ টকা |
| ৰড- দুৰ্গাপুৰ- ২৯০০ টকা | ৭৪০০-৭৬০০ টকা |
| কামধেনু- ২৯০০ টকা | ৭৪০০-৭৬০০ টকা |
| চিমেন্ট- টপচেপ ৩০০-৩২০ টকা | ৫০০-৫৫০ টকা |
| ডালমিয়া ৩০০-৩২০ টকা | ৫০০-৫৫০ টকা |

| | |
|---|---|
| ষ্টাৰ চিমেন্ট ৩০০-৩২০ টকা | ৫০০-৫৫০ টকা |
| ইটা (প্ৰতি চপৰা) ৪-৫ টকা | ১২-১৪ টকা |
| বালি (প্ৰতি চি এম) ৫০০-৮০০ টকা | ১৪০০-২২০০ টকা |
| পাথৰ (প্ৰতি চি এম) ১০০০-১২০ টকা | ২২০০-২৫০০ টকা |

গতিকে এইটো সাংঘাটিক ধৰণৰ মূল্য বৃদ্ধি সংঘটিত হৈছে । অধ্যক্ষ মহোদয় ইতিমধ্যে দেখা গৈছে যে ৰিচাৰ্চ গ্ৰুপ বিলাকে দেখুৱাইছে ২০১৪ চনত এজন মানুহে খাদ্যবস্তুৰ কাৰণে এশ টকা খৰচ কৰিছে আজি 2023 চনত সেই বস্তুৰ দাম ১৭০ টকালৈ বৃদ্ধি পাইছে । অধ্যক্ষ মহোদয়, এতিয়া সেই কাৰণে আমি ক'ব খুজিছো যে এই মূল্যবৃদ্ধি ৰোধ কৰিব লাগে । মূল্যবৃদ্ধি ৰোধ কৰাৰ ক্ষেত্ৰত আমি দেখিবলৈ পাইছো যে বস্তুৰ দাম বাঢ়িলেও আমাৰ অসুবিধা ন'হলহেতেনে যদিহে কৰ্মচাৰী সকলৰ ডি এ বাঢ়ে কিন্তু সেইটো পৰ্য্যাপ্ত নহয় । কিন্তু আমাৰটো একো নাবাঢ়ে । অধ্যক্ষ মহোদয় মই নিজেই চেষ্টা কৰিছো, গৱেষণা কৰি গোটেই বস্তুখিনি বিচাৰ কৰিবৰ কাৰণে তেতিয়া দেখিছো ভাৰতৰ কনজুমাৰ প্ৰাইচ ইনডেক্স ফেব্ৰুৱাৰী ২০২৩ তাৰিখত ৬.৪৪ আৰু এপ্ৰিল ২০২৩ তাৰিখত ৭.৭৯ অৰ্থাৎ মুদ্ৰাস্ফিতি ইমান বৃদ্ধি পাইছে তাৰ বিপৰীতে কিন্তু আমাৰ মানুহৰ হাজিৰা বৃদ্ধি পাইছে খুব বেছি এই সময়খিনি ৩.৭ শতাংশ, ফাৰ্ম বা ন'ন ফাৰ্ম, বা এগ্ৰিকালচাৰ ফাৰ্মাৰ বিলাকৰ আনকি ০.০২ শতাংশ। অধ্যক্ষ মহোদয় অত্যাৱশ্যকীয় সামগ্ৰী আইনত সলনি কৰি পেলোৱা হ'ল । তাৰ পৰা বহুত বস্তু আনলিষ্টেড কৰি দিয়া হ'ল । যাৰ কাৰণে সাংঘাটিক ধৰণে মূল্যবৃদ্ধি হৈছে । আমি দেখিছো যে ১৯-১০-২০১৪ তাৰিখে দিনা ডিজেলক ডি-কম্পোনেন্ট কৰি দিয়া হ'ল । বজাৰৰ ওপৰত নিৰ্ভৰ কৰি ডিজেলৰ দাম বৃদ্ধি কৰি দিয়াৰ অনুমতি দিয়া হ'ল । যাৰ কাৰণে আজি সাংঘাটিক ধৰণে বস্তুৰ দাম বাঢ়িছে । আজিৰ দিনটোত যদি চৰকাৰে পেট্ৰল আৰু ডিজেলত লৈ থকা যিটো এক্সাইচ ডিউটি আৰু অসম চৰকাৰে লৈ থকা ভেট কমাই দিয়ে । তেতিয়হ'লে সকলো সামগ্ৰীৰ মূল্য হ্ৰাস হ'ব । এতিয়া আৰু মানুহ জীয়াই থকাটো সম্ভৱপৰ নহয় । সাংঘাটিক ধৰণে প্ৰেচাৰ পৰিছে মধ্যবিত্ত শ্ৰেণীৰ লোকৰ ওপৰত । অৰুণোদয় আৰু বিনামূলীয়া আঁচনিয়ে আমাক বচাব নোৱাৰে অধ্যক্ষ মহোদয় । গতিকে এনেকুৱা পৰিস্থিতিত মই অনুৰোধ কৰিছো চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰি মূল্যবৃদ্ধিক হ্ৰাস কৰাৰ ব্যৱস্থা গ্ৰহণ কৰক । ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া ।

**শ্ৰী ৰণজিৎ কুমাৰ দাস, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, মই পোন প্ৰথমতে অখিল গগৈ ডাঙৰীয়াৰ এটা শব্দ পোন প্ৰথমে নাকচ কৰিছো । তেখেতে কৈছে যে এই মূল্যবৃদ্ধিৰ ফলস্বৰূপে জীয়াই থকাটো অসম্ভৱ হৈ পৰিছে, যিটো শব্দ কৈছে মই এইটো নাকচ কৰিছো । কাৰণ তেনেকুৱা এটা পৰিৱেশ হোৱা নাই । মই অসম চৰকাৰৰ মন্ত্ৰী, ভাৰত চৰকাৰৰ মন্ত্ৰী নহয় । গতিকে মই অসমৰ কথাখিনিৰ ওপৰতহে কথা ক'ব পাৰিম । মূল্যবৃদ্ধি বহুত প্ৰকাৰৰ আছে । মূল্যবৃদ্ধি আমি জানো ই এটা নিৰন্তৰ প্ৰক্ৰিয়া । উন্নয়নশীল দেশৰ প্ৰগতিৰ লগে লগে মূল্যবৃদ্ধি বাঢ়ি থকাটো স্বাভাৱিক । আমাৰ দায়িত্ব হৈছে যে অস্বাভাৱিক যিটো মূল্যবৃদ্ধি সেয়া ৰোধ কৰাটো আমাৰ দায়িত্ব। স্বাভাৱিক মূল্যবৃদ্ধিটো যিহেতু ইক'নোমিকচৰ থিয়'ৰিৰ লগত কথা আছে, ডিমাণ্ড এণ্ড চাপ্লাইৰ লগত কথা আছে, জনসংখ্যাৰ লগত কথা আছে । জনসংখ্যা যেতিয়া বৃদ্ধি হৈ থাকিব তেতিয়াহ'লে স্বাভাৱিকতে মূল্য বৃদ্ধি হয় । ডিমাণ্ড যেতিয়া বেছি হয় তেতিয়া স্বাভাৱিকতে মূল্যবৃদ্ধি বা হ্ৰাসৰ কথাটো আহি পৰে । গতিকে এইবোৰৰ ওপৰত নিৰ্ভৰ কৰি আজি ভাৰতবৰ্ষত মাননীয় দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই যি ধৰণে ক'ভিডৰ পিছত নিয়ন্ত্ৰণ কৰি আছে আৰু আমি এতিয়াও পঞ্চম স্থানত

আছো । বিশ্ব অর্থনীতিত যে আমি পঞ্চম স্থানত আছো সেইটো আমাৰ কাৰণে খুব এটা ভাল কথা । অত্যাৱশীয় সামগ্ৰীৰ মূল্য বৃদ্ধিক লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ লগতে মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া বা মই নিজেই খাদ্য আৰু অসামৰিক ৰোগান বিভাগৰ মন্ত্ৰী হিচাপে উদ্বিগ্নতা প্ৰকাশ কৰিছো। আৰু সেই কাৰণে প্ৰচেষ্টা এটা কৰি আছো যে আগন্তুক দিনত কিদৰে মূল্য হ্ৰাস কৰিব পাৰো বা বিকল্প এটা উলিয়াব পাৰো তাৰ কাৰণে চিন্তা-চৰ্চা চলি আছে। মোৰ দৃঢ় বিশ্বাস যে মাননীয় দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই যেতিয়ালৈকে আছে তেতিয়ালৈকে ভাৰতবৰ্ষত অন্ততঃ এই বিষয়টোৰ ওপৰত সকাহ দিব বুলি মই বিশ্বাসী। এতিয়া মই আহিম যে অখিল গগৈ ডাঙৰীয়াই যি চাউলৰ কথা, মিঠাতেলৰ কথা লিখিছে, ডিজেলৰ কথা লিখিছে , আজি ভাৰত চৰকাৰৰ এখন সমিতি আছে, সেইখন সমিতি হৈছে- প্ৰাইচ মনিটৰিং ডিভিজন। মিনিষ্ট্ৰী অৱ কনজুমাৰ এফেয়াৰচ্ এ সমগ্ৰ দেশৰ বিভিন্ন স্থানত প্ৰাইচ মনিটৰিং চেন্টাৰ কিছুমান স্থাপন কৰিছে। ঠিক তেনেদৰে আমাৰ অসমতো ২৪ খন জিলাত তেনেকুৱা প্ৰাইচ মনিটৰিং চেন্টাৰ আছে। তেওঁলোকে ৰাতিপুৱা আৰু সন্ধিয়াৰ ভাগত কি সামগ্ৰীৰ কিমান দাম, খুচুৰা আৰু হ'লচেলত কিমান দাম সেইখিনি তেওঁলোকে সংগ্ৰহ কৰে । ভাৰতবৰ্ষৰ সকলো ঠাইৰপৰা সংগ্ৰহ কৰি সন্ধিয়া ৬ বজাত মিনিষ্ট্ৰী অৱ কনজুমাৰ এফেয়াৰচ্ এ এখন তালিকা প্ৰকাশ কৰে । সেই তালিকাখন যদি আমি চাঁও চাউলৰ ক্ষেত্ৰত- গুৱাহাটী-৩৩ টকা, পাটনা-৪০ টকা,কলিকতাত-৪২ টকা, মুম্বাই-৩৫ টকা, দিল্লী-৩৯ টকা, চণ্ডীগড়-৩৮ টকা, বাংগালুৰু-৫৪ টকা, গুৱাহাটী-৫৪ টকা, হায়দৰাবাদত-৫৩ টকা। গতিকে এই কেইখন চিটিৰ তুলনাত আমি এতিয়াও অসমত ইমান কমত পাই আছো।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** চাউলটোৰ নামটো কি জানিব খুজিছো।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (খাদ্য আৰু অসামৰিক যোগান মন্ত্ৰী) ঃ** আমাৰ যিটো সৰ্বসাধাৰণ মানুহে বা কোনোবাই branded চাউল খায়, কোনোবাই ২০০ টকীয়া চাউল খায় সেইটো আমাৰ lookout নহয়। সেইটো ৫০০ নহয় হাজাৰ টকা বৃদ্ধি হ'লেও আমাৰ lookout নহয়। সাধাৰণতে আমি যিটো চাউল খাঁও সেই চাউলটোৰ কথা মই কৈছো আৰু বাকী যিকেইটা চাউল সেই একে চাউল। দিল্লী বা মোম্বাইতো একে চাউলৰ rate দিছে। আপুনি এইটো ক'লে আপুনি আকৌ তেলটোৰ নামটো সুধিব, সেইটো Mustered Oil. Mustered oil যোৱা ৩ এপ্ৰিলত, mustered oil গুৱাহাটীত আমি পাই আছো ১৫৫ টকা। যদি আপুনি branded ২০০ টকা, ১৮০ টকা কয়, সৰ্বসাধাৰণ মানুহে যিটো mustered oil ব্যৱহাৰ কৰো বা মই যিটো ব্যৱহাৰ কৰো সেই তেলটো আমি পাই আছো ১৫৫ টকাত। যোৱাকালি ১৫৫ টকা মাৰ্কেটত আছিল তাৰ বিপৰীতে আপুনি যদি চাই, চণ্ডীগড়ত ১৭৬ টকা, অমৃতসৰত ২০৮ টকা, কানপুৰত ১৭০ টকা, এলাহাবাদত ১৫৮ টকা, ভূপালত ১৬৫ টকা, নাছিকত ১৯৭ টকা, মুম্বাইত ১৬১ টকা, চিলিগুৰিত ১৬১ টকা, আগৰতলাত ১৬০ টকা, বেংগলুৰুত ১৭৬ টকা, চেন্নাইত ১৭৭ টকা, হাইদৰাবাদত ১৬৪ টকা। সৰিয়হ তেলৰ ভিতৰতো আমাৰ অসমত কিন্তু মানুহক কম ৰেটত খোৱাই আছো। মাননীয় উপাধ্যক্ষ মহোদয়, ডিজেলৰ কথা কৈছে, মই আজি ৰাতিপুৱা চেক কৰি আহিছো। মই ৰাতিপুৱা তেল ভৰাই আনোতে আচল ৰেটতো কিমান পাইলটৰ পৰা জানিছো । ডিজেল অসমত কিনি আছো ৯৬ টকা ১ পইচা। ইয়াৰ বিপৰীতে যদি চাঁও, চণ্ডীগড়ত ৯৬.২ টকা, গুজৰাটত ৯৬.৩ টকা, আগ্ৰাত ৯৬.৩৫ টকা, আহমদাবাদত ৯৬.৪২ টকা, এলাহাবাদত ৯৬.৬৫ টকা, হাৰিয়ানাত ৯৭.৩৩ টকা, হিমাচলত ৯৭.৫৮ টকা, ঝাৰখণ্ডত ৯৯.৮ টকা, জম্মু-কাশ্মীৰত ৯৯.৮ টকা, বেংলুৰুত ১০১ টকা ৯ পইচা, চণ্ডিগড়ত ১০২ টকা ৪ পইচা, চেন্নাইত ১০২ টকা ৬ পইচা,

ভূৱনেশ্বৰত ১০৩ টকা ১ পইচা, বিহাৰত ১০৭ টকা ২ পইচা, ভূপালত ১০৮ টকা ৬ পইচা, অন্ধ্ৰপ্ৰদেশত ১১০ টকা ৪ পইচা আৰু ঔৰংগাবাদত ১১২ টকা ৯ পইচা। আজি মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়ানী বা মাননীয় মুখ্যমন্ত্ৰী মহোদয় থাকিলে নিশ্চয় গম পালেহেঁতেন আমি অসমত ইমান কমকৈ কিয় দি আছো। গোটেই ভাৰতবৰ্ষৰ ভিতৰত অসমত আটাইতকৈ কম। মই অসমৰ প্ৰেক্ষাপটৰ কথাটো কৈছো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই আমাৰ কেবিনেটতে হওক বিভিন্ন সময়ত কৈছে যে, অসমৰ মানুহে যাতে দিল্লীতকৈ বেছি দামত তেল কিনিবলগীয়া নহয়। তাৰ কাৰণে VAT Tax যি কমাব লগীয়া আছে, সকলোখিনি কমাই দিছো। গতিকে এইটোৰ কাৰণে আপুনি এবাৰ প্ৰসংশা কৰিব লাগিছিল আৰু এইখন মই বনোৱা লিষ্ট নহয়। এইখন ভাৰত চৰকাৰৰ লিষ্ট আৰু এইখন লিষ্ট যদি মিছা, তেতিয়াহ'লে আপুনি challenge কৰিব পাৰে। এইটো ঠিক যে মই আপোনাক ৰন্ধন গেচৰ কথাটো admit কৰিছো। সেইটো যিহেতু আমাৰ বিভাগে নাচায়। সেইটো যিহেতু ONGC য়ে চায় ৰন্ধন গেছৰ ব্যৱস্থাতো আমাৰ লগত সম্পৰ্ক নাই। বাকী অন্যান্য সামগ্ৰী, মই খাদ্য সামগ্ৰীৰ কথা ক'লোৱেই, আপুনি যদি তালিকাখন চায়। যিহেতু আমি আলু আৰু পিয়াজৰ কথা কঁও, আলু আৰু পিয়াজ গুৱাহাটী বজাৰত আলু ১৪ বা ১৫ টকা। তাৰে বিপৰীতে ২৮ টকা হৈছে নাছিকত। এইটো চৰকাৰে যিটো কৈছে । ভাল যিটো quality. গতিকে অসমত মূল্যবৃদ্ধি হোৱা নাই।

**(সদনত মাননীয় অধ্যক্ষ মহোদয়)**

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** তাৰমানে চৰকাৰী পক্ষ মতে মূল্যবৃদ্ধিটো কম হৈ আছে।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (খাদ্য আৰু অসামৰিক যোগান মন্ত্ৰী)ঃ** ভাৰতৰ তুলনাত আমি কমকৈ দি আছো।

**মাননীয় অধ্যক্ষ ঃ** হ'ব। ঠিক আছে। মাননীয় সদস্যসকল, মাননীয় মন্ত্ৰী ডাঙৰীয়াই reply দি আছে।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (খাদ্য আৰু অসামৰিক যোগান মন্ত্ৰী) ঃ** এইটো হৈ আছে কিয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই দায়িত্ব লোৱাৰ পিছত যিমান পূৰ্বতে সামগ্ৰী আহিছিল প্ৰত্যেক সামগ্ৰী ট্ৰাকৰ পৰা চিণ্ডিকেটৰ জৰিয়তে পইচা লৈছিল। সেই ব্যৱস্থাটো নাই কাৰণে আজি মূল্যবৃদ্ধি হোৱা নাই।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই তালিকা বনাইছিলো সেইখন লে' কৰিব পাৰিম নেকি?

**মাননীয় অধ্যক্ষ ঃ** দি দিয়ক।

**শ্ৰীৰকিবুল হুছেইন, (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াই যিখিনি কথা ক'লে সেইখিনিতে আমাৰ আপত্তি আছে। তেলৰ দামটো সৰ্বভাৰতত যেনেধৰণে হৈছে, যেতিয়া আন্তৰ্জাতিকভাৱে বজাৰত ১ ডলাৰৰ দাম ১২৭ ডলাৰ আছিল, তেতিয়া দাম আছিল ৫৬ টকা। এতিয়া ৬৯ হৈছে, তেতিয়া দাম হৈছে ৯০ টকা। সেই কথাটোকে আন্তৰ্জাতিকভাৱে যেতিয়া বাঢ়িছিল তেতিয়া কমিব বুলি কৈছিল। সেই কাৰণে কৈছো বেলেগ ৰাজ্যৰ লগত ৰিজাব খোজা নাই। সৰ্বভাৰতত বাঢ়িছে। ৪ শ টকা গেছৰ দাম।

**মাননীয় অধ্যক্ষ ঃ** হ'ব। সৰ্বভাৰতৰ কথা তেখেতে ক'ব নোৱাৰিব।

**শ্ৰীৰণজিৎ কুমাৰ দাস, (খাদ্য আৰু অসামৰিক যোগান মন্ত্ৰী) ঃ** মই ভাৰতবৰ্ষৰ মন্ত্ৰী নহয়।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰীৰূপজ্যোতি কুৰ্মী।

**শ্ৰীৰূপজ্যোতি কুৰ্মী, (মৰিয়নি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২২ মাৰ্চ তাৰিখে The Sentinel

পেপাৰত অতি গুৰুত্বপূৰ্ণ এটা বিষয় 'Over Four Hundred Tea Garden yet to clear PF gratuity dues' এই শীৰ্ষক বাতৰিটো আপুনি Rule 301 ৰ অধীনত বক্তব্য ৰাখিবলৈ সুযোগ দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, নিশ্চয় আমি সকলোৱে অৱগত যে, জেইছে কৰণি, ৰেইছে ভৰণি বা কৰ্মই আমাৰ ধৰ্ম। আমি এই বিষয়টো যদি চাঁও, আমাৰ ইংৰাজীত যদি কোৱা যায়, As you sow, so shall you reap মই এটা বাৰ্তা দিব বিচাৰিছো আজি এই পৱিত্ৰ বিধান সভাত মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে বিশেষকৈ যিসকলে আমাৰ চাহ শ্ৰমিকসকলক আজি নিয়োগ কৰিছে বিভিন্ন চাহ বাগানৰ মালিক হিচাপে। মোৰ চাহ বাগানতে জন্ম আৰু মোৰ বয়স ৪৫ পাৰ কৰিছো। বাগানৰ লাইনৰ ৰাস্তাত আমাৰ মামাৰ ঘৰত ডাঙৰ-দীঘল হোৱা। এই পৰিৱেশটো আজি বহু চাহ বাগানৰ মালিক সকলে, যিসকলে প্ৰকৃতাৰ্থত চাহ বাগানৰ শ্ৰমিকক নিজৰ Service to Mankind is Service to God. মানৱসেৱাই ভগৱান ঈশ্বৰৰ সেৱা লৈ কাম কৰিছে। প্ৰকৃতাৰ্থত খুব ধুনীয়াকৈ তেনেকুৱা বাগান চলি আছে আৰু তেওঁলোকে PF Gratuity যিসকলে dues clear কৰি গৈ আছে, তেওঁলোকে তেওঁলোকৰ পৰাবাগান লৈ গৈ আছে বা তেওঁলোকৰ বাগানসমূহ খুব সুন্দৰকৈ পৰিচালিত হৈ আছে। সেই কাৰণে মই মালিক পক্ষক আহ্বান জনাম যে চাহ বাগানৰ শ্ৰমিকসকলক আপোনালোকে Service to Mankind is Service to God ভগৱানৰ সেৱা, মানৱ সেৱা এই শিতানত আপোনালোকে কাম কৰক। আমি যদি চাঁও, 1951 Tea Plantation Labour Act আছে, ইয়াৰ লগতে আমি যদি চাওঁ, PF Act 1955 আছে, ইয়াৰ লগতে অসম চৰকাৰৰ Amendement Gratuity Act 2017 আছে। বিশেষকৈ অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই দায়িত্ব লোৱাৰ পিছত মাননীয় শ্ৰম মন্ত্ৰী শ্ৰীসঞ্জয় কিষান ডাঙৰীয়াই হওক যথেষ্ট উদ্যোগ লৈছে আৰু Assam Tea Industry Special Incentive Scheme চাহ বাগানৰ মালিক পক্ষকো সকাহ দিয়াৰ বাবে আজি ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ লগে লগে আমি যদি চাঁও, অসমখনত আগতে এনে এটা পৰিৱেশ আছিল গুলী ফুটে, বোমা ফুটে, উগ্ৰপন্থীয়ে মালিক পক্ষক kidnap কৰি লৈ যোৱাৰ এটা পৰিৱেশ আছিল। বহুত টকা দি মোকলাই আনিব লাগে এনেকুৱা এটা পৰিৱেশ আছিল। আজি মালিক পক্ষই এটা সুন্দৰ পৰিৱেশ পাইছে, আজি শান্তি আহিছে অসমত। ইয়াৰ লগতে আমি যদি চাঁও, মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বাধীন আমাৰ চৰকাৰখনে আজি যদি চায়, চাহ বাগিছা ধন পুৰস্কাৰ ব্যৱস্থা গ্ৰহণ কৰিলে। ইয়াকে লৈ চাহ বাগানৰ শ্ৰমিক সকলে আগত তেওঁলোকে উৎসাহ পোৱা নাছিল, এতিয়া চৰকাৰে উৎসাহিত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। আজি আমাৰ সন্তান সকলক চাহ বাগানৰ শ্ৰমিকৰ আদৰ্শ অঙ্গনবাড়ী কেন্দ্ৰ, আজি আদৰ্শ হাইস্কুল নিৰ্মাণ কৰিয়েই হওঁক, বাগানৰ ৰাস্তা নিৰ্মাণ কৰিয়েই হওক, আজি পঞ্চ শ্বহীদৰ, শ্বহীদ সকলৰ ১৩ টা পৰিয়ালক সন্মান জনোৱাকে হওক, IMR, MMR আজি ৰোধ কৰাৰ কাৰণে হওক , ১২ হাজাৰ টকা চাহ বাগানৰ শ্ৰমিকৰ গৰ্ভৱতী মহিলা সকলক প্ৰদান কৰিছিল। সেয়াও এতিয়া ১২ হাজাৰৰ ঠাইত ১৫ হাজাৰ কৰি ব্যৱস্থা গ্ৰহণ কৰিয়েই হওক , UNICEF ৰ report ক সন্মান জনাই মহাপ্ৰভু জগন্নাথ ৰঙ্গমঞ্চ নিৰ্মাণ কৰিয়েই হওক, চাহ বাগানৰ শ্ৰমিক সকলক উৎসাহিত কৰিবৰ বাবে প্ৰেৰণা দিবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিয়েই হওক। মাননীয় অধ্যক্ষ মহোদয়, আজি অসম চাহ নিগমৰ চাহ বাগানৰ আগৰ যি 100 কোটি টকাৰ Dues আছিল, বৰ্তমান বাজেটত দিয়াৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। আজি আমাৰ মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাদেৱৰ নেতৃত্বাধীন চৰকাৰে অসম্ভৱকো সম্ভৱ কৰিছে। আজি ভাৰতৰ

স্বাধীনতাৰ ৭৫ বছৰৰ পিছতো মাটিৰ নিষ্পত্তি হোৱা নাছিল। বৰ্তমান বসুন্ধৰা আঁচনিৰ জৰিয়াতে সেই হ'বলৈ ওলাইছে। মিশ্যন ভূমিপুত্ৰৰ জৰিয়তে চাৰ্টিফিকেট দি অসম্ভৱকো সম্ভৱ কৰিছে। ১৯৫৮ চনত অহা AFSA আইন যিখন ৬৪ বছৰে চলি আছিল, সেইখন আজি ইয়াৰ পৰা উঠোৱাৰ যিটো উদ্যোগ লৈছে, এইটোৱেই অসম্ভৱকো সম্ভৱ কৰি তুলিছে। আজি যদি আমি চাঁও, আমাৰ Infant Mortality আৰু MMR ৰোধ কৰাৰ বাবে বাল্য বিবাহ আইনখন কঠোৰ ভাৱে প্ৰৱৰ্তন কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। 'War on Drugs' আগৰ চৰকাৰে Drugs ৰ বিৰুদ্ধে একো পদক্ষেপ লোৱা নাছিল। বৰ্তমানৰ মাননীয় মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাদেৱৰ নেতৃত্বাধীন চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে। এই বাতৰি কাকত খনত এই কথাটো সুন্দৰভাৱে প্ৰতিপন্ন কৰিছে যে আমাৰ মাননীয় মন্ত্ৰী সঞ্জয় কিষাণ ডাঙৰীয়াই পুলিচ কেচ দিয়াৰ পৰা আদি কৰি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু শ্ৰম মন্ত্ৰী মহোদয়ে উদ্যোগ গ্ৰহণ কৰিছে। কিন্তু মই বিচাৰিম যে তেওঁলোকে এই ক্ষেত্ৰত আৰু উদ্যোগ লয়। বিশেষকৈ আমাৰ শ্ৰমিক এজনে যেতিয়া কল ঘৰত বা চাহ উদ্যোগত কাম কৰে ১২ শতাংশ তেওঁলোকৰ দৰমহাৰ পৰা কাটি ৰখা হয় আৰু ১২ শতাংশ মালিক পক্ষৰ পৰা দি তেওঁলোকক পি এফ প্ৰদান কৰিব লাগে। Gratuity টো অৱসৰৰ ত্ৰিশ দিনৰ ভিতৰত প্ৰদান কৰাৰ ব্যৱস্থা কৰিব লাগে। এইখিনি যাতে নিয়াৰিকৈ চলে। বৰ্তমানৰ চৰকাৰে যিহেতু অসম্ভৱকো সম্ভৱ কৰিব পাৰিছে, তেওঁলোকে এই ক্ষেত্ৰতো পদক্ষেপ গ্ৰহণ কৰিব পাৰিব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**শ্ৰী সঞ্জয় কিষাণ, (মন্ত্ৰী, শ্ৰম ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াক ধন্যবাদ জনাইছো যে শ্ৰমিকসকলক লৈ 301ত, 'The Sentinel' বাতৰি কাকতখনে যি বাতৰি কাকত প্ৰকাশ কৰিছে, তাৰ ওপৰত তেখেতে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। মই আপোনাৰ জৰিয়তে আজি সদনক জনাব বিচাৰো যে অসমৰ বিভিন্ন চাহ বাগিচা/কলঘৰত কাম কৰা শ্ৰমিক কৰ্মচাৰীসকলৰ অৱসৰৰ পিছত তেওঁলোকক ভৱিষ্যনিধিৰ ধন পৰিশোধ কৰাটো এটা ধাৰাবাহিক প্ৰক্ৰিয়া। মই ইয়াৰ আগতো এই সদনত বিষয়টো অৱগত কৰিছিলো। এইসকল শ্ৰমিক কৰ্মচাৰীৰ ভৱিষ্যনিধিৰ দাবীসমূহ বাগিচাৰ পৰা ভৱিষ্যনিধিৰ কাৰ্য্যালয়ত দাখিল কৰাৰ মাত্ৰ পোন্ধৰৰ পৰা ত্ৰিশ দিনৰ ভিতৰতে নিষ্পত্তি কৰা হয় আৰু ধনসমূহ তেওঁলোকক আদায় দিয়া হয়। এইটো এটা ধাৰাবাহিক প্ৰক্ৰিয়া। 'The Sentinel' বাতৰি কাকতখন কেৱল অসমেৰে নহয়, ভাৰতবৰ্ষৰ এখন জনপ্ৰিয় বাতৰি কাকত। কিন্তু চাহবাগিচাৰ কিছুমান তথ্য বাতৰি কাকতসমূহে ভালকৈ অধ্যয়ণ নকৰাকৈ বাতৰি প্ৰকাশ কৰিছো। যিটো অতি দুখজনক আৰু দুৰ্ভাগ্যজনক। মই এই সদনতে চাৰি শ মানুহৰ Gratuity আৰু পি এফ ৰ ধনৰ বিষয়ে প্ৰকাশ কৰিছিলো। প্ৰকৃততে অসমত প্ৰায় দহ লাখতকৈ অধিক চাহ শ্ৰমিক আৰু কৰ্মচাৰীয়ে চাহবাগানত কাম কৰে। তেনেক্ষেত্ৰত প্ৰত্যেক মাহতে তিনি শৰ পৰা চাৰি শ মানুহৰ অৱসৰৰ পিছত তেওঁলোকৰ নথি-পত্ৰসমূহ আমাৰ মুখ্য কাৰ্য্যালয়লৈ আহে আৰু প্ৰত্যেক মাহতে আমি প্ৰায় তিনি-চাৰি শ মানুহৰ Gratuity আৰু পি এফ ৰ ধন নিষ্পত্তি কৰাৰ চেষ্টা কৰো। সেইকাৰণে যেতিয়া মই সেই চাৰি শ মানুহৰ কথা কৈছো আমি ইতিমধ্যে তেওঁলোকৰ ধন তেওঁলোকৰ একাউণ্টত জমা দিছো। আজিৰ তাৰিখত যদি মোক কোনোবাই প্ৰশ্ন কৰে তেনেহ'লে আজিৰ তাৰিখতো হয়তো তিনি-চাৰি শ মানুহে ভৱিষ্যনিধিৰ টকা পাবলৈ আছে আৰু তেওঁলোককো আমি পোন্ধৰৰ পৰা ত্ৰিশ দিনৰ ভিতৰত নিষ্পত্তি কৰিম। প্ৰকৃত কথাটো তেনেকুৱা। মই সদনক জনাব বিচাৰিছো যে চাৰিশ খন বাগিচাৰ ১,৮৪৬ গৰাকী শ্ৰমিক-কৰ্মচাৰীয়ে

ভৱিষ্যনিধিৰ ধন নোপোৱাৰ বাতৰিটো কৰ্তৃপক্ষৰ দৃষ্টিগোচৰ হৈছে। ১,৮৪৬ গৰাকী শ্ৰমিক-কৰ্মচাৰীৰ সেই দিন পৰ্য্যন্ত ভৱিষ্যনিধিৰ ধন নিষ্পত্তি কৰাৰ বাবে বিভাগীয় প্ৰক্ৰিয়া চলি আছে আৰু ইতিমধ্যে তেওঁলোকৰ ভৱিষ্যনিধিৰ দাবীসমূহ নিষ্পত্তি কৰা হৈছে আৰু ব্যক্তিগত বেংক একাউণ্টৰ যোগেদি তেওঁলোকে ধন লাভ কৰিছে। সেয়েহে এই ক্ষেত্ৰত কোনো পি এফ আইন ভংগ হোৱা বা কোনো মানৱ অধিকাৰ খৰ্ব হোৱা নাই আৰু গতিকে আইন-শৃঙ্খলাৰ পৰিস্থিতিৰ অৱনতি ঘটাৰ কোনো অৱকাশ নাই। এই কথাখিনি মই সদনত স্পষ্ট কৰিব খুজিছো। বাগিচাৰ Gratuity ৰ দাবী নিষ্পত্তি কৰাৰ ক্ষেত্ৰত Payment of Gratuity Act, 1972, বলৱৎ হৈ আছিল। কিন্তু Gratuity দাবী নিষ্পত্তি কৰণত অসমৰ বহু সংখ্যক চাহ বাগিচাই এই আইন সম্পূৰ্ণৰূপে বলৱৎ নকৰাত Assam Gratuity Act, প্ৰৱৰ্তন কৰা হয়। যোৱা চৰকাৰৰ সময়ত এই ব্যৱস্থা আছিল যদিও চৰকাৰে সঠিক ব্যৱস্থা লোৱা নাছিল। তাৰ পিছত যেতিয়া আমাৰ চৰকাৰ আহিল তেতিয়া Assam Gratuity Act, প্ৰৱৰ্তন কৰি 2017 চনৰ 29 জুলাইৰ অসম চৰকাৰৰ অধ্যাদেশ অনুসৰি 2019 চনৰ এপ্ৰিল মাহৰ পৰা Assam Gratuity Act, খন অসম শ্ৰমিক ভৱিষ্যনিধি সংগঠনে কাৰ্য্যকৰী কৰি আহিছে। 2017 চনৰ 19 জুলাইৰ পিছত এই আইনখন কাৰ্য্যকৰী কৰিবলৈ যাওঁতে বাগিচাসমূহত এক বৃহৎ সংখ্যক Gratuity ৰ ধন অনাদায় হৈ থকা পৰিলক্ষিত হয়। এই কথাটো মই পুনৰ ক'বলৈ বিচাৰিছো যে আমাৰ মাননীয় সদস্য ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই যিদৰে কৈছে যে সঁচাকৈয়ে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত বা আমাৰ চৰকাৰ অহাৰ পিছত কৃষক, খেতিয়ক, শ্ৰমিক সকলোৰে কাৰণে অতি আন্তৰিকতাৰে কাম কৰিছে। যোৱা চৰকাৰৰ দিনত প্ৰায় 1,18,567 জন মানুহৰ Gratuity পৰিশোধ কৰা নাছিল। সেয়েহে ভৱিষ্যনিধিৰ বিভাগে অতি কম সময়ৰ ভিতৰত এই আইনখন তৎকালীনভাৱে বলৱৎ কৰি ইতিমধ্যে 29 জুলাই, 2017 চনৰ পূৰ্বে অনাদায় হৈ থকা প্ৰায় 36,605 গৰাকী অৱসৰ প্ৰাপ্ত শ্ৰমিক-কৰ্মচাৰীক Gratuity ৰ ধন আদায় দিয়াৰ ব্যৱস্থা কৰা হয়। বৰ্তমানে 23,422 সংখ্যক Gratuity ৰ দাবী নিষ্পত্তি কৰিবলৈ বাকী আছে। ইয়াৰে 3,040 টা দাবী অসম চৰকাৰে দিবৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। ইয়াৰোপাৰি 2,039 সংখ্যক দাবী NCLT ক নিষ্পত্তি কৰণৰ বাবে দাবী উত্থাপন কৰা হৈছে। সম্প্ৰতি বাকী থকা Gratuity ৰ দাবী নিষ্পত্তি কৰিবলৈ বিহীত বিভাগীয় ব্যৱস্থা লোৱা হৈছে আৰু পৰ্য্যায়ক্ৰমে দাবীসমূহ নিষ্পত্তিৰ ব্যৱস্থা কৰা হৈছে। সেয়েহে যদিও বা Gratuity ৰ আইন কোনো কোনো বাগিচাই উলংঘা কৰিছে, ইয়াক পৰ্য্যায়ক্ৰমে বলৱৎ কৰাৰ ব্যৱস্থা কৰা হৈছে। গতিকে এই ক্ষেত্ৰত মানৱ অধিকাৰ খৰ্ব হোৱা বা আইন শৃঙ্খলা পৰিস্থিতি অৱনতি হোৱা কোনো আশংকা নাই। এইখিনিতে উল্লেখ কৰা প্ৰয়োজন যে ডিব্ৰুগড় জিলাৰ কামিনী চাহ বগিচা আৰু চৰাইদেউ পৰ্বত চাহবাগিচা খন ইতিমধ্যে খোলা হৈছে আৰু স্বাভাৱিক কাম-কাজ আৰম্ভ কৰা হৈছে। গোলাঘাট জিলাৰ বগীধলা চাহবাগিচা খনৰ বিষয়টো বৰ্তমান মহামান্য গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বিচৰাধীন হৈ আছে। বাতৰিত প্ৰকাশ পোৱাৰ দৰে ভৱিষ্যনিধিৰ ধন আদায় দিয়াত বহু পলম হোৱাৰ বাতৰিটো সত্য নহয়। ভৱিষ্যনিধিৰ ধন আদায় দিয়াটো এটা ধাৰাবাহিক প্ৰক্ৰিয়া আৰু পুনৰ মই এই কথাটো ক'ব বিচাৰিছো। প্ৰায় 1,200 বাগিচাৰ পৰা দৈনিক এশৰ পৰা ডেৰ শ বাগিচা গড়ে প্ৰায় তিনি শ দাবী বিভাগত নিষ্পত্তিকৰণৰ বাবে দাখিল হয়। মই এইটো পুনৰ কৈছো এইটো ধাৰাবাহিক আৰু প্ৰায়ভাগ জিলাৰ পৰা আমাৰ মুখ্য কাৰ্য্যালয়লৈ অৱসৰ লোৱা শ্ৰমিক সকলৰ নথি-পত্ৰ আহি থাকে। এইসকল শ্ৰমিক কৰ্মচাৰীৰ ভৱিষ্যনিধিৰ দাবীসমূহ বাগিচাৰ পৰা ভৱিষ্যনিধিৰ কাৰ্য্যালয়ত দাখিল কৰাৰ মাত্ৰ পোন্ধৰৰ পৰা ত্ৰিশ দিনৰ ভিতৰতে নিষ্পত্তি কৰা হয় আৰু ধনসমূহ তেওঁলোকক

আদায় দিয়া হয়। গতিকে মই এই কথাখিনি অৱগত কৰিলো যে আমাৰ চৰকাৰে অতি আন্তৰিকতাৰে শ্ৰমিক ৰাইজৰ বাবে কাম কৰি আহিছে আৰু আপোনালোকে জানে যে এইবাৰ বাজেটত চাহ শ্ৰমিক সকলৰ কাৰণে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছে। গতিকে আশা কৰিছো যে আগন্তুক দিনত চাহ বাগানৰ ৰাইজ আৰু শ্ৰমিক সকলে অধিক শক্তিশালীভাৱে আমি যিখিনি পদক্ষেপ গ্ৰহণ কৰিছো তাৰ পৰা লাভান্বিত হ'বৰ বাবে সক্ষম হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া ড° আছিফ মোঃ নজৰ ডাঙৰীয়াই কওঁক।

**ড° আছিফ মহম্মদ নজৰ, (লাহৰীঘাট)ঃ** মাননীয় অধ্যক্ষ মহোদয়, লাহৰীঘাট সমষ্টিৰ শিক্ষা খণ্ডৰ ওপৰত হোৱা দুৰ্নীতিৰ সম্পৰ্কে Rule 301 ত উত্থাপন কৰিবলৈ দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। লাহৰীঘাট শিক্ষা খণ্ডত Block Elementary Education Officer (BEEO) গৰাকীৰ ওপৰত বিভিন্ন ধৰণৰ দুৰ্নীতিৰ অভিযোগ আহিছে। বহুত শিক্ষকে মোৰ ওচৰত আহি এই অভিযোগ উত্থাপন কৰিছে। কেইদিনমান আগত কেইটামান local news channel ত তেখেতৰ বিৰুদ্ধে এটা news উত্থাপন হৈছিল যে কেইখনমান এল.পি.স্কুলত BEEO ডাঙৰীয়াই নিজেই সভাপতি হৈ পৰিচালনা কৰি আছে, সেই স্কুলকেইখন হ'ল- পটুৱাকটা এল.পি.স্কুল, হাহচৰাবৰি এল.পি.স্কুল, বৰথল কছাৰীগাঁও এল.পি.স্কুল, আৰু খৰিকটা এল.পি.স্কুল। সেয়েহে, মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক জনাব বিচাৰো যে যিকেইখন স্কুলত তেখেতে পৰিচালনা সমিতিৰ সভাপতি হিচাপে চলাই আছে, তাত বহু ধৰণৰ fund, যেনে uniformৰ বাবে, Additional Class room ৰ বাবে আৰু mid day meal ৰ বাবে fund আহে, এইবোৰৰ ওপৰত মই বিভিন্ন ধৰণৰ গোচৰ পাইছো। জানিব পৰা মতে তেখেতে ডেৰ বছৰৰ ওপৰ ধৰি এইকেইখন স্কুলত সভাপতি হিচাপে কৰ্মৰত হৈ আছে। মই খবৰ পাই যেতিয়া BEEO ডাঙৰীয়ানীক প্ৰশ্ন কৰিলো তেতিয়া মই জানিবলৈ পাওঁ যে শিক্ষা বিভাগৰ ২০১১ চনৰ অধিসূচনামতে যদি কোনো স্কুলত সভাপতি হ'ব লাগে তেন্তে সেই সভাপতিজন ছাত্ৰ-ছাত্ৰীৰ অভিভাৱক হ'ব লাগিব আৰু পোনপ্ৰথমে প্ৰধান শিক্ষকে অভিভাৱকজনক মাতি কমিটি বনাব। যদি কমিটিত কিবা অমিলমিল হয় তেন্তে, D.I. ক মাতি তেখেতৰ সন্মুখত voting হ'ব আৰু সেই voting ৰ আধাৰত কমিটিৰ সভাপতি আৰু উপ-সভাপতিৰ নিযুক্তি হ'ব। কিন্তু, অভিযোগ আহিছে যে এই BEEO গৰাকীয়ে প্ৰধান শিক্ষক আৰু পৰিচালনা সমিতিৰ মাজত কাজিয়াৰ সৃষ্টি কৰি এইকেইখন স্কুলত তেওঁ সভাপতি হৈ আছে। ইয়াৰোপৰি আৰু এটা কথা মই জনাব বিচাৰো যে uniform ৰ নামত এইখন চৰকাৰে ২০২২-২৩ বৰ্ষত যি টকা আৱণ্টন কৰিছিল তাৰ বাবে প্ৰত্যেকখন স্কুলত Quality Control Committee বনাব লাগে। কিন্তু, এই Quality Control Committee নবনাই BEEO ডাঙৰীয়াই direct vendor ৰ একাউণ্টত পইচা দিছে। ইয়াৰ ওপৰতো অভিযোগ আহিছে। প্ৰধান শিক্ষক বা পৰিচালনা সমিতি এই বিষয়ে অৱগত নহয়। BEEO গৰাকীয়ে নিজৰ ব্যক্তিগত দুই-এজন vendor ক পইচাৰ বিনিময়ত uniform ৰ কাম দিয়া বুলি গম পোৱা গৈছে। গতিকে, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক এইকেইটা বিষয়ত তদন্ত কৰিবলৈ অনুৰোধ জনাইছো আৰু আচল কথাটো যাতে পোহৰলৈ আনে।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, শিক্ষানুষ্ঠানৰ সংখ্যাও অনেক আৰু শিক্ষকো অনেক। কিছুমান বিষয়ক লৈ মানুহ হাই কোৰ্ট পৰ্যন্ত পায়। তাৰ বাবে আমাৰ শিক্ষা

বিভাগৰ অধীনত প্ৰায় দুই হাজাৰৰো অধিক কোৰ্ট কেচ আছে। কেতিয়াবা কেতিয়াবা এনে কোনো বিবাদমান বিষয়ক লৈ বা কোনো বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ পদটোক লৈ যেতিয়া বিবাদমানৰ সৃষ্টি হয়, তেতিয়া শিক্ষা বিষয়াক সেই প্ৰধান শিক্ষক বা অধ্যক্ষৰ পদটো চম্ভালিবৰ বাবে দায়িত্ব দিয়া হয়। একে ধৰণে, যেতিয়া বিদ্যালয়ৰ SMC বা SMDC ৰ সভাপতিক লৈ বিষয়টো বিবাদমান হৈ পৰে, ৰাইজৰ মাজত বাদ- প্ৰতিবাদ হয়, তেতিয়া তেনে SMC বা SMDC ৰ সভাপতিৰ দায়িত্বও শিক্ষা বিষয়াই গ্ৰহণ কৰে। মাননীয় বিধায়কগৰাকীয়ে নিজেই উল্লেখ কৰিছে যে BEEO গৰাকীয়ে কাজিয়াখন লগায়। এতিয়া কাজিয়াখন লাগে নে লগায় এই বিষয়টোৰ আমি এটা সিদ্ধান্তত আহিব নোৱাৰিম। কিন্তু, কাজিয়া এখন থকাৰ কথাটো সঁচা। সেই কাজিয়াখন থকাৰ কাৰণে উল্লেখিত চাৰিখন বিদ্যালয়ত SMC ৰ সভাপতিৰ দায়িত্ব শিক্ষা খণ্ড উন্নয়ন বিষয়াই পালন কৰিছিল। কিন্তু, ইতিমধ্যে আমাৰ তৰফৰ পৰা নিৰ্দেশ গৈছে যে- পটুৱাকটা এল.পি.স্কুল, খৰিকটা এল.পি.স্কুল, বৰথল-কছাৰীগাওঁ এল.পি.স্কুল আৰু হাহচৰাবৰি এল.পি. স্কুল, এই চাৰিখন স্কুলৰ কমিটি কেইখন ভংগ কৰা হৈছে। অহা ১০ তাৰিখৰ ভিতৰত ৰাজহুৱা সভা, stakeholder, য'ত অভিভাৱকসকল থাকিব, তেওঁলোকৰ উপস্থিতিত নতুন কমিটি গঠন কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। মই ভাৱো যে এইবাৰ কাজিয়া নোহোৱাকৈ এই বিদ্যালয়কেইখনত যাতে SMC গঠন হয় তাৰ বাবে বিধায়ক ডাঙৰীয়াইও সহযোগিতা আগবঢ়াব। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ থাকিল।

**ড° আছিফ মহম্মদ নজৰ, (লাহৰীঘাট)ঃ** অধ্যক্ষ মহোদয়, Uniform ৰ ওপৰত যিটো হৈ আছে যে নিজৰ personal vendor ক কামবোৰ দিয়া হৈছে আৰু Quality Control Committee ও বনোৱা হোৱা নাই। কোনো পৰিচালনা সমিতিয়ে এই বিষয়ে অৱগত নহয়। গতিকে, এই ক্ষেত্ৰত আপুনি যদি কিবা এটা পদক্ষেপ লয়, তেন্তে বহুত ভাল লাগিব।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)ঃ** অধ্যক্ষ মহোদয়, Uniform ক্ৰয় কৰাৰ পইচাটো আমি SMC/ SMDC অৰ্থাৎ বিদ্যালয় পৰিচালনা সমিতিক দিওঁ। এতিয়া এইটো বিদ্যালয় পৰিচালনা সমিতিৰ দায়িত্বত থাকে যে তেওঁলোকে quotation আহ্বান কৰি, বিত্তীয় বিধিমতে vendor ৰ পৰা Uniform বিলাক ক্ৰয় কৰিব লাগে। ইয়াত শিক্ষা বিভাগৰ বা শিক্ষা বিভাগৰ বিষয়াৰ কোনো ভূমিকা নাথাকে। ইতিমধ্যে যি ধনৰাশি তেওঁলোকলৈ মুকলি কৰিবলগীয়া আছিল, এইখিনি অসম চৰকাৰে মুকলি কৰি দিছে। কিন্তু, এই মুকলি কৰি দিয়া ধনৰ বিপৰীতে Quality আৰু Quantity সঠিকভাৱে হৈছে নে নাই তাৰ কাৰণে সমগ্ৰ শিক্ষাৰ তৰফৰ পৰা ইতিমধ্যে জাননী জাৰি কৰা হৈছে যে ইয়াৰ নিৰীক্ষণ হ'ব, inspection হ'ব। প্ৰথম পৰ্যায়ত আমি ২.৫০ লাখ টকাতকৈ অধিক মূল্যৰ Uniform যিখিনি বিদ্যালয়ে ক্ৰয় কৰিছে, সেই বিদ্যালয়খিনি inspection কৰিম। ইয়াৰ পিছৰ পৰ্যায়ত ১ লাখ টকাৰ পৰা ২.৫০ লাখ টকা মূল্যলৈকে যিখিনি বিদ্যালয়ে Uniform ক্ৰয় কৰিছে, সেইখিনি নিৰীক্ষণ কৰিম আৰু তাৰ পৰৱৰ্তী পৰ্যায়ত ১ লাখ টকাৰ তলত ক্ৰয় কৰা বিদ্যালয়সমূহক কৰিম। এইখিনি নিৰীক্ষণ কৰিবলৈ যাওঁতে আমি চৰকাৰৰ অন্যান্য বিভাগৰ পৰাও সহায় ল'ম। কেৱল শিক্ষা বিভাগৰ বিষয়াৰ দ্বাৰা এইখিনি inspection নহ'ব। ধৰি লওঁক, আমি এল.পি. স্কুলৰ বাবে উচ্চ শিক্ষা বিভাগৰ পৰা সহায় ল'ম, Secondary Schoolৰ কাৰণে উচ্চ শিক্ষা বিভাগ বা কাৰিকৰী শিক্ষা বিভাগৰ পৰা সহায় ল'ম। যিসকল কলেজৰ প্ৰবক্তা আছে তেওঁলোকৰো আমি সহায় ল'ম বা অসম চৰকাৰৰ অন্যান্য line department ৰ পৰা সহায় লৈ আমি third party inspection ৰ নিচিনাকৈ এই নিৰীক্ষণখিনি কৰিম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া কাৰ্যসূচী নং -৪। মাননীয় মন্ত্ৰী।

**ড° আছিফ মহম্মদ নজৰ, (লাহৰীঘাট)ঃ** অধ্যক্ষ মহোদয়, আৰু ...interruptions..

**মাননীয় অধ্যক্ষঃ** এতিয়া আৰু প্ৰশ্ন নালাগে, আপুনি উত্থাপন কৰিলে, মন্ত্ৰীয়ে উত্তৰ দিলে, হৈ গ'ল আৰু। সময় নাই। এনেধৰণৰ কথাবিলাক মন্ত্ৰী ডাঙৰীয়াক লগ ধৰি ক'ব।

**শ্ৰী পীযূষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানী শ্ৰীমতী অজন্তা নেওগৰ হৈ ২০০৫-০৬, ২০০৬-০৭,২০০৭-০৮, ২০০৮-০৯, ২০০৯-১০, ২০১০-১১, ২০১১-১২, ২০১২-১৩, ২০১৩-১৪, ২০১৪-১৫, ২০১৫-১৬, ২০১৬-১৭ আৰু ২০১৭-১৮ বিত্তীয় বৰ্ষৰ অতিৰিক্ত দাবী মঞ্জুৰী আৰু অতিৰিক্ত বিনিয়োজন সমূহৰ তালিকা সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ**Item No.5. Hon'ble Chief Minister.

**শ্ৰী পীযূষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হৈ The Annual Administrative Report of Sports and Youth Welfare Department Government of Assam for the Year 2021-22 সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** Item No.6.Shri Bimal Bora.

**শ্ৰীপীযূষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান মন্ত্ৰী শ্ৰী বিমল বৰাৰ হৈ ২০২১-২২ চনৰ Brahmaputra Cracker and Polymer Ltd. ৰ বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ**Item No.7 and 8, Hon'ble Minister Shri Ranjeet Kumar Dass.

**শ্ৰী পীযূষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় খাদ্য আৰু অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী শ্ৰী ৰণজিৎ কুমাৰ দাসৰ হৈ The Assam Food Security(Amendment) Rules, 2022 অসাধাৰণ ৰাজপত্ৰখন সদনত দাখিল কৰিলো।

মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী শ্ৰী ৰণজিৎ কুমাৰ দাসৰ হৈ The Assam Food Security(Amendment) Rules, 2022 অসাধাৰণ ৰাজপত্ৰখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ**Item No.9 and 10. Hon'ble Minister Shri Ashok Singhal.

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ২০২১-২২ চনৰ The Real Estate Regulatory Authority, Assam ৰ বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

মাননীয় অধ্যক্ষ মহোদয়, মই The Real Estate Regulatory Authority, (Self Regulatory Organization) Regulation, 2022 খন সদনত

দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ**Item No.11 Hon'ble Minister Smti. Nandita Gorlosa.

Smti. Nandita Gorlosa, Minister : Hon'ble Speaker Sir, with your permission I beg to lay the 35th Annual Report on the accounts of Assam Mineral Development Corporation Limited ,for the year 2018-19.

**মাননীয় অধ্যক্ষ ঃ**Item No.12 Hon'ble Member Shri Ramendra Narayan Kalita.

Shri Ramendra Narayan Kalita, West Guwahati : মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ ৰাজহুৱা উদ্যোগ সমুহৰ সমিতিৰ ৭৬,৭৭, ৭৮, ৭৯ আৰু ৮০ তম প্ৰতিবেদন কেইখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ**Item No.13 Hon'ble Member শ্ৰী তেৰছ গোৱালা।

**শ্ৰী তেৰছ গোৱালা,( দুলীয়াজান) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে অসম বিধান সভাৰ আবেদন সমূহৰ সমিতিৰ ৪৯ তম্ প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ**Item No.14 Hon'ble Member শ্ৰী লৰেঞ্চ ইশ্লাৰী।

**শ্ৰী লৰেঞ্চ ইশ্লাৰী, (কোকৰাঝাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ নিয়োগ পৰ্য্যালোচনা সমিতিৰ ৪৮ আৰু ৪৯ তম্ প্ৰতিবেদন দুখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** Item No.15 Hon'ble Member শ্ৰী প্ৰদীপ হাজৰিকা।

**শ্ৰী প্ৰদীপ হাজৰিকা, (আমগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ সৰ্ব্বদলীয় প্ৰতিনিধিৰ দল Group -B ৰ নামনি অসমৰ গোৱালপাৰা, বৰপেটা আৰু ধুবুৰী জিলা ভ্ৰমণৰ প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** Item No.16. "The Indian Partnership (Assam Amendment ) Bill, 2023" ৰাজভৱনৰ পৰা এটা বাণী আছে, বাণীটো হ'ল - Under the provision of Article 207(3) of the Constitution of India, I Gulab Chand Kataria recommend that "The Indian Partnership (Assam Amendment ) Bill, 2023" be taken into consideration in the Assam Legislative Assembly.

Now Hon'ble Parliamentary Affairs Minister Shri Pijush Hazarika.

**শ্ৰী পীযূষ হাজৰিকা, ( মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে বিত্ত মন্ত্ৰী সন্মানীয় অজন্তা নেওগ ডাঙৰীয়ানীৰ হৈ "The Indian Partnership (Assam Amendment ) Bill, 2023" বিধেয়কখন বিবেচনাৰ কাৰণে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱটো হ'ল -বিধেয়কখন বিবেচনা কৰাৰ কাৰণে সদনৰ সন্মতি আছেনে?

যিসকল সদস্য-সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে কওক হয়, যিসকল বিপক্ষে আছে তেখেতসকলে কওক নহয়। মই ভাৱো হয়ৰ সপেক্ষে, হয়ৰ সপেক্ষে, হয়ৰ সপেক্ষে প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া বিধেয়কখন বিবেচনাৰ বাবে দফাই দফাই লোৱা হওক। ২ নং দফাত মাননীয় সদস্য শ্ৰী হাফিজ বচিৰ আহমেদ ডাঙৰীয়াৰ লগতে তেখেতৰ সহযোগী সকলৰ নামত এটা সংশোধনী আছে।

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি "The Indian Partnership (Assam Amendment ) Bill, 2023" বিলৰ ২ নং Clause ত after proposed Sub Clause -1(III) of Clause 2 of the Proposed Bill, a new sub-Clause shall be added namely partnership farm can use the name as crown, emperor, empress, empire, emperial, king, royal, queen etc. for registration.

অধ্যক্ষ মহোদয়, আমি এইটো Amendment অনাৰ কাৰণটো হ'ল ইয়াৰ আগতে Principal Act ত এইকেইটা use কৰাটো নিষেধ আছিলে। crown, emperor, empress, empire, emperial আদি নাম partnership farm বা NGO বিলাকে দিব নোৱাৰিব। এই Principal Act টো যিহেতু বৃটিছৰ সময়ত ১৯৩৬ ত পাৰিত হৈছিল, সেই সময়ত বৃটিছসকলে যিহেতু crown বুলিলে ৰাণী, empire মানে British empire,King মানে ৰজা বুজাইছিল। এই গোটেইকেইটা শব্দ তেতিয়া লণ্ডনৰ লগত সংলগ্ন আছিল। তেওঁলোকে এই শব্দকেইটা সেই সময়ত বৃটিছক mean কৰা বুজাইছিল আৰু সেইবাবে সেই সময়ত এই শব্দকেইটা নিষেধ আছিল। এতিয়া যিহেতু দেশখন স্বাধীন হ'ল। গতিকে এই শব্দকেইটাৰ লগত contradiction হোৱাৰ কোনো সম্ভাৱনা নাই। সেয়েহে এতিয়া যদি এই শব্দকেইটা কোনোবাই partnership deal ত use কৰিব বিচাৰে তাত বাধা আহিব নালাগে। আমি এইটোৰে Amendment বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া।

**শ্ৰী পীযূষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি এইটোয়ে Amendment আনিছো। আমি ক'ব খুজিছো যে এতিয়াৰ পৰা Union, State, President, Republic, Governor এইবিলাকৰ নামত farm নহ'ব আৰু যদি কোনোবাই কৰে, বাকী নামকেইটা তেখেতলোকে যিটো ক'লে crown, emperor, empress, empire, emperial, king, royal, queen etc.এই কেইটাৰ নামত কোনোবাই যদি কৰে partnership ত কৰিব পাৰিব। আমিও সেইটোৰে amendment আনিছো।

**মাননীয় অধ্যক্ষ ঃ** Amendment টো withdraw কৰিবনে ?

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, হয়, আমি withdraw কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে কওক হয়, যিসকল বিপক্ষে

আছে তেখেতসকলে কওক নহয়। মই ভাৱো হয়ৰ সপেক্ষে, হয়ৰ সপেক্ষে, হয়ৰ সপেক্ষে ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ৩ আৰু ৪ নং দফাত কোনো সংশোধনী প্ৰস্তাৱ নাই। এতিয়া প্ৰশ্নটো হ'ল ৩ আৰু ৪ নং দফা বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে কওক হয়, যিসকল বিপক্ষে আছে তেখেতসকলে কওক নহয়। মই ভাৱো হয়ৰ সপেক্ষে, হয়ৰ সপেক্ষে, হয়ৰ সপেক্ষে ৩ আৰু ৪ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

৫ নং দফা আৰু অনুসূচীখনত মাননীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ এটা সংশোধনী আছে। মই তেখেতক সংশোধনীটো উত্থাপন কৰিবলৈ অনুৰোধ জনাইছো।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সংশোধনীটো তেনেই সাধাৰণ। এই সংশোধনীটো হ'ল আগতে ফিজ তেনেই সামান্য আছিলে, সেইবিলাক এতিয়া বৃদ্ধি কৰি ২০০০ আৰু ১০০০ কৰি দিয়া হৈছে। আগতে এইটো ১৬ অনা আছিলে। গতিকে Partnership Act এখনত এনেধৰণৰ ফিজ বৃদ্ধিটো নিশ্চয় ভাল কথা নহয়। চৰকাৰখন চাগে খুব দেউলীয়া হৈছে। সেইকাৰণে চাৰিওফালৰ পৰা পইচা তুলিবলৈ চেষ্টা কৰি আছে। আমি দেখিছো কৰবাত মটৰ চাইকেলখন লৈ ওলাই যাব নোৱাৰে, ক'ৰবাত গাড়ীখনলৈ ওলাই যাব নোৱাৰে। চাৰিওফালে কৰৰ সন্ত্ৰাস। ইয়াতো কৰৰ সন্ত্ৰাস আনিব খুজিছে। গতিকে ২০০০ টো ১০০০ টকা ফিজ কৰিবলৈ কৈছো আৰু ১০০০ টকাটো ৫০০ টকা কৰিবলৈ কৈছো আৰু আশা কৰিছো চৰকাৰে এই সংশোধনীটো আনিব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰীৰ ৰিপ্লাই ।

**শ্ৰীপীয়ুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** অধ্যক্ষ ডাঙৰীয়া যোল্ল অনাটো কেতিয়া আছিল ? যোল্ল অনাটো আজিকালি ব্যৱহাৰ নহয়। এইটো ১৯৩২ চনৰ, এইটো ১৯৩২ চনৰ পৰা এতিয়া কিমান বছৰ হ'ল ? এতিয়া দুই হাজাৰ টকা ডাঙৰীয়া, ইমান টকা নহয় । দুই হাজাৰ টকা যদি ইমান টকা হ'ল হয় , তেখেতৰ সমষ্টিত আমি দহ কোটিৰ কাম দিলেও তেখেতে কয় কাম কম পাইছো । ইমান কম টকা দিয়ে নেকি ? চৰকাৰখন দেউলীয়া নেকি? অধ্যক্ষ মহোদয় , দুই হাজাৰ টকা আজিৰ তাৰিখত বহু টকাও নহয় , মই কোৱা নাই যে মূল্যহীন বুলি, কিন্তু ইমান টকাও নহয়। দুই হাজাৰ টকা দিব পাৰে যিয়ে পাৰ্টনাৰশ্বিপ কাম কৰে । কিন্তু চৰকাৰখন দেউলীয়া নহয় । দেউলীয়া হ'লে অখিল গগৈ ডাঙৰীয়া কেনেকৈ আমাক ক'ব পাৰে যে, পি ডব্লিউ ডিৰ কাৰণে মোক আৰু টকা লাগে । ৱাটাৰ ৰিৰ্চোচৰ বাবে মোক আৰু টকা লাগে । স্কুল বনাবলৈ আৰু টকা লাগে, এম এল এ ফাণ্ডত পাঁচ কোটি টকা লাগে । গতিকে আমি দেউলীয়া নহয়।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ , আপুনি উইড্ৰ' কৰি ল'লে ?

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** মই উইড্ৰ' কৰিলো ছাৰ ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া পাঁচ নং দফা হৈ গ'ল। এতিয়া প্ৰশ্নটো হ'ল এক নং দফা পৰিসৰ, আৰম্ভণ আৰু অনুসূচীটো বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে , তেখেতসকলে কওঁক 'হয়' . ,যিসকলে বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়' । মই ভাবো 'হয়'ৰ সপক্ষে , 'হয়'ৰ সপক্ষে , 'হয়'ৰ সপক্ষে , এক নং দফা পৰিসৰ, আৰম্ভণ আৰু অনুসূচীটো বিধেয়কখনৰ অংশ হ'ল। এতিয়া মাননীয় শ্ৰীপীয়ুষ হাজৰিকা ডাঙৰীয়াই বিধেয়কখন পাৰিতকৰণৰ

বাবে উত্থাপন কৰিব ।

**শ্ৰীপীযুষ হাজৰিকা, (মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** অধ্যক্ষ মহোদয়, এতিয়া মই - The indian partnership Assam amendment Bill , 2023 বিধেয়কখন পাৰিতকৰণৰ বাবে উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই The indian partnership Assam amendment Bill , 2023 বিধেয়কখন সদনত পাৰিতকৰণৰ বাবে দাঙি ধৰিলো। যিসকল মাননীয় সদস্য-সদস্যা বিধেয়কখনৰ সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়' . ,যিসকলে বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়' । মই ভাবো 'হয়'ৰ সপক্ষে , 'হয়'ৰ সপক্ষে , 'হয়'ৰ সপক্ষে , বিধেয়কখন পাৰিত হ'ল। এতিয়া আছে , item no-17-The Assam elementary and secondary school teachers regulation of posting and transfer amendment Bill, 2023. ....... মাননীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে The Assam elementary and secondary school teachers regulation of posting and transfer amendment Bill, 2023. বিধেয়কখন বিবেচনাৰ বাবে উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল বিধেয়কখন বিবেচনা কৰাৰ সদনৰ সন্মতি আছেনে, - যিসকল মাননীয় সদস্য-সদস্যা বিধেয়কখনৰ সপক্ষে আছে , তেখেতসকলে কওক 'হয়' . ,যিসকলে বিপক্ষে আছে তেখেতসকলে কওঁক 'নহয়' । মই ভাবো 'হয়'ৰ সপক্ষে, 'হয়'ৰ স্পক্ষে , 'হয়'ৰ সপক্ষে , প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া বিধেয়কখন দফাই দফাই বিবেচনাৰ বাবে লোৱা হওঁক । ২ নং দফাত মাননীয় সদস্য শ্ৰীঅখিল গগৈ ডাঙৰীয়াৰ নামত দুটা সংশোধনী আছে ।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ আগৰ বিধেয়কখনত গুৰুত্বপূৰ্ণ সংশোধনী নাছিল কাৰণে আমি ধৰা নাছিলো, কিন্তু এই সংশোধনীটো অত্যন্ত গুৰুত্বপূৰ্ণ সংশোধনী গতিকে আমি ভাবো যে এইটোৰ ওপৰত বহল আলোচনা হোৱা দৰকাৰ । অধ্যক্ষ মহোদয় মই দফাই দফাই যোৱাৰ আগতে এটা কথা কৈ ল'ব খুজিছো যে যোৱা ০৯-০৮-২০২২ তাৰিখৰ দিনা অনলাইন যোগে অসমৰ শিক্ষকসকলৰ বদলিৰ কাৰণে চৰকাৰে আবেদন বিচাৰিছে । চৰকাৰে কৈছিল যে ১৫ হাজাৰ শিক্ষকে বদলিৰ কাৰণে আবেদন কৰিছে । এতিয়া অধ্যক্ষ মহোদয়, যোৱা সাত মাহ ধৰি শিক্ষকসকলে ৰৈ আছিলে যে, বদলি হ'ব- হ'ব । কিন্তু এতিয়া চৰকাৰে ঘোষণা কৰিছে নতুন নিযুক্তি আৰম্ভ হ'ব । বৰ্ষভিত্তিত নতুন নিযুক্তি ভৰ্তি হৈ যাব । যদি তেনেকুৱা হয় তেন্তে ভেকেন্ট পোষ্টবিলাক ব্ল'ক হৈ যাব নেকি ? যদি ভেকেন্ট পোষ্টবিলাক ব্ল'ক হৈ যায় তেন্তে যোৱা দহ বছৰ ধৰি যিসকলে ট্ৰেন্সফাৰ বিচাৰি আছিলে , দহ বছৰ ধৰি ট্ৰেন্সফাৰ নহ'ব বুলি এই এক্টত কোৱা হৈছিলে, এতিয়া সেই শিক্ষকসকলক ট্ৰেন্সফাৰ বা বদলি কৰা হ'বনে নহ'ব অধ্যক্ষ মহোদয় । সেইটো এটা প্ৰশ্নত পৰিণত হৈছে গতিকে চিংগল ট্ৰেন্সফাৰ যিটো আছে আৰু পোন্ধৰ হাজাৰ শিক্ষকৰ যিটো পেনশ্যন, সেই পেনশ্যনটো লৈ এই বিধেয়কখনত আচলতে আমি বিশেষ উদ্যোগ লোৱা নেদেখিলো। সেই কাৰণে প্ৰথমে মই এটা কথা উত্থাপন কৰি ল'ব খুজিছো যে যিসকল শিক্ষকৰ দহ বছৰ কাম কৰা হৈ গৈছে, ট্ৰেন্সফাৰ বিচাৰিছে, তেওঁলোকক প্ৰথমে অতি সোনকালে ট্ৰেন্সফাৰ কৰি দিব লাগে । যিবিলাক মেডিকেল গ্ৰাউণ্ডত ট্ৰেন্সফাৰ বিচাৰিছে তেওঁলোকক

ট্ৰেন্সফাৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে । ফেমিলি গ্ৰাউণ্ডত যিসকলে ট্ৰেন্সফাৰ বিচাৰিছে তেওঁলোকক ট্ৰেন্সফাৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে । তাকে নকৰি এতিয়া আকৌ আইন সংশোধন কৰি বেলেগ বেলেগ দফা আনে তেতিয়া মই ভাবো যে, এটা ভয়ানক ধৰণৰ খেলিমেলি সৃষ্টি হ'ব । এতিয়া মই দফা ক্ৰমে ক'ব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** নালাগে , এতিয়া এই দফাটো ক্লিয়েৰ কৰি লৈ যাঁওক।

**শ্ৰীৰকিবুল হুছেইন, (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এমেণ্ডমেন্ট মুভ কৰা নাই । প্ৰথমে amendment move কৰিব লাগিব তাৰ পিচতহে কথাবিলাক ক'ব লাগিব কাৰণ procedure টো থাকি যাব।

**মাননীয় অধ্যক্ষ ঃ** মই একেবাৰতে clause by clause লৈ যাব বিচাৰিছো । গতিকে মন্ত্ৰী ডাঙৰীয়াই ক'ব তাৰ পিচত ।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে amendment move কৰাই নাই।

**মাননীয় অধ্যক্ষ ঃ** মই আগৰ পৰাই কৈ আছো যে, অলৰেডী যেতিয়া এমেণ্ডমেন্ট আনে সেইটোকে উত্থাপন কৰা বুলি ল'লো । উত্থাপন কৰাৰ পিচত এতিয়া জেনেৰেল ডিচকাশ্যন হ'ব লাগে যিহেতু আমাৰ সময়ৰ নাটনি। একেবাৰতে ডিচকাশ্যন হৈ অনলী মুভ হ'ব । এতিয়া তেখেতে ক্লেৰিফিকেশ্যন বিচাৰিছে সেইটোৰ ওপৰত । মুভটো মই এতিয়া মাতি দিম তেওঁ মানে নে নামানে । তেতিয়া তেখেতে মুভ কৰিবনে উইড্ৰ' কৰিব যিহেতু তেখেতৰ এমেণ্ডমেন্টটো আমি এডমিট কৰিলো। তেখেতে অলৰেডী এমেণ্ডমেন্ট নোটিছ দিছে আৰু সেইটো circulate হৈ গ'ল ।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** ছাৰ , তেখেতসকলে কৈছে যে মুভ কৰা নাই ।

**মাননীয় অধ্যক্ষ ঃ** অখিল গগৈ ডাঙৰীয়া মই কৈ আছো শুনক - এই সদনৰ মজিয়াত আগতে এটা প্ৰক্ৰিয়া চলি আছিল যে একেবাৰে এমেণ্ডমেন্টটো মুভ কৰি দিয়ে । এতিয়া অধ্যক্ষ হোৱাৰ পিচত মই কৈ আছো যে যেতিয়া এমেণ্ডমেন্ট এটা চাবমিট কৰে তেতিয়া আমি সেইটো এডমিট কৰো । এতিয়া তেওঁ যদি মন্ত্ৰী ডাঙৰীয়াৰ ক্লেৰিফিকেশ্যনত চেটিছফাইড হয় তেন্তে তেওঁ উইড্ৰ' কৰিলেও কৰিব পাৰে বা অন্যথা এমেণ্ডমেন্টটো মুভ কৰিব পাৰে । আৰু মুভ কৰিলে ভোটিং হ'ব । গতিকে এতিয়া মই তেখেতৰ পৰা এমেণ্ডমেন্টৰ মুভটো লৈ আছো । তেখেতে জাষ্ট মিনিষ্টাৰৰ পৰা ক্লেৰিফিকেশ্যনহে বিচাৰিছে আদাৰৱাইজ আমি এইটোৰ ওপৰত এটা ডিচকাশ্যন দিব পাৰো । ইয়াৰ পিচত একেবাৰে মুভত লৈ যাব পাৰো ।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে কৈছে যে আমি যি Low PTR and High PTR প্ৰসংগটোত আমি PTR ratio mention কৰা নাই , তেখেতে কৈছে যে PTR ratio 30 :1 in a class room of the school. এই কথাটো মেনশ্যন থাকিব লাগে। এই ক্ষেত্ৰত মই জনাঁও যে আমাৰ PTR টো কেনেকৈ থাকিব লাগে। সেইটো শিক্ষাৰ অধিকাৰ আইন ২০০৯ চনৰ schedule ত উল্লেখ আছে । এই শিক্ষাৰ অধিকাৰ আইনখন আমি গ্ৰহণ কৰিছো তাৰ ভিত্তিত আমি ৰুল প্ৰস্তুত কৰিছো। আৰু এই আইনখনত কোৱা আছে যে আমাৰ বিদ্যালয়সমূহৰ , প্ৰাথমিক বিদ্যালয় পিটিআৰ হ'ব। 40:1 upper primary school-ত PTR হ'ব 35:1 আৰু আমাৰ অসমত এই পি টি আৰৰ সংখ্যা lower primary school- ত আছে 22:1 আৰু upper primary স্কুলত আছে 21:1 এতিয়া যিহেতু আমি ৰাষ্ট্ৰৰ শিক্ষাৰ অধিকাৰ আইনৰ অধীনত পৰিচালিত হৈ আছে আৰু চিডিউলত যিটো

পি টি আৰ দিয়া আছে সেইটোয়ে আমাৰ কাৰণে প্ৰযোজ্য হ'ব । আমাৰ ইয়াত বেলেগ পিটিআৰ মেনশ্যন কৰা প্ৰয়োজন নাই ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া আপুনি উঠাই ল'বনে ?

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** মই যিটো কথা উত্থাপন কৰিছিলো সেইটো এটা জেনেৰেল ক্লেৰিফিকেশ্যনৰ কথা আছিল । মই এতিয়াও এমেণ্ডমেন্ট মুভ কৰা নাই ।

**মাননীয় অধ্যক্ষ ঃ** নাই নাই , আপুনি আকৌ ভুল বুজি আছে । আপুনি যিটো কথা কৈছে সেইটো বিষয়ে মন্ত্ৰী মহোদয়ে উত্তৰ দিলে । এতিয়া আপুনি মুভ কৰিবনে উইড্ৰ' কৰিব। উইড্ৰ' কৰিলে কৰিব পাৰে নহ'লে মই ভোটিং খুজিম । এইটো দুই নং দফাত আছে মুভ কৰাৰ পিচত মন্ত্ৰীয়ে মানি ল'লে ল'ব নহ'লে ভোটিং হ'ব। মইতো পাছ কৰিবই লাগিব। এতিয়া আপুনি মুভ কৰিবনে ?

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** ঠিক আছে ছাৰ , মই মুভ কৰিছো । I beg to move that , I proposed that High PTR means a class room of a school where the number of teachers are more than the students as per requirement of PTR norms conforming to the PTR of 30:1 in a class room of a school should be substituated for the word. High PTR means a school where the number of students are more than the teachers as per requirement of PTR norms . I proposed that Low PTR means a class room of a school where the number of teachers are less than the students as per requirement of PTR norms confarming to the PTR of 30:1 in a classroom of school should be substituted for the word low PTR of a School where number of students are less than the teacher as requirement of PTR norms. অধ্যক্ষ ডাঙৰীয়া।

**মাননীয় অধ্যক্ষ** ঃ নাই, নাই, এতিয়া নাই আৰু আপুনি মভ কৰিলে। এতিয়া মই মাননীয় সদস্য শ্ৰীঅখিল গগৈয়ে দিয়া সংশোধনী কেইটা সদনত সন্মতিৰ কাৰণে দাঙি ধৰিলো। যি সকল মাননীয় সদস্য/সদস্যাই সংশোধনীৰ সপক্ষে আছে তেখেত সকলে কওক হয়, যি সকল মাননীয় সদস্য/ সদস্যাই সংশোধনীৰ বিপক্ষে আছে তেখেত সকলে কওক নহয়, মই ভাৱো 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে সংশোধনীকেইটা নাকচ হ'ল। এতিয়া দুই নং দফা বিধেয়কখনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য/সদস্যাই সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল মাননীয় সদস্য/সদস্যাই বিপক্ষে আছে তেখেত সকলে কওক 'নহয়', মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে দুই নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** অধ্যক্ষ ডাঙৰীয়া, ভুলকৈ দিছে, ওলোটা কৰিছে, ছাত্ৰক শিক্ষক কৰিছে, শিক্ষকক ছাত্ৰ কৰি দিয়া আছে।

**মাননীয় অধ্যক্ষ** ঃ নাই, নাই, চাওক। সন্মানীয় সদস্য আপুনি চাগে ৰুল বিলাক পঢ়া নাই, পঢ়কচোন। আপুনি শুনক, মই অধ্যক্ষ হয়, আপোনাক মই নকৈ কোনে ক'ব। আপুনি যিটো প্ৰশ্ন কৰিছে মই ক'ব বিচাৰিছো সদনত মই এটা কথা ঘোষণা কৰিছো যেতিয়া amendment টো submit কৰে আমি amendment টো admit কৰি ল'লো, গ্ৰহণ কৰি ল'লো। যিদিনা bill pass কৰিম আপোনাৰ amendment যিটো submit কৰিছে আপুনি সেইটো move কৰিব নে উঠাই ল'ব ? যেতিয়া আপুনি move কৰিবলৈ ল'ব ইয়াৰ আগতে আপুনি দিয়া amendment ৰ ওপৰত আপোনাক

convince কৰিব পৰা চৰকাৰৰ কিবা আছে নে নাই বোলে আপোনাৰটো মানি লৈ না কিবা এটা, সেইটো আপুনি সুধিব মন্ত্ৰীয়ে ক'ব। আপুনি যদি satisfied withdraw কৰি ল'লে, আপুনি যদি satisfied নহয় আপুনি move কৰিলে, যেতিয়া move কৰিলে আমাৰ House ৰ নিয়মটো হ'ল এজন মানুহৰ কাৰণে কোনো bill থাকি নাযায়। গতিকে voting দ্বাৰা সেইটো আমি pass কৰিম। আপুনি ইতিমধ্যে raise কৰিলে কথা, মন্ত্ৰীয়ে উত্তৰ দিলে। ইয়াৰ পিছত আপুনি উঠাই নল'লে, আপুনি move কৰিলে, মই voting লৈ পাছ কৰিলোঁ। বেকাৰ ইয়াত কিয় lecture মাৰি থাকিম, এইটো বিধান সভা হয়। বিধান সভাত সময়ৰ কথা আছেটো, চাওক ইমানকেইটা bill আছে, আপুনি এবাৰতে আপোনাৰ point খিনি raise কৰক, মন্ত্ৰীয়ে clarification দিব।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** অধ্যক্ষ ডাঙৰীয়া, মই এটা বিচাৰিছোঁ।

**माननीय অধ্যক্ষ ঃ** নাই, নাই। সেইটোতো হৈ গ'ল। ইয়াত lecture দিয়াৰ বাবে নাই।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** অধ্যক্ষ ডাঙৰীয়া, মই এটা বাক্য মাত্ৰ কৈছো, ইয়াত যিটো high PTR rate বুলি কৈছে, high PTR rate টোৰ definition টো সলাই দিছে।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ আৰু Amendment বাকী clause ত। তেতিয়া আপুনি ক'ব। সেইটো হৈয়ে গ'ল। এতিয়া ৩ নং দফাত কোনো ধৰণৰ সংশোধনী নাই।

**শ্ৰীআমিনুল ইছলাম, (ধিং) ঃ** ছাৰ, ছাৰ, ইয়াতে এটা কথা থাকি গ'ল, শিক্ষামন্ত্ৰীয়ে কালি এটা আমি নটিছ পাইছিলোঁ ৰাতি ৰুমত আমক যিটো দিয়ে, তাত এটা পইন্ট দিছে, এই পইন্টত এটা Government Amendment আছে চাগে।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** আনিবই লাগিব, নহ'লে এই এক্টখনে ওলোটা হৈ যাব।

**মাননীয় অধ্যক্ষ ঃ** আপুনি বহকচোন, কিয় হাল্লা কৰি থাকে?

**শ্ৰীআমিনুল ইছলাম, (ধিং) ঃ** এইটো শিক্ষামন্ত্ৰীয়ে clear কৰি দিলেই হৈ গ'ল। যদি তেখেতে দিয়ে এইটোত ।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** মই তেখেতক personallyও কৈছো যে bill খন ভুলকৈ আনিছে, High PTR definition ভুল।

**ডাঃ ৰনোজ পেগু, (শিক্ষামন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আপোনাৰ amendmentতো focus to PTR যিটো 30:1 তাত আছে। ইয়াতে কোৱা আছে আপুনি যদি Principle Act খন পঢ়ি চাই Principle Actত আমি PTR norms বুলি কৈ শেষ কৰিছোঁ। এতিয়া PTR norms কি, সেইখিনি অধিকাৰ আইনে দিছে norms দিছে সেইটোৱে PTR norms. কিন্তু তাত additionally amendmentটোত 30:1 বুলি আছে।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** সেইটো বাদ দিয়ক।

**ডাঃ ৰনোজ পেগু, (শিক্ষামন্ত্ৰী) ঃ** আৰে, আপুনি লিখি দিছে কেনেকৈ এতিয়া বাদ দিব? লিখি দিবই নালাগিছিলঙ্গ লিখি দিছে। এতিয়া দ্বিতীয় কথাটোৰ ক্ষেত্ৰত যি PTR norms, PTR definition টোৰ ক্ষেত্ৰত আমাৰ এটা চৰকাৰী amendment আছে, ৭ নম্বৰত, যেতিয়া এইটো ৭ নম্বৰ দফাটো আহিব তেতিয়া Government amendment টো মই move কৰিম।

**মাননীয় অধ্যক্ষ ঃ** হয়। এতিয়া ৩ নং দফাত।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** অখিল গগৈ ডাঙৰীয়া এইখন সদন হয়। আপুনি বিধায়ক হয়, মই Speaker

হয়। আমাৰ লিখি থোৱা নাটকখিনিৰহে ভূমিকা কৰিম। বাকী কথা কলে কি হ'ব? দৰ্শকেতো, ইয়াত নাটকহে চাব মাথো, এইটো মানি চলিব লাগিব। ইয়াৰ বাহিৰে আমি ভূমিকা কৰিব নোৱাৰোঁ। সংবিধানে সেইটো কৰি থৈ দিছে। ৩ নং দফাত কোনো ধৰণৰ সংশোধনী প্ৰস্তাৱ নাই, এতিয়া প্ৰস্তাৱটো হ'ল ৩ নং দফাটো বিধেয়ক খনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য/সদস্যাই সপক্ষে আছে তেখেত সকলে কওক হয়, যি সকল মাননীয় সদস্য/সদস্যাই বিপক্ষে আছে তেখেত সকলে কওক নহয়, মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে ৩ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

৪ নং দফাত মাননীয় সদস্য শ্ৰীদেৱব্ৰত শইকীয়াৰ লগতে তেখেতৰ সহযোগীৰ নামত এটা আৰু শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ)ৰ লগতে তেখেতৰ সহযোগীৰ নামত এটা আৰু শ্ৰীঅখিল গগৈ ডাঙৰীয়াৰ এটা সংশোধনী আছে। গতিকে মই মাননীয় শ্ৰীদেৱব্ৰত শইকীয়া বা তেখেতৰ সহযোগীয়ে ক'ব। মানে মই এতিয়া মোৰ style ত ক'ব খুজিছোঁ। আপোনালোকে move কৰিবনে, এতিয়া ইয়াৰ ওপৰত আপোনালোকৰ যিখিনি question মন্ত্ৰীক ক'ব পাৰিব যদি কিবা clarification ল'বলগীয়া আছে। আপুনি move কৰে নে withdraw কৰে আপোনাৰ কথা।

**শ্ৰীভৰত চন্দ্ৰ নৰহ, (নাওবৈচা) ঃ** তিনিটা নে চাৰিটা amendment আছে। একেলগে দিয়া নাই, বেলেগ বেলেগকৈ দেখুৱাইছে ইয়াতে।

**মাননীয় অধ্যক্ষ ঃ** নাই, নাই, clause by clause আপোনাৰ আহি থাকিব। আপোনালোকৰ যদি আৰু দুয়োটাত আছে আপোনালোকৰ আৰু আহিব। এইটো clauseত আপোনালোকে কোনটো pointত clarification বিচাৰে? এতিয়া চাৰি নং দফাত আপোনালোকে চাওক। ৪ নং Clause.

**শ্ৰীভৰত চন্দ্ৰ নৰহ, (নাওবৈচা) ঃ** ছাৰ, I, beg to move.

**মাননীয় অধ্যক্ষ ঃ** নালাগে এতিয়া move কৰিব নালাগে। এতিয়া আপুনি মাত্ৰ কথা কেইটা কওঁক।

**শ্ৰীভৰত চন্দ্ৰ নৰহ, (নাওবৈচা) ঃ** ছাৰ, নিজৰ জিলালৈ আহিব পৰাটো ইয়াত বাৰণ কৰা হৈছে, ইয়াত কৈছে যে district other than his own district. আমি এইটো বিচাৰিছো এজন L.P teacher য়ে নিজৰ districtলৈ আহিব নোৱাৰাৰ কি কাৰণ থাকিব পাৰে? যিহেতু তেখেত ACS Officer, IAS Officer নহয়, সেই কাৰণে other than own district লিখিছে তাৰ ঠাইত আমি including own district এই amendmentটো আনিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** আৰু আছে? শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ)।

**শ্ৰীআমিনুল ইছলাম, (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত যিটো Government Amendment আনিব বিচাৰিছে তাত Principle Actত আছিল "Transfer of a teacher, made under this act shall not in any way effect a teacher working in a district continuously for 10 years or more can apply for transfer to his or her own district or to a nearest contiguous district" ইয়াত আমি দেখিছো যে বহু শিক্ষক বহু দূৰদূৰণিত তেখেত সকলে ভাড়া ঘৰত থাকি বহুত কষ্ট কৰি তেওঁলোকে পাঠ দান কৰিব লগে য'ত তেওঁলোকৰ পৰিয়াল বহুত দূৰত থাকে, এনেধৰণৰ সমস্যা। গতিকে এই যে সময়সীমাটো 10 years or more দিছে আমি এইটো অলপ কমাব বিচাৰিছো। ৭ বছৰ যদি যি সকলে দূৰৱৰ্তী জিলাত শিক্ষকতা কৰিছে তেওঁলোকে যাতে আবেদন কৰিব পাৰে, নিজৰ home district or nearest district লৈ আহিবলৈ এইটো গ্ৰহণযোগ্য হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** অখিল গগৈ। এতিয়া ৪ নং ক্লজত কি আছে আপোনাৰ কওক।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সেই একেটাই কথা। যিটো ইয়াত কৈছে যে district other than home district এই বুলি কৈছে যে নিজৰ জিলালৈ transfer কৰাৰ ক্ষেত্ৰত যিটো বাধা আৰোপ কৰিব খোজা হৈছে সেইটোৰ আমি তীব্ৰ বিৰোধীতা কৰিছো, আৰু ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াই যিটো সংশোধনী আনিছে ঠিক তেনেকৈ আমি কৈছো যে নহয়, সেইটো delete কৰি আগৰ যিটো ব্যৱস্থা আছিল যে নিজৰ districtলৈ transfer হ'ব পাৰে সেইটো কৰাৰ কাৰণে অনুমতি প্ৰদান কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**ডাঃ ৰনোজ পেগু, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে কথাটো অকমান ভুলকৈ বুজিছে আমাৰ Principle Actখন যদি চাই তাত আছে "A teacher working in a district continuously for 10 years or more can apply for transfer to his or her home district or to a nearest contiguous district" এতিয়া home district or contiguous জিলাৰ বাহিৰে বেলেগ এখন জিলালৈ যদি শিক্ষক এজন যাব, বিচাৰে সেই ব্যৱস্থাটো নাই। গতিকে যিকোনো জিলালৈ যদি যাব পাৰে তাৰ কাৰণে এমেণ্ডমেন্ট কৰিব বিচৰা হৈছে, য'ত আমি এটা শব্দ other than home district এই শব্দকেইটা insert কৰিব বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, A teacher working in a district continously for 10 years or more can apply for transfer to his/her home district or to a nearest district নিজৰ গৃহ জিলালৈ এপ্লাই কৰিব পাৰিব, যিকোনো জিলালৈ এপ্লাই কৰিব পাৰিব। এতিয়া Flexibility এতিয়া বেছি হ'ল। ইয়াত অলপমান ভূল বুজাবুজি হৈছিল ইয়াত মনোভাৱটো আমাৰ ঠিকে আছে। যিকোনো জিলালৈ শিক্ষকজনে বদলি হ'ব পাৰে তাৰ হে ব্যৱস্থা হ'ব। আমি যিটো সংশোধনী আনিছো এইটো শুদ্ধ।

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১০ বছৰটো কমাই ৭ বছৰ মান হ'লে ভাল হয়।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যেতিয়া শিক্ষক সকল নিযুক্তি হৈছিল তেতিয়া তেখেত সকলে নিজেই জিলা বিলাক চিলেক্ট কৰিছিল। আৰু কয় যে, মই ধুবুৰী জিলা, বৰপেটা জিলাত চাকৰি কৰিম বুলি স্ব-ইচ্ছাই নিৰ্বাচন কৰাৰ পিছত ইয়াত বদলিকৰণৰ কথাটো নাহে। তথাপিতো চৰকাৰে বিবেচনা কৰি আইনখন আনিছে আৰু অনাৰ পিছত ইয়াত এটা স্বৰ্ত দিছে তেখেতৰ যিটো প্ৰকৃত পচন্দ আছিল আৰু চৰকাৰে নিজৰ ইচ্ছামতে মতে কাকো বদলিকৰণ কৰা নাই। যিটো তেখেতে নিজেই পছন্দ কৰিছে তেখেতে মিনিয়াম ১০ বছৰ থাকিব লাগিব। তাৰ পিছত হে আমি বদলিকৰণ কৰিম। গতিকে এইটো ১০ ৰ পৰা ৭ হোৱাটো অনুচিত।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া ৪ নং দফাটো বিধেয়কখনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক হয়, যি সকল বিপক্ষে আছে, তেখেত সকলে কওঁক নহয়, মই ভাবো হয় সাপক্ষে, হয় সাপক্ষে, হয় সাপক্ষে, ৪ নং দফাটো বিধেয়কখনৰ অংশ হ'ল। ৫ নং দফাত মাননীয় সদস্য শ্ৰী দেৱব্ৰত শইকীয়া, তেখেতৰ সহযোগী কমলাক্ষ্য দে' পুৰকায়স্থ, শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ), তেখেত সকলৰ সহযোগীসকলৰ এটা আৰু অখিল গগৈ ডাঙৰীয়াৰ এটা সংশোধনী আছে। এতিয়া শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এনেকুৱা বহুত স্কুল

আছে য'ত ৮ জন শিক্ষক ৩ জন ছাত্ৰ। এইখিনি ঠিক কৰিব লাগে। ১০ বছৰ থাকিব লাগিব তাৰ পিছত হে এপ্লাই কৰিব পাৰিব। তাৰ পিছত আপোনালোকে Seniority বিলাক নাইকীয়া কৰি দিব এইটো কেনেকুৱা কথা। Seniority বিলাক একেই থাকিলে ভাল হয়। ইমান দিন ধৰি চাকৰি কৰিলে কিন্তু Transfer হোৱাৰ লগে লগে Seniority বিলাক নাইকীয়া হৈ গ'ল। মই ভাবো Seniority টো থাকিব লাগে।

**শ্ৰী আমিনুল ইছলাম, (ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যি সকল নিজৰ ইচ্ছামতে transfer লৈ আহিব, তেখেত সকলৰ Seniority নাইকীয়া হ'ব। কেতিয়াবা বাধ্য হয় যে পিতৃ-মাতৃৰ অসুখ হয় বা সেইকাৰণে স্ব-ইচ্ছাই বদলিকৰণ হলেও Seniority টো বাহাল থাকিব লাগে। এইটো আচলতে চৰকাৰে সংশোধনীটো আনিব নালাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এজন শিক্ষকে যদি on request ত যদি বদলিকৰণ বিচাৰে ১০ বছৰ পিছত হে বদলিকৰণ কৰিব পাৰিব। যদি Transfer বিচাৰে তেতিয়া Seniority টো নাথাকিব। আপোনালোকে যদি ভাবে এইটো এটা শাস্তি তেতিয়া হ'লে কয় দিয়ক যে, Transfer নহ'ব। এইখন এখন একনায়ত্ববাদী আইন আমাৰ আধুনিক গণতান্ত্ৰিক দেশ এখনত অনাটো কেতিয়াও উচিত নহয়। এইটো উঠাই ল'ব লাগে।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, শিক্ষকৰ Seniority প্ৰয়োজন কি এই কথাটো প্ৰথমে চাব লাগিব। শিক্ষকৰ Seniority প্ৰয়োজনীয়তাটো হ'ল Promotional Assistant Head Teacher বা Head Master হোৱাৰ কাৰণে। আজি এখন বিদ্যালয়ত ২০ বছৰ ধৰি কাম কৰি সেই বিদ্যালয়খনক গঢ় দিছিল। হঠাৎ কালি এজন শিক্ষক বদলি হৈ আহিলে on request ত তেওঁক যদি আমি Senior কৰি দিওঁ তেতিয়া হ'লে যি শিক্ষকে ২০ বছৰ ধৰি সেৱা আগবঢ়াই আহিছে তেতিয়া এক বিশৃংখল পৰিৱেশৰ সৃষ্টি হ'ব। আমাৰ চাৰ্ভিচ ৰুলত এই ব্যৱস্থাটো আছে। চৰকাৰে যদি ৰাজহুৱা স্বাৰ্থৰ খাতিৰত Transfer কৰে, তেতিয়া হ'লে Seniority বাহাল থাকিব। যদি শিক্ষক জনে on request ত বদলি হৈ আহে আৰু এইটো চাৰ্ভিচ ৰুলতো আগৰ পৰাই চলি আহিছে, তেখেতে জানে যে, তাত সেই বিদ্যালয়খনত যি সকল শিক্ষক আছে কৰ্মৰত তেখেত সকলৰ মই একেবাৰে তলত গৈ সোমাব লাগিব। on request ত যিবিলাক বদলি হ'ব তাত Seniority নাপায়। যি সকলক চৰকাৰে Transfer কৰিব তাত সেই Seniority থাকিব। ধন্যবাদ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে কৰিলে Seniority পাব আৰু ব্যক্তিগত ভাবে গ'লে Seniority নাপাব। এইটো যদি এনেকুৱা হয় তেতিয়া হ'লে ইয়াক শাস্তি বুলি ভবা হ'ব। মই সংশোধনীটো উঠাই লৈছো।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মোৰ সংশোধনীটো উঠাই লোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** মই অখিল গগৈ ডাঙৰীয়াৰ সংশোধনী প্ৰস্তাৱটো দাঙি ধৰিলো। যি সকল সপক্ষে আছে, তেখেত সকলে কওঁক হয়, যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো নহয় সপক্ষে, নহয় সপক্ষে, নহয় সপক্ষে সংশোধনী প্ৰস্তাৱটো নাকচ হ'ল। এতিয়া ৫ নং দফাটো বিধেয়কখনৰ অংশ হ'ব যি সকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে, তেখেত সকলে কওঁক হয়, যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাবো হয় সপক্ষে,

হয় সপক্ষে, হয় সপক্ষে, ৫ নং দফাটো বিধেয়কখনৰ অংশ হ'ল। ৬ নং দফাত মাননীয় শ্ৰী দেৱব্ৰত শইকীয়া, তেখেতৰ সহযোগী কমলাক্ষ দে পুৰকায়স্থ, শ্ৰী আমিনুল ইছলাম (জ্যেষ্ঠ), তেখেত সকলৰ সহযোগীসকলৰ এটা আৰু অখিল গগৈ ডাঙৰীয়াৰ এটা সংশোধনী আছে। প্ৰথমতে মই শ্ৰী দেৱব্ৰত শইকীয়া।

**শ্ৰীভৰত চন্দ্ৰ নৰহ, (নাওবৈছা) ঃ** Sir, Section 12 amendment কৰি Section 12 amendment কৰিব বিচৰা হৈছে, ইয়াত আছিল যে rigorous imprisonment for a tearm which may extend to one year or a fine not exceeding Rs. fifty thousand appearing after the words punishment the words fine which shall not be less than Rs. fifty thousand and may extend upto Rs. one lakh. sir, মোৰ মতে স্কুলৰ শিক্ষকৰ কাৰণে এইটো বহুত বেছি হয়। upto Rs. one lakh. এইটো এজন শিক্ষকে দিব নোৱাৰে। সেই কাৰণে এইটো ৫০ হাজাৰৰ ঠাইত ৫ হাজাৰ আৰু ১ লাখৰ ঠাইত ১০ হাজাৰ কৰিব লাগে। কাৰণ শিক্ষক সকলে এইটো ক'ৰ পৰা দিব? সেই কাৰণে এইটো খুব বেছি হৈছে ছাৰ। fine ৰ provision টো লাগে। কিন্তু শিক্ষকৰ কাৰণে amount টো খুব বেছি হৈছে।

**মাননীয় অধ্যক্ষ** ঃ অখিল গগৈ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ইয়াত কৈছে, যে এই Transfer Act খন যদি কোনোৱা অফিচাৰে ভায়লেট কৰি দুই নম্বৰীকে Transfer কৰালে, তেতিয়াহ'লে তেওঁৰ এবছৰ জেইল হৈ যাব পাৰে নহ'লে ৫০ হাজাৰ টকা fine ও হ'ব পাৰে আগতে। সেইটো criminal section আছিল, এতিয়া সেইটো criminal section ৰ পৰা আঁতৰাই দিব খুজিছে। decriminalization কৰিছে এইটোত আমি সমৰ্থন কৰিছো প্ৰথম কথা। কিন্তু এই fine টো আগৰ ৫০ হাজাৰৰ পৰা ১ লাখ টকা কৰিব খুজিছে, সেইটোক আমি বিৰোধিতা কৰি কৈছো যে নহয় ৫০ হাজাৰ থাকক। আগৰ যিটো ৫০ হাজাৰ আছিল, সেইটো ৫০ হাজাৰেই থাকক। কিন্তু decriminalization যিটো কৰিছে এইটোত আমি সমৰ্থন কৰিছো । অধ্যক্ষ মহোদয় এই কথাটো আমি সকলোৱে বুজি উঠিব লাগিব যে এজন শিক্ষকে তেওঁ চাকৰি কৰি থকা সময়খিনিত তেওঁ মানসিক শান্তিৰে সৈতে চাকৰি কৰিবলৈ সুযোগ পাব লাগিব। এজন শিক্ষকে কাম কৰিবলৈ গৈ যদি তেওঁক একদম বন্দুকৰ আগফালে ঠিয় কৰি যদি কাৰোবাক শিক্ষা দিবলৈ কোৱা হয়, তেতিয়া হলে কিমান মানসিক শান্তিৰে সৈতে তেওঁ শিক্ষা প্ৰদান কৰিব। যেতিয়া দেউতাকৰ অসুখ হৈ থাকিব, পত্নীৰ অসুখ হৈ থাকিব,মাতৃৰ অসুখ হৈ থাকিব, তেওঁ Transfer বিছাৰিব, Transfer বিচাৰোতে যেতিয়া তেওঁক Transfer দিয়া নহ'ব আৰু বিশেষকৈ এইবাৰ Transfer আচলতে ৩১মাৰ্চৰ ভিতৰত Transfer কৰিম বুলি কৈছিল। কৈছিল যে নতুন চেশ্যন আৰম্ভ হোৱাৰ আগতে Transfer হৈ যাব। কিন্তু এপ্ৰিলৰ পৰা নতুন চেশ্যন আৰম্ভ হৈ গ'ল, কিন্তু এতিয়ালৈকে Transfer বিলাক কৰা নহ'ল। আকৌ এই আইনখন আনি জটিলতা বঢ়াব খোজা হৈছে। দ্বিতীয়তে আৰু এটা কথা এতিয়া যদি নতুন নিযুক্তি হৈ যায়, তাৰ আগতেই আচলতে Transfer বিলাক কৰি ল'ব লাগিছিল। নতুন নিযুক্তি কৰি পদবোৰ সম্পুৰ্ণ হৈ যায় তাৰ পাছত Transfer কৰাটো আৰু কঠিন হৈ যাব। গতিকে এই গোটেই কথাবোৰ ভাবি লৈ মই ভাবো সেই গোটেই কথাবিলাক বিবেচনা কৰি ইয়াত এবছৰৰ যিটো জেইল আছিল, সেইটো উঠাই লোৱাটো ভাল কথা হৈছে। কিন্তু এক লাখ টকাৰ যিটো fine, চৰকাৰে ইমান পইচাৰ কথা

কৈ থাকিবলৈ লৈছে দেউলীয়া হৈছে টো, এইটো কমাই ৫০ হাজাৰ কৰাটো ভাল হ'ব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ কমলাক্ষ্যদেই পুৰকায়স্থ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)**ঃ মাননীয় অধ্যক্ষ মহোদয়, এক বছৰ জেইলৰ কথাটো কোৱা হৈছে, মই ভাবো মানসিক ভাৱে শিক্ষক সকলৰ অসুবিধা এটা হ'ব, প্ৰথম কথা। দ্বিতীয়তে অধ্যক্ষ মহোদয়, fine ৰ কথাটো কোৱা হৈছে, আমিও দিছো অধ্যক্ষ মহোদয়, ১০ হাজাৰ দিছো। ৫০ হাজাৰৰ ঠাইত ৫ হাজাৰ দিছো। যেনেকৈ মুল্য বৃদ্ধি হৈছে এজন শিক্ষকে দৰমহা যিটো পায় তাৰে ঘৰ চলোৱা একেবাৰে অসুবিধা হৈ গৈছে। তৃতীয়তে যি সকল টিউটৰ আছে, সেই সকলৰ বৰ্তমান যি অৱস্থা হৈছে, মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম fine টো কৰক কিন্তু পৰিমানটো অলপ কমাই দিয়ক। কিবা এটা ঘটনাৰ কাৰণে কিবা এটা হৈ গ'ল যেতিয়া ১ লাখ টকা দিব লগা হ'ব তেতিয়া অসুবিধা হ'ব । গতিকে এই fine টো অলপ কমাই দিয়ক। fine টো ৰাখক কিন্তু অলপ কমাই দিয়ক।

**মাননীয় অধ্যক্ষ** ঃ মন্ত্ৰী মহোদয়

**ডাঃ ৰণোজ পেগু(শিক্ষামন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই Act খন শিক্ষকে violate কৰাৰ scope ক'ত? শিক্ষকৰ কাৰণে ৫০ হাজাৰ, ১ লাখ fine দিয়াটো বহু ডাঙৰ পৰিমাণ বুলি কৈছে। এই Act খন যি violate কৰিব তেওঁলোকৰ কাৰণেহে। Act খন শিক্ষকে violate কৰাৰ scope ক'ত? শিক্ষক সকল হ'ল applicant। তেওঁলোক আবেদনকাৰী, বিভাগটো হ'ল এই আইনখন তেওঁলোকে প্ৰয়োগ কৰিব। বিভাগৰ বিষয়া কৰ্মচাৰীৰ কাৰণে এই ৫০ হাজাৰ এক লাখ টকাৰ ব্যৱস্থা কৰা হৈছে। দ্বিতীয়তে decriminalization কৰা হৈছে reduction compliance burden

(সদনত হুলস্থুল)

**মাননীয় অধ্যক্ষ** ঃ মাননীয় সদস্য সকল শুনক কথাটো।

**ডাঃ ৰণোজ পেগু(শিক্ষামন্ত্ৰী)** ঃ আৰু এটা কথা মই কৈ দিওঁ যে এই যি Transfer , ইয়াত প্ৰসংগ নাথাকিলেও বাৰে বাৰে কৈ আছে যে ৩১ মাৰ্চৰ ভিতৰত Transfer টো কৰিবই লাগে। মই সোঁৱৰাই দিব বিচাৰো Transfer is not a right.এইটো কোনো অধিকাৰৰ ভিত্তিত Transfer নহয়। তেওঁলোকে তেওঁলোকৰ প্ৰয়োজনত Transfer বিচাৰিছে। Goverment is compassionate, Government য়ে সমমৰ্মিতাৰে এই শিক্ষক সকলক বদলিকৰণ কৰাৰ কাৰণে আৱেদন বিলাক গ্ৰহণ কৰিছে। কিন্তু এইখন আইনে এইটো কথা কৈছে যে PTR খৰ্ব কৰি, ছাত্ৰ-ছাত্ৰীক ক্ষতিগ্ৰস্ত কৰি বদলিকৰণ নহ'ব। গতিকে ছাত্ৰ-ছাত্ৰীৰ স্বাৰ্থটো সুৰক্ষিত কৰিহে বদলিকৰণ কৰিব। এতিয়া মই PTR যাতে বদলিকৰণৰ পাছতো সুৰক্ষিত হৈ থাকে, সেই ব্যৱস্থা কৰাৰ কাৰণে পলম হৈছে, বদলিকৰণটো কাৰো অধিকাৰ নহয়। কিন্তু চৰকাৰে সম মৰ্মিতাৰে বদলিকৰণৰ যিমানেই আৱেদন কৰিছে, কৰি দিব বিচাৰিছে, কৰি দিয়াৰ কাৰণে ইয়াৰ প্ৰধান চৰ্ত হৈছে যে ছাত্ৰ-ছাত্ৰীৰ স্বাৰ্থ ক্ষতিগ্ৰস্থ হ'ব নোৱাৰে, PTR টো ক্ষতিগ্ৰস্থ হ'ব নোৱাৰে, সেইটো আমি চাব লাগিব।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ, এতিয়া প্ৰস্তাৱটো উঠাই ল'বনে ? অখিল গগৈ উঠাই লৈছেনে?

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ অধ্যক্ষ মহোদয়, বিলখন বনাওঁতে যি ধৰণে বিলখন আনিছে এতিয়া সংজ্ঞাটোকে সলনি কৰি দিছে, গতিকে মই উঠাই লোৱা নাই।

**মাননীয় অধ্যক্ষ** ঃ সেইটো কওঁক। ইমান দীঘল কিয় ক'ব লাগে। শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ

সংশোধনী সদনত দাঙি ধৰিলো। যি সকল মাননীয় সদস্য- সদস্যা সংশোধনীটোৰ সপক্ষে আছে তেখেত সকলে কওঁক হয়, আৰু যি সকল বিপক্ষে আছে তেওঁলোকে কওঁক নহয় মই ভাবো 'নহয়ৰ সপক্ষে', 'নহয়ৰ সপক্ষে', 'নহয়ৰ সপক্ষে' সংশোধনীকেইটা নাকচ হ'ল। প্ৰশ্নটো হ'ল ৬ নং দফাটো বিধেয়কখনৰ অংশ হ'ব। যি সকল মাননীয় সদস্য- সদস্যা সপক্ষে আছে তেখেতসকলে কওঁক হয়, আৰু যি সকল বিপক্ষে আছে তেওঁলোকে কওঁক নহয়। মই ভাবো 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে' ৬ নং দফাটো বিধেয়কখনৰ অংশ হ'ল। এতিয়া মন্ত্ৰী ডাঙৰীয়াৰ সংশোধনী প্ৰস্তাৱ আছে।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিলখনত ৭ নংত এটা insertion তাৰ কাৰণে মই সংশোধনীৰ প্ৰস্তাৱ উত্থাপন কৰিব বিচাৰিছো, In the Principal Act in Section 5, 6, 7, 9, 14, for the words low PTR wherever it occurs, wherever it occurs the words high PTR shall be substituted to for the words high PTR wherever it occurs the words low PTR shall be substituted.

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। প্ৰস্তাৱটো হ'ল সংশোধনীটো উত্থাপন কৰাত সদনৰ সন্মতি আছে নে? যি সকল মাননীয় সদস্য-সদস্যা সংশোধনীটোৰ সপক্ষে আছে তেখেত সকলে কওঁক হয়, আৰু যি সকল বিপক্ষে আছে তেওঁলোকে কওঁক নহয়। মই ভাবো 'হয়ৰ সপক্ষে' , 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে' সংশোধনীটো গৃহীত হ'ল। প্ৰস্তাৱটো হ'ল ৭নং দফাটো বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়, আৰু যি সকল বিপক্ষে আছে তেওঁলোকে কওঁক নহয়। মই ভাবো 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে' চৰকাৰী সংশোধনী সহ ৭ নং দফাটো বিধেয়কখনৰ অংশ হ'ল। ১ নং দফা পৰিসৰ আৰু আৰম্ভনত কোনো সংশোধনীৰ প্ৰস্তাৱ নাই। গতিকে প্ৰস্তাৱটো হ'ল ১ নং দফা পৰিসৰ আৰু আৰম্ভন বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক হয়, আৰু যিসকল বিপক্ষে আছে তেওঁলোকে কওঁক নহয়। মই ভাবো 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে' ১ নং দফা পৰিসৰ আৰু আৰম্ভন বিধেয়কখনৰ অংশ হ'ল। এতিয়া মন্ত্ৰী ডাঙৰীয়া। পাৰিতকৰণৰ বাবে আপুনি উত্থাপন কৰিব।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এতিয়া মই The Assam Elementary and Secondary School Teachers Regulation of posting and Transfer (Amendment) Bill, 2023 বিধেয়কখন পাৰিতকৰণৰ বাবে উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মই The Assam Elementary and Secondary School Teachers Regulation of posting and Transfer (Amendment) Bill, 2023 বিধেয়কখন পাৰিতকৰণৰ বাবে সদনত দাঙি ধৰিলো।

যি সকল মাননীয় সদস্য-সদস্যা বিধেয়কখনৰ সপক্ষে আছে তেখেত সকলে কওঁক হয়, আৰু যি সকল বিপক্ষে আছে তেওঁলোকে কওঁক নহয়। মই ভাবো 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে', 'হয়ৰ সপক্ষে' বিধেয়কখন পাৰিত হ'ল। এতিয়া আইটেম নং ১৮।

"The Assam College Employees (Provincialisation) (Amendment) Bill, 2023" Hon'ble Minister.

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে "The Assam College Employees (Provincialisation) (Amendment) Bill, 2023" বিধেয়কখন বিবেচনাৰ বাবে উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱটো হ'ল বিধেয়কখন বিবেচনা কৰাত সদনৰ সন্মতি আছেনে।

যিসকল মাননীয় সদস্য/সদস্যা বিধেয়কখনৰ সপক্ষে আছে

তেখেত সকলে কওঁক 'হয়'

যিসকল মাননীয় সদস্য/সদস্যা বিধেয়কখনৰ বিপক্ষে আছে

তেখেত সকলে কওঁক 'নহয়'

মই ভাবো 'হয়' সপক্ষে, 'হয়' সপক্ষে, 'হয়' সপক্ষে, প্ৰস্তাবটো গৃহীত হ'ল।

এতিয়া বিধেয়কখন দফাই দফাই বিবেচনাৰ বাবে লোৱা হওঁক। ২ নং দফাত মাননীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ এটা সংশোধনী প্ৰস্তাৱ আছে। আপুনি কিবা ক'ব?

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ ক'বলগীয়া কথাটো হ'ল I proposed that the word Recruitment Board, means the Assam College service Recruitment Board consituted under Section -6 of the Act shall be deleted as provided in the proposed section. এতিয়া কলেজ বিলাকত চাকৰি ত নিয়োগ কৰিবৰ কাৰণে আগতে Governing Body বিলাকে decentralized প্ৰক্ৰিয়াৰে তেওঁলোকৰ প্ৰতিখন কলেজৰ কাৰণে নিজৰ appointment টো নিজে দি লয়। এতিয়া চৰকাৰে এখন Recruitment Board গঠন কৰি গোটেই অসমৰ কাৰণে একেলগে appointment ৰ ব্যৱস্থা কৰিব খুজিছে। এইটো এটা fundamental shift । আগতে আমাৰ শিক্ষা ব্যৱস্থাত যিটো decentralisation ৰ ব্যৱস্থা আছিল, তলৰ পৰ্য্যায়ত প্ৰত্যেকখন শিক্ষানুষ্ঠানত তেওঁলোকৰ নিযুক্তি দিয়াৰ বাবে যিধৰণৰ ক্ষমতা প্ৰদান কৰা হৈছিল, সেই ক্ষমতা এতিয়া কৰ্তন কৰি চৰকাৰৰ হাতলৈ কাঢ়ি নিব খোজা হৈছে।

দ্বিতীয় কথাটো হ'ল, মাননীয় অধ্যক্ষ মহোদয়, যেতিয়া কলেজ এখনত এটা পদ ওলায়, ধৰক অসমীয়া বিভাগত এজন শিক্ষক নিযুক্তি দিব লাগে। এতিয়া Recruitment Board লৈ গ'লে এখন কলেজৰ এজন শিক্ষকৰ appointment ৰ কাৰণে লগে লগে Recruitment Board এখন বহুৱাই দি ইণ্টাৰভিউ লোৱাতো বৰ সহজ কথা নহ'ব। কিন্তু কলেজখনৰ কাৰণে দুবছৰ বা এবছৰ সেই পদটোৰ কাৰণে ৰৈ থাকিব লাগিব। সেইটো বৰ ভয়ানক কাৰ্য্য হৈ যাব। কাৰণ এখন কলেজৰ কাৰণে এটা Recruitment Board বহুৱালে বহুত খৰছ হৈ যাব। গতিকে একেলগে বহুত পোষ্টৰ কাৰণে ৰৈ থাকিব।

**মাননীয় অধ্যক্ষ ঃ** আপুনি কি বিচাৰে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, গতিকে মই কৈছো যে এই যিটো Recruitment Board ৰ ব্যৱস্থা আনিব খুজিছে, এই Recruitment Board ৰ ব্যৱস্থাটোৱে ক্ষতিগ্ৰস্ত কৰিব আৰু দুৰ্নীতিৰ পোহাৰ মেলিব। মাজতে APSC ৰ যিটো কেলেংকাৰী হৈছিল...............

**মাননীয় অধ্যক্ষ ঃ** সেইবোৰ নালাগে। আপোনাৰ Amendment ৰ ওপৰত কওঁক।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, গতিকে Recruitment Board ৰ সলনি Governing Body কে নিযুক্তি দিয়াৰ ক্ষমতা দিব লাগে। পূৰ্বৰ অৱস্থা বাহাল ৰাখিব

লাগে  বুলি মই প্ৰস্তাৱ দিছো।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰথম কথাটো হ'ল Recruitment  আৰু appointment এই দুটা বেলেগ বেলেগ শব্দ। ইয়াৰ অৰ্থও বেলেগ বেলেগ। যিটো কথা ক'ব বিচৰা হৈছে যে Governing Body য়ে নিযুক্তি দিছিল, এই কথাটো সম্পূৰ্ণৰূপে অসত্য কথা। Governing Body য়ে কেতিয়াও কাকো নিযুক্তি নিদিয়ে। Governing Body য়ে বাচনি কৰে, বাচনি কৰি ৰিক'মেণ্ড কৰে আৰু Directorate of Higher Education য়ে নিযুক্তি দিয়ে। এতেকে নিযুক্তি আমি সলনি কৰিব বিচৰা নাই, নিযুক্তি আগৰে পৰা অসম চৰকাৰে Directorate of Higher Education এ দি আছে, এতিয়াও তেওঁলোকে নিযুক্তি দিব। এতিয়া বাচনিটো কোনে কৰিব, বাচনিটো কলেজ বিলাকৰ Governing Body ক কৰিবলৈ দিয়া হৈছিল আৰু Governing Body য়ে কৰাৰ কাৰণে কিছুমান অসুবিধাৰ সৃষ্টি হৈছিল। সেই অসুবিধাৰ ভিতৰত ১ নম্বৰ অসুবিধাটো হ'ল, যেতিয়া ৫ খন কলেজে বিজ্ঞাপন দিয়ে, তেতিয়া এজন প্ৰাৰ্থীয়ে ৫ খন কলেজত আবেদন কৰে, ৫খন কলেজলৈ তেওঁ যাব লাগে আৰু কেতিয়াবা একেটা তাৰিখতে দুখন কলেজৰ বাচনিলৈ তেখেতক নিমন্ত্ৰণ জনায়। প্ৰাৰ্থী এজনে এবাৰ বৰাকভেলী, এবাৰ তিনিচুকীয়া, নলবাৰীলৈ ঘূৰি ফুৰিবলগীয়া হয়। কিন্তু ইয়াত যদি centralized বাচনিৰ system এটা হয় , তেতিয়াহ'লে প্ৰাৰ্থীজন এবাৰ বৰাকভেলী,  এবাৰ তিনিচুকীয়া, নলবাৰীলৈ ঘূৰি ফুৰিব নালাগে। এঠাইতে তেওঁলোকৰ বাচনিটো হ'ব আৰু সুবিধা হ'ব। দ্বিতীয় কথাটো হ'ল, যেতিয়া এখন Governing Body য়ে selection কৰি দিয়ে তেওঁ গম নাপায় যে সেই প্ৰাৰ্থীজন আৰু ক'ৰবাত বাচনি হৈছে নেকি। গতিকে একো একোজন ভাল প্ৰাৰ্থী একেটা সময়তে ৩-৪ খন ভাল কলেজত নিৰ্বাচিত হৈ যায়। তেওঁক বাচনি কৰা হয়। ৩-৪ খন কলেজত বাচনি হোৱাৰ পিছত তেখেতে যেতিয়া চাকৰিটো এখন কলেজত গ্ৰহণ কৰে বাকী তিনিখন কলেজে পুনৰ তেওঁলোকৰ  বাচনি প্ৰক্ৰিয়াটো কৰিবলগীয়া হয়। আমি সকলোৱে জানো Assam Financial Rule Budget Management Act আছে, যি এক্টৰ অধীনত আমাৰ কোনো বাচনিত waiting list কতো থাকিব নোৱাৰে। এই ২০০৫ চনৰ আইনখনৰ মতে waiting list থাকিব নোৱাৰে। গতিকে Governing Body য়ে যেতিয়া প্ৰাৰ্থীজন নিৰ্বাচন কৰে, তেতিয়া তেওঁলোক waiting list দিব নোৱাৰে। যদিহে তেওঁলোকে নিৰ্বাচন কৰা প্ৰাৰ্থীজনে চাকৰিত যোগদান নকৰে তেতিয়াহ'লে কলেজখনে আকৌ পুনৰ বিজ্ঞাপন দি বাচনি কৰিব লগীয়া হয় আৰু এনে কৰি থাকোতে কলেজবোৰৰ বহু সময় পাৰ হৈ যায়। গতিকে কেন্দ্ৰীয়ভাৱে এটা বাচনি কৰাৰ ব্যৱস্থা আমি কৰিব বিচাৰিছো য'ত overlapping সম্পূৰ্ণৰূপে avoid কৰিব পৰা যাব। দ্বিতীয়তে, এজন প্ৰাৰ্থীয়ে এটা চাকৰিৰ কাৰণে ৪-৫ ঠাইত ইণ্টাৰভিউ দিয়াৰ সলনি এটা ইণ্টাৰভিউৰ জৰিয়তে তেওঁ নিৰ্ব্বাচিত হ'ব পাৰিব আৰু নিৰ্ব্বাচিত হৈ তেওঁ চাকৰিটো সহজে লাভ কৰিব পাৰিব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় শ্ৰী অখিল গগৈ ডাঙৰীয়া আপুনি প্ৰস্তাৱটো উঠাই ল'বনে?

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা কথা ক'বলগীয়া আছিল যে য'ত কৈছে ২০০৫ চনৰ এক্টৰ অধীনত waiting list বনাব নোৱাৰে। Waiting List খনৰ provision টো দি দিলেই গোটেই সমস্যাটোৰ সমাধান হয়। এতিয়া এই আইনৰ জৰিয়তে

গোটেই কলেজ সমূহৰ ক্ষমতাটো কৰ্তন কৰিব বিচৰা হৈছে। কেৱল waiting list ৰ provision টো থাকিলেই হৈ যায়। কিন্তু সেইটো নকৰি এতিয়া কলেজবোৰৰ পৰা ক্ষমতাটো কৰ্তন কৰিব বিচৰা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় শ্ৰী অখিল গগৈ ডাঙৰীয়া আপুনি move কৰিব নে উঠাই ল'ব?

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো মই move কৰিছো, উঠাই নলওঁ।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ সংশোধনীটো মই সদনত দাঙি ধৰিলো।

যিসকল মাননীয় সদস্য/সদস্যা সংশোধনীৰ সপক্ষে আছে

তেখেত সকলে কওঁক 'হয়'

যিসকল মাননীয় সদস্য/সদস্যা সংশোধনীৰ বিপক্ষে আছে

তেখেত সকলে কওঁক 'নহয়'

মই ভাবো 'নহয়' সপক্ষে, 'নহয়' সপক্ষে, 'নহয়' সপক্ষে, সংশোধনীটো নাকচ হ'ল।

এতিয়া প্ৰস্তাৱটো হ'ল ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।

যিসকল মাননীয় সদস্য/সদস্যা বিধেয়কখনৰ সপক্ষে আছে

তেখেত সকলে কওঁক 'হয়'

যিসকল মাননীয় সদস্য/সদস্যা বিধেয়কখনৰ বিপক্ষে আছে

তেখেত সকলে কওঁক 'হয়'

মই ভাবো 'হয়' সপক্ষে, 'হয়' সপক্ষে, 'হয়' সপক্ষে, ২ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

বিধেয়কখনৰ ৩ নং দফাত মাননীয় সদস্য শ্ৰী দেবব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগী মাননীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ আৰু মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম ডাঙৰীয়া আৰু মাননীয় সদস্য শ্ৰী অখিল গগৈ ডাঙৰীয়াৰ সংশোধনী প্ৰস্তাৱ আছে। মই প্ৰথমে মাননীয় সদস্য শ্ৰী দেবব্ৰত শইকীয়া ডাঙৰীয়াক অনুৰোধ জনালো।

**শ্ৰী ৰকিবুল হুছেইন, (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam College Employees (Provincialisation) (Amendment) Bill, 2023" ইয়াত যিটো ক্লজ আগতে আছিল, তাত আছিল যে selection and appointment of employees আৰু ইয়াত লিখা আছিল যে "Appointment of both teaching and non-teaching post in the college shall be made by the Directorate of Higher Education Assam on the basis of selection and recommendation of the Governing Body of the respective college in a accordance with a Rules and Procedure of the Government of inforce". চৰকাৰে যিহেতু Rules and Procedure দিয়ে, সেইটো মতে আগতে Governing Body বোৰে teaching and non-teaching ৰ selection and appointment বোৰ কৰে। এতিয়া আনিব বিচাৰিছে যে The Assam College Service Recruitment Board shall consist of the following members. এইখিনিকে মাননীয় অধ্যক্ষ মহোদয়, আমি ক'ব বিচাৰিছো যে এটা সময়ত এই কথাবিলাক যেতিয়া ওলাইছিল তেতিয়া কৈছিল যে কলেজ সমূহত

বহুত ৰাজনৈতিক দলৰ মানুহ Governing Body ৰ সভাপতি থাকে। কোনোবা বিধায়ক থাকে বা বেলেগ থাকে, তেতিয়া বিভিন্ন ধৰণৰ সংবাদ মাধ্যমত প্ৰতিবাদ কৰাৰ পিছত এটা সিদ্ধান্ত লোৱা হ'ল যে তাত কোনো ধৰণৰ Political মানুহ Chairman বা Governing Body ত member হ'ব নোৱাৰে। সেই অঞ্চলৰ educationist, opinion leader বা কলেজ যিসকলে গঢ়ে, সেই কলেজ সমূহ তুলি টালি ডাঙৰ দীঘল কৰি আজি provincialize হৈছে, এই লোকসকলক লৈ Governing Body হ'ব, সেই Governing Body ত গণ্যমান্য ব্যক্তিসকলে selection টো কৰে। এতিয়া সেইটো decentralised কৰাৰ কাৰণে বহু ক্ষেত্ৰত কলেজ বিলাকে নিজৰ কলেজৰ শিক্ষকসকলক selection কৰাৰ সুবিধা পায়। যেতিয়া interview লয় বহু কথা পাতে যে আপুনি ইয়াত থাকিব নে নাথাকে নে আপুনি বাহিৰৰ পৰা আহি কাম কৰিব। এই কথা বিলাক চালি জাৰি চাই হে কামটো কৰে। গতিকে মই চৰকাৰক অনুৰোধ কৰিম যে এই কথাটো চিন্তা কৰক। বাকী যিকেইটা যুক্তি পূৰ্ণ আছে, আমি মানি লৈছো। আগতে আমি পঞ্চায়ত দিছিলো, Local Body দিছিলো, decentralised কৰিছো, এইটো আমি আকৌ কি কাৰণে centralised কৰিছো, সেইটো যদি আমাৰ এজন গণ্যমান্য ব্যক্তি chairman হ'ব, তেওঁৰ যিটো নিম্নতম ক্ষমতা তাত হস্তক্ষেপ কৰিব বিচাৰিছে, গতিকে মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো। আমি বহুত এনেকুৱা সংশোধনী দেখিছো যে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যেতিয়া যুক্তি পূৰ্ণ তৰ্ক হয়, আমাৰ বহু কথা তেখেতে মানি লয়। এই কথাটো খুব সহানুভূতিৰে চাব কৈছো, decentralised নকৰি, centralised কৰি এই লোকসকলক যাক আমি non political বুলি কৈছো, এই লোকসকলৰ ক্ষমতা কৰ্তন কৰিব খুজিছে, তাৰ কাৰণে এই বিবেচনা কৰিববৈলে অনুৰোধ কৰিছোঁ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী আমিনুল ইছলাম (জেষ্ঠ্য)।

**শ্ৰী আমিনুল ইছলাম, (জ্যেষ্ঠ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু আমাৰ College Service Recruitement Board চৰকাৰে গঠন কৰিববৈলে গৈ আছে। ইয়াতে আমি দেখিছো যে academic অভিজ্ঞতা থকা representation টো অলপ কম হৈ আছে । Chairperson জন Principal Secretary Level ত এজন মানুহ দিববৈলে বিচৰা হৈছে, এজন Vice Chancellor member হৈছে আৰু বাকী Secretary Level, Higher Education Level ৰ Member Serectary হ'ব বা Senior Administrative Officer তেওঁলোক হ'ব, মানে এজন মাত্ৰ কলেজৰ principal ইয়াত nominated member হিচাপে ৰাখিছে, গতিকে আমি বিচাৰিছো ইয়াত কম পক্ষেও দুই গৰাকী কলেজৰ Principal যাতে member হিচাপে ৰখা হয় আৰু এগৰাকী খুব অভিজ্ঞ অৱসৰ প্ৰাপ্ত Principal হিচাপে ৰখা হয়। যাতে academic অভিজ্ঞতা থকা মানুহ যাতে অলপ বেছি হয় আৰু তেওঁলোকে যাতে selection সম্পৰ্কত সহায় কৰে। এইখিনিয়ে আমাৰ সংশোধনী।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী অখিল গগৈ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, section 6 ত যিটো কথা কৈছে, যে The Assam College Service Recruitement Board এখন কোন কোন থাকিব, তাক দেখুৱাই দিয়া হৈছে।

ইতিমধ্যে আমি আগতেও কৈছো যে যদিহে এনেকৈ recruitement Board ৰ হাতত

দিয়ে, তেতিয়া হ'লে কলেজ বিলাকত ক্ষমতা কৰ্তন হ'ব।

দ্বিতীয়তে, এইটো শেষত গৈ এটা political appointment হ'বগৈ। APSC কেলেংকাৰী যেনেকুৰা হৈছিলে নহয়, তেনেকুৰা কেলেংকাৰী হ'বগৈ। কালিলৈ যেতিয়া চৰকাৰে Recruitment Board দি, সেই Recruitment Board য়ে বিশেষকৈ শিক্ষকসকলক যেতিয়া নিযুক্তি দিব, তেতিয়া সেইটো এটা political appointment ত পৰিণত হ'বগৈ। গতিকে সেইকাৰণে এইটো এটা ভয়ানক কথা হ'ব। তাৰ বিপৰীতে যদি যিবিলাক interview হয় Governing Body ৰ ওচৰত, তাত যদি waiting list খন থাকে, ১,২,৩। এক নম্বৰত থকা জনে যদি ১৫ দিনৰ ভিতৰত চাকৰিত যোগদান নকৰে, তেতিয়া হ'লে দুই নম্বৰ জন আহিব। তাতে গোটেই সমস্যাটো শেষ। গতিকে ক্ষমতা কলেজৰ হাতৰ পৰা কাঢ়ি অনা নহ'ল আৰু de-centralization ও থাকি গ'ল আৰু যি সমস্যা আছিল যে দূৰলৈ দূৰলৈ গৈ কলেজ বিলাকত গৈহ্লinterview দিয়াৰ ব্যৱস্থা আছিল, সেইটো সমস্যা সমাধান হ'ব আৰু আটাইতকৈ ডাঙৰ কথা হ'ল যে কলেজখনৰ নিজৰ পদটো সময়মতে পুৰণ কৰি ল'ব পাৰিলে। গতিকে মই সেইটো উঠাই ল'ব নোখোজো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া সন্মানীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, The Assam College Service Recruitment Board কৰা হৈছে। Accordingly Board দিব। এটা কথা মাননীয় অধ্যক্ষ মহেদায়, বাছনি যেতিয়া হয়, তেতিয়া University ৰ representa-tive থাকে, কলেজৰ Principal থাকে, এটা বস্তু ভাল হৈছে Govering Body ৰ presi-dent যিজন হ'ব, educationist হ'ব লাগিব, তেওঁ Principal হ'ব লাগিব। আপোনালোকে criteria এটা বনাইছে। এইটো কাৰণে মই ভাৱো ইমান খিনি কৰাৰ পিছতো কি কাৰণত Re-cruitment Board বনোৱা হ'ল। দ্বিতীয়তে হ'ল যে সহজ কথা ২০০৫ ৰ Act, তাতে লগাই দিলে হ'ল যে দ্বিতীয় জনে পাব। গতিকে এই কথাটো Recruitment Board ত অনাৰ কোনো কথাই নাই। কাৰণ কলেজৰ শিক্ষকৰ কাৰণে ৰাজনীতিৰ কোনো স্থান নাই। সেইটো কাৰণে মই ভাৱো যে আমি যেতিয়া এখন আইন বনাওঁ, এই আইনখনে যদি ৰাইজৰ কাৰণে নহয় যদি, এই আইনখন ভাল আইন নহয়, তেতিয়া হ'লে মানুহে আমাৰ বিৰুদ্ধে কথাখিনি ক'ব। মই এইটো withdraw কৰিলো, এই কথাও অনুৰোধ জনাইছোঁ Recruitment Board ৰ পৰা আগৰ নিচিনা Governing Body ক দায়িত্ব দিয়া হয়, মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ জনাইছোঁ।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। এতিয়া সন্মানীয় সদস্য শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো অলপ বেলেগ। আমাৰ দেশৰ বিভিন্ন বিশেষজ্ঞ আৰু কেন্দ্ৰীয় চৰকাৰে বিভিন্ন সময়ত UGC য়ে higher edu-cation টো decentralisation ৰ ওপৰত বিশেষ গুৰুত্ব দিছে। Decentralise কৰা, তাৰ পিছত গৈ এই বিলাক Autonomous College হৈছে। Decentralisation কৰি দিয়াৰ মাজেদি কলেজ বিলাকত শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত যিটো transparency ৰ সুযোগ আছে। যিটো স্পষ্টতা থাকে, কিমান candidate তে পালে নাপালে, শিক্ষামন্ত্ৰীয়ে কিছু technical কথা কৈছে যে ছাত্ৰই বিভিন্ন ঠাইত appointment ল'ব লাগে। কিন্তু basic principle ৰ যিটো কথা যে আমি কলেজক decentralise কৰা higher education ক decentralise নে

centralise কৰিম। এই আইনখনৰ জৰিয়তে নিযুক্তিটোক centralised কৰিব বিচাৰিছে। এই বাছনিটো centralised কৰাৰ জৰিয়তে মোৰ বোধৰে decentralised কৰা higher education ৰ যিটো policy এইটো খৰ্ব কৰা হ'ব।

দ্বিতীয় কথা হ'ব, বাছনি কৰা প্ৰক্ৰিয়াটো দীঘলীয়া হ'ব।

তৃতীয় কথা হ'ব, কলেজ বিলাকৰ autonomy খৰ্ব হ'ব।

চতুৰ্থ কথা হ'ব, transparency টো নাথাকিব, স্বচ্ছতা নাথাকিব কোনে selection পালে নাপালে।

এই কাৰণে এইটো নীতিগত দিশৰ পৰা মই অনুৰোধ কৰিছো চৰকাৰে যাতে বিবেচনা কৰে যে এটা দীৰ্ঘ সময়ত decentralise কৰাৰ policy টো বেছিকৈ কৰাৰ প্ৰয়োজন অনুভৱ কৰিছোঁ। সেয়ে এইটো centralise কৰিবলৈ বিচৰা হৈছে। এইটো যাতে অলপ বিবেচনা কৰে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী আশ্ৰাফুল হুছেইন।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বিলখনক লৈ যি চৰ্চা হৈছে, সেইখিনি বহুত গুৰুত্বপূৰ্ণ। যিটো centralise কৰিব বিচৰা হৈছে, এই ক্ষেত্ৰত বহু প্ৰশ্ন অৱতাৰণা হৈছে। আজি আমাৰ বাকী সন্মানীয় সদস্যসকলে যিখিনি কৈছে, ইয়াক বিৰোধ কৰি সমৰ্থনৰ লগতে এই academic credit টো কি হ'ব, নিম্নতম যোগ্যতা কেনেকুৱা হ'ব, এই কথা বতৰা বিলখনত অহা নাই। মই কৈছো Higher Education department এনেকুৱা এটা department যে তেওঁলোকৰ মন গ'লে নিযুক্তিৰ Rule দিনে নিশাই সলনি কৰিব পাৰে।

এতিয়া কথাটো হ'ল, এজন ছাত্ৰ MA pass কৰিছে, NET, SLET qualify কৰিছে, তাৰ পিছত MPhil, PHD কৰিছে, সেই academic credit খিনি count কৰা হ'ব নে নাই। যদি হয়, কেনেকুৱা ধৰণৰ হ'ব। এইখিনি কথাৰ প্ৰয়োজন এই কাৰণে আছে যে প্ৰায় এক হাজাৰ পদ এতিয়া খালী হৈ আছে। এক হাজাৰ পদ পূৰণ হৈ যোৱাৰ পিছত বোৰ্ডখন কাৰ্য্যকৰী নাথাকিব নেকি? বা আকৌ কলেজৰ লৈকে এই ক্ষমতা ঘুৰাই দিয়া হ'ব নেকি? কাৰণ দুই বছৰৰ সময় লৈছে। মই ভাৱো যদি এবাৰ কৰি ঘুৰাই দিয়া হয়, তেতিয়া বেলেগ কথা আছিল। এবাৰ কৰি ঘুৰাই দিয়াৰ মতলব নাই। তাৰ পিছত interview কেনেকুৱা হ'ব, লিখিত পৰীক্ষা কেনেকুৱা হ'ব। গোটেই জীৱন পঢ়া পাতি কৰি পাঁচ বছৰ research ৰ নামত দি আকৌ যদি text book লৈ বহাই দিয়া হয়, এই কথাবিলাক selection Committee ত এই বিলখনৰ বিবেচনা কৰিব লাগে, এইটো দাবী থাকিব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰী ৰফিকুল ইছলাম।

**ড° ৰফিকুল ইছলাম, (জনীয়া) ঃ** কলেজৰ নিৰ্বাচনৰ ক্ষেত্ৰত যিটো এক্তিয়াৰ আছিল সেইটো বাহাল থাকিব লাগে আৰু যিহেতু চেন্ট্ৰেলি এই বস্তুটো লৈ আহে আৰু এনেকুৱা কথা হৈছিল যে এতিয়াও ৰুলচ্ ফ্ৰেম কৰা নাই, আকৌ যদি পৰীক্ষা পাতে এই সকলৰ । কলেজৰ কাৰণে পি. এইচ. ডি বা নেট উত্তীৰ্ণ সকলে আবেদন কৰে । গতিকে নেট পৰীক্ষা মাননীয় অধ্যক্ষ আমাৰ ভাৰতবৰ্ষত হয়, চাৰি-পাচটা টপ পৰীক্ষাৰ ভিতৰত আন এটা হৈছে নেট পৰীক্ষা। নেচনেল ইলিজিবিলিটি টেষ্ট তেওঁলোকে পাছ কৰি অহাৰ পিছত আকৌ পৰীক্ষা দি বাচনি হ'ব লাগিব এইটো আকৌ এটা তেখেত সকলৰ ওপৰত বোজা জাপি দিয়া হ'ব । মাননীয় অধ্যক্ষ মহোদয়, মই এই কথাটো কৈছে যে ভাইভাৰ কোনো নম্বৰ থাকিব নালাগে যদি চেন্ট্ৰেলী আনে । যিখিনি পি. এইচ. ডি., নেট, শ্লেট আৰু কেৰিয়াৰ মাৰ্ক আছে সেইখিনিৰ ওপৰত ভিত্তি কৰি দিব লাগে। গতিকে মন্ত্ৰী মহোদয়ৰ পৰা

এইটো আশা কৰো যে ভাইভা ৰ কোনো মাৰ্ক থাকিব নালাগে, তাত গৈ গণ্ডগোল হয়। এইখিনি কথা ক'ব বিচাৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** বিৰোধী দলপতি ডাঙৰীয়া।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, এই আইন খনৰ যিটো কথা তাত মাত্ৰ দুটা কথা ক'ব বিচাৰিম। অসম কলেজ শিক্ষক সন্থাই এই আইনখন আহিব বুলি জানি এখন মিটিং কৰিছিলে আৰু তেওঁলোকে ইয়াতে বিভিন্ন প্ৰস্তাৱ চৰকাৰক দিছে। ইয়াৰে প্ৰথম কথাটো হ'ল যে- Process of appointment should be initiative by the advertising for all future vacancies are assistant proffesor, pricipal and other post in colleges atleast once in a year in advance all such vacancies. অৰ্থাৎ যিমান অসমৰ কলেজ আছে সলকোখিনি খালী পদ একেবাৰতে এটা বিজ্ঞাপন দিব লাগে । এতিয়া মহোদয়, যিটো কথা কোৱা হৈছে যে বিভিন্ন কলেজে কৰিলে এই কথাটো হয় যে খালী পদ থাকি যায় যেতিয়া ভাল কলেজলৈ প্ৰফেচাৰ সকলে গুচি যায় তেতিয়া আকৌ বিজ্ঞাপন দিবলগীয়া হয় । সেই খিনি নহ'বলৈ মহোদয়, The selection list of various colleges may be collected. গোটেই অসমত যেতিয়া ইন্টাৰভিউ হয় সকলো চিলেকশ্যন লিষ্টখিনি আমাৰ ষ্টেট হেড কোৱাৰ্টাৰত দিয়ে বা হাইয়াৰ ইডুকেশ্যনলৈ দিয়ে তালৈ কালেক্ট কৰি লৈ আহিব লাগে আৰু যিমান চৰ্ট লিষ্টেড কেনডিডেট আছে একেলগে পাব্লিচ কৰিব লাগে । তাৰ পিছত প্ৰতিটো পোষ্টৰ বিপৰীতে দুজনকৈ বাচনি কৰাৰ কাৰণে সংশোধনী আনে অথবা এখন কলেজৰ কাৰণে এজনে এপ্লাই কৰিব এনেকুৱা সংশোধনী আনে তেতিয়াহ'লে যিটো বিভিন্ন ঠাইত পায় কাৰণে কিছুমান ঠাইত নাযায় সেই সমস্যাটো নাইকীয়া হৈ যাব । তেতিয়া সকলোখিনিয়ে একেলগে কৰিব পাৰিব । সেইটো হ'লে আমি ভাবো যে যিখিনি আসোঁৱাহ আছে সেইখিনি দূৰ হ'ব, লগতে লিখিত পৰীক্ষা কৰাতকৈ যিহেতু নেট, শ্লেট, পি এইচ ডি আছে সেইখিনিৰ ভিত্তিতে কৰিব লাগে । আমি বিভিন্ন সময়ত দাবি জনাও যে আমাক এখন কলেজ দিয়ক। কিন্তু এই কলেজবিলাক বিভিন্ন সময়ত ৰাইজে প্ৰতিষ্ঠা কৰা গতিকে সামাজিক মৰ্য্যদা সম্পন্ন ব্যক্তি সকলক তাত দিছে, ৰাজনৈতিক নেতা সকলক আঁতৰাইছে সেইটো ভাল পাইছো। এই স্বকীয়তাটো ৰাখিবলৈ যত্ন কৰিলে ভাল পাম ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**ডাঃ ৰণোজ পেগু, ( মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা পদৰ বিপৰীতে এটা প্ৰাৰ্থী বাচনি কৰা বা ৱেইটলিচটিংৰ যিটো কথা কৈছে এইটো আমাৰ এই বিলখনৰ বাহিৰত । এতিয়া এটা Financial Rule Budget Managment Act, 2005 তাৰ এটা ব্যৱস্থা। এতিয়া আমাৰ যিমান বিলাক শিক্ষক ৰিক্ৰুইটমেন্ট হৈ আছে, ডিৰেক্ট ৰিক্ৰুইটমেন্ট কমিচন হৈ আছে, পুলিছৰ ৰিক্ৰুইটমেন্ট হৈ আছে কতো ৱেইটলিষ্ট নাথাকে আৰু ৱেইটলিষ্ট থাকিলে কি ভাল কি অসুবিধা এইটো লৈ এটা বেলেগ আলোচনা হ'ব পাৰে । কাৰণ ৱেইটলিষ্ট হোৱা মানে বেলেগ এখন দুৱাৰ খুলি দিয়া হয় । গতিকে সেই দুৱাৰ খন বন্ধ কৰা নিযুক্তিৰ ক্ষেত্ৰতা স্বচ্চতা অনা, নিযুক্তিৰ ক্ষেত্ৰত দুৰ্নীতি বন্ধ কৰা, তাৰ কাৰণে এই ব্যৱস্থা হৈছে যে ৱেইটলিষ্ট নহ'ব এটা পদৰ বিপৰীতে এজনে প্ৰাৰ্থী বাচনি কৰিব লাগিব সেইটো অসম সাধাৰণ বিধিত আছে আৰু সেই সাধাৰণ বিধি ৰাজ্যৰ ৰুল, আমি আইনখন ইয়াতে সকলোৱে মানি চলিব লাগিব । এই আইনখন হোৱাৰ পিছত আটাইতকৈ বেছি সুখী হৈছে প্ৰাৰ্থী সকল। প্ৰাৰ্থী সকলে মোক নিজেই কৈছে যে এখন মহাবিদ্যালয়ত আবেদন কৰোতেই আমি

তিনি হাজাৰ টকা দিব লাগে। এতিয়া মহাবিদ্যালয়ক যেতিয়া সোধা হয় আপোনালোকক ইমানখিনি পইছা কিয় লাগে তেতিয়া ক'লে যে আমি ইউনিভাৰচিটিৰ মানুহ মাতিব লাগে, আমি চাবজেক্ট এক্সপাৰ্ট মাতিব লাগে, তেওঁলোকক টি এ., ডি.এ. দিব লাগে। আবেদন হয় ৫-১০ খন, **শ শ** আবেদনটো নহয় । গতিকে আমি এই পইছাটো ল'ব লাগিব । এতিয়া এজন প্ৰাৰ্থীয়ে বহুকেইখন কলেজত বাৰে বাৰে আবেদন কৰিব লগীয়া হয় আৰু আবেদন কৰিব যাওঁতেই সেই নিবনুৱাখিনিয়ে বহুত পইছা খৰচ কৰিব লগীয়া হয়। এতিয়া চেন্ট্ৰেলাইজ চিচটেম এটা হ'লে তেখেতে অনলাইন এবাৰে আবেদন কৰিব আৰু ইয়াত গোটেই অসমৰ কাৰণে কোন কোন মহাবিদ্যালয়ত, কোন কোন বিভাগত, কিমান পদ আছে সেই গোটেইখিনি তথ্য সংগ্ৰহ কৰি এবাৰেই বিজ্ঞাপন কৰিম সকলোৱে ইয়াৰ সুযোগ সুবিধাটো ল'ব পাৰে । অন্য এটা কথা যিটো ইয়াত উল্লেখ কৰা হৈছে যে ইয়াৰ ন্যূনতম অৰ্হতা কি হ'ব? ইয়াত ইউ. জি. চি য়ে যি নিৰ্ধাৰণ কৰি দিছে তাৰ কোনো সালসলনি অসম চৰকাৰে নকৰে । গতিকে সেইটো তেনেকে থাকিব । এতিয়া কথাটো হ'ল যে বাচনি প্ৰক্ৰিয়াটো আমি একাডেমিকচ্‌ৰ ওপৰত বেচ কৰিম নে আমি পৰীক্ষা অনুস্থিত কৰিম, ই এটা বেলেগ সিদ্ধান্ত হ'ব । কিন্তু যেতিয়া একাডেমিকচ্ ৰ কথা যায় নেট টো এটা সৰ্বভাৰতীয় পৰীক্ষা, নেটৰ মাৰ্কটো ঠিকে আছে কিন্তু ইউনিভাৰচিটিৰ মাৰ্কটো বেলেগ বেলেগ ইউনিভাৰচিটিৰ গ্ৰেড পেটাৰ্ণটো বেলেগ। আজি আমি অসমত চেষ্টা কৰি আছো যে অসমৰ আটাইকেইখন বিশ্ববিদ্যালয়ৰ গ্ৰেডিং চিচটেমটো একে হয় । ইয়াৰ কাৰণে ভি. চি. সকলৰ মিটিং হৈছে। কিন্তু ইয়াত বেলেগ ইউনিভাৰচিটিৰ প্ৰাৰ্থী পাৰ্টিচিপেট কৰিব, তেওঁলোকৰ গ্ৰেডিং পেটাৰ্ণটো বেলেগ । আজি যদি আমি চাঁও পুৰণা পদ্ধতিৰে যিসকল ছাত্ৰ-ছাত্ৰীয়ে পাছ কৰিছিল তেওঁলোকৰ মাৰ্ক যদি চাঁও ৫০, ৬০ শতাংশ, কিন্তু আজি যদি চাঁও যি সকল ছাত্ৰ-ছাত্ৰী তেওঁলোকৰ মাৰ্ক ৮৯, ৯০ শতাংশ লাভ কৰে । এতিয়া ছাত্ৰ-ছাত্ৰীয়ে বহুত বেছি নম্বৰ পাবলৈ সক্ষম হৈছে আৰু পুৰণা দিনত ছাত্ৰ-ছাত্ৰী সকলে ইমান নম্বৰ পাবলৈ সক্ষম হোৱা নাছিল । তাৰো কাৰণ বিশ্লেষণ কৰিলে আমি বিভিন্ন কাৰণ পাম। কাৰণ তেতিয়া ইমান নম্বৰ দিয়াত লিবাৰেল নাছিল কিন্তু আজিকালি বহুত লিবাৰেলী নম্বৰ দিয়া হয় । আজিকালি ছাত্ৰ-ছাত্ৰী সকলে স্কৰিং কৰিবৰ কাৰণে সুবিধা লাভ কৰে । এতিয়া ক'ৰবাত নহয় ক'ৰবাত ইকুৱেলাইজি এক্জামৰ প্ৰয়োজন হ'ব আৰু প্ৰয়োজন হ'লে আমি পাতিব লাগিব । এই কথাটোৰ সিদ্ধান্তটো আমি গ্ৰহণ কৰিম আৰু সকলো পক্ষৰ লগত আমি আলোচনা কৰিম । কিন্তু এতিয়া মহাবিদ্যালয় খনৰ গবাৰ্নিং বডি ৰ জৰিয়তে নিযুক্তিৰ ক্ষেত্ৰত আমি যিখিনি অসুবিধা পাই আছো আৰু প্ৰাৰ্থী সকলে যিখিনি অসুবিধা পাই আছে আৰু মহাবিদ্যালয় খনৰ গবাৰ্নিং বডি সমূহেও যিখিনি অসুবিধা পাই আছে, তেওঁলোকে এজন প্ৰাৰ্থী বাচনি কৰাৰ পিছত গোটেই প্ৰক্ৰিয়াটো বাতিল কৰি পুনৰ বিজ্ঞাপন কৰিবলগীয়া যিটো সমস্যাৰ সন্মুখীন হৈ আছে এই সমস্যাকেইটাৰ এটা সামূহিক সমাধানৰ কাৰণে আমি ৰাজ্যিক মহাবিদ্যালয় কৰ্মচাৰী ৰিক্ৰুইটমেন্ট বৰ্ডখন কৰিছো। এই বৰ্ডখন গঠন কৰাৰ পিছত মই আজিলৈকে কোনো কলেজৰ পৰা বা কোনো এনে ধৰণৰ প্ৰাৰ্থীৰ পৰা বিলখন উত্থাপন কৰাৰ দিনৰ পৰা আজিলৈকে মই কোনো আপত্তি পোৱা নাই । বৰঞ্চ তেওঁলোকে আদৰণি জনাইছে । এটা centralise system হ'লে আমি সকলোৱে সকাহ পাম। গতিকে এই centralise system টোৱে সম্পূৰ্ণৰূপে প্ৰাৰ্থী, মহাবিদ্যালয় সকলোকে সকাহ দিব। স্বচ্ছতাৰ কথা উল্লেখ কৰা হৈছে। স্বচ্ছতা যেতিয়া নিযুক্তি প্ৰক্ৰিয়াটো এটা কেন্দ্ৰৰ পৰা হ'ব আমাৰ monitoring কৰিবলৈ বেছি সুবিধাহে হ'ব আৰু আমি এটা সম্পূৰ্ণ online ব্যৱস্থা গঢ়ি তুলিম। ৩৩৭ মহাবিদ্যালয় আছে, মহাবিদ্যালয়ৰ সংখ্যা বাঢ়ি গৈ থাকিব। গতিকে মহাবিদ্যালয়ৰ সংখ্যা বাঢ়ি গৈ

থাকোতে প্ৰত্যেকখন মহাবিদ্যালয়ৰ নিযুক্তি প্ৰক্ৰিয়া তাক monitor কৰাতো সম্ভৱপৰ হোৱাৰ আজিৰ সমস্যা আছে। তাৰ তুলনাত centralise হ'লে আমি খুব ভালকৈ monitoring কৰিব পাৰিম আৰু যোগ্য প্ৰাৰ্থী সকলক বাচি উলিয়াই তেওঁলোকক আমি আমাৰ উচ্চ শিক্ষাৰ অনুষ্ঠানত নিযুক্তি কৰিব পাৰিম। এতেকে এই বিলখনে মই ভাৱো অসমৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত, নিযুক্তিৰ ক্ষেত্ৰত এটা দীৰ্ঘদিনীয়া অসুবিধাৰ সমাধান ঘটাব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া উঠাই ল'ব।

**শ্ৰীভৰত চন্দ্ৰ নৰহ, (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াই যিখিনি যুক্তি দিছে, সেইটো আমি গ্ৰহণ কৰিব পৰা নাই। কাৰণ এই বিলখন আনি চৰকাৰৰ যিটো বিকেন্দ্ৰীকৰণ নীতি সেইটো সম্পূৰ্ণভাৱে ধ্বংস কৰিবলৈ বিচৰা হৈছে। Governing Body ৰ Power curtail কৰি Assam Teacher College Recruitment Board এখন কেন্দ্ৰীভূত কৰিছে গোটেই ক্ষমতাটো। এই নীতিটোৰ আমি বিৰোধিতা কৰিছো। কাৰণ যিটো সময়ত চৰকাৰে বিকেন্দ্ৰীকৰণ, বিকেন্দ্ৰীকৰণ কৰি থাকে, পঞ্চায়ত level লৈকে আমি power দিব লাগে, town committee লৈকে power দিব লাগে, Governing Body ক power দিয়া হৈছে। এইটো ঘুৰাই অনা হৈছে এতিয়া।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উন্নয়ণৰ কাৰণে কলেজসমূহ আমাৰ এটা Institute of Governance নহয়। It is local self Government নহয়। College local self Governement নহয়। গতিকে কলেজক পঞ্চায়তৰ লগত, নগৰ পালিকাৰ লগত বা Autonomous Council ৰ লগত তুলনা কাৰ নাযায়। কলেজৰ Autonomy ৰ কথাটো মুলতঃ Academics ৰ ক্ষেত্ৰত আৰু এই academics ৰ ক্ষেত্ৰত আমি decentralise কৰাৰ কাৰণে আমি উচ্চ শিক্ষা decentralise কৰাৰ কাৰণে যিসকলে কয় যে জিলাই জিলাই যি বিশ্ববিদ্যালয়, এই নতুন নতুন বিশ্ববিদ্যালবিলাক স্থাপন কৰিছো। কলেজ বিলাকৰ উচ্চ শিক্ষাক decentralise কৰাৰ কাৰণে। দ্বিতীয় কথাটো হ'ল, Autonomous college ৰ কাৰণে, Autonomous college ৰ মৰ্য্যদা লাভ কৰাৰ কাৰণে প্ৰত্যেকখন কলেজক আমি সহায় কৰিব বিচাৰিছো। যাতে তেওঁলোকে Academically indepandent হ'ব পাৰে। উচ্চ শিক্ষাৰ অনুষ্ঠান এটাই নিযুক্তি বা financial matter ত তেওঁলোক independent autonomous হোৱাতকৈ উচ্চ শিক্ষাৰ অনুষ্ঠানটো তেওঁলোকে Academic বিদ্যায়তনিক বিষয়ত তেওঁলোক বিকেন্দ্ৰীকৃত হ'ব লাগে, স্বায়িত্বশাসিত হ'ব লাগে। তাত চৰকাৰে যি logistic, administrative support দিব লাগে সেই support টো চৰকাৰে দিব আৰু এই logistic support তাত manpower দিব লাগে, manpower support দিয়াৰ যিটো support চৰকাৰখনৰ দায়িত্বত আছে, সেই দায়িত্ব পালন কৰাৰ কাৰণে বিলখন অনা হৈছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া উঠাই ল'ব নে।

**শ্ৰীভৰত চন্দ্ৰ নৰহ, (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উঠাই নলও।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। উঠাই নলয়।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ, মই এটা কথা কওঁ।

**মাননীয় অধ্যক্ষ ঃ** নালাগে। আৰু তিনিখন বিল আছে।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিলখন আমাৰ দলৰ পৰা কোৱা হৈছে। মোৰ এটা কথা বৰাকভেলীৰ official language বেংগলী হয়।

**মাননীয় অধ্যক্ষ ঃ** এইবোৰ কথা ইয়াত কিয় আনি থাকে।

**শ্ৰীৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিটো কৈছে যে, grading ক্ষেত্ৰত UGC য়ে এইটো নিৰ্ধাৰণ কৰি দিছে যে P.hd ৰ কাৰণে কিমান মাৰ্ক থাকিব, SLET ৰ কাৰণে কিমান NET, M.A., B.A এইটো গোটেই ভাৰতবৰ্ষত একেই চলি আছে। গতিকে আমি যদি আমাৰ ৰাজ্যখনত বেলেগকৈ আকৌ পৰীক্ষা পাতো আকৌ কোনোবা court ত যাব। আকৌ hanging হ'ব। গতিকে সেইটো নকৰি আমি যিটো দেখিছো আপুনি এইটো পাছ কৰিছে। যদি পাছ কৰে, viber কোনো মাৰ্ক থাকিব নালাগে।

**শ্ৰীভৰত চন্দ্ৰ নৰহ, (নাওবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিকেন্দ্ৰীকৰণ নীতি চৰকাৰে ধ্বংস কৰিব বিচাৰিছে। তাৰ প্ৰতিবাদত সদন ত্যাগ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** উঠাই নলয় কোনেও। মাননীয় সদস্য শ্ৰীদেৱব্ৰত শইকীয়াৰ লগতে তেখেতৰ সহযোগী আৰু শ্ৰীকমলাক্ষ দে পুৰকায়স্থ, শ্ৰীআমিনুল ইছলাম ডাঙৰীয়া, শ্ৰীঅখিল গগৈ ডাঙৰীয়া তেখেতসকলৰ সংশোধনী প্ৰস্তাৱ কেইটা মই সদনত দাঙি ধৰিলো। যিসকল মাননীয় সদস্য/সদস্যা সংশোধনীকেইটাৰ সপক্ষে আছে, তেখেতসকলে কওঁক, হয়, যিসকলে বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাৱো, নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে, নহয়ৰ সপক্ষে সংশোধনীকেইটা নাকচ হ'ল। এতিয়া প্ৰস্তাৱটো ৩ নং দফা বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক, হয়, যিসকলে বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাৱো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ৩ নং দফাটো বিধেয়কখনৰ অংশ হ'ল। ১ নং দফা; পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনৰ কোনো প্ৰস্তাৱ নাই। এতিয়া প্ৰস্তাৱটো হ'ল, ১ নং দফা; পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক, হয়, যিসকলে বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাৱো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ১ নং পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল। মাননীয় মন্ত্ৰী ডাঙৰীয়াই বিল পাছৰ বাবে উত্থাপন কৰিব।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, "The Assam College Employees (Provincialisation) (Amendment) Bill, 2023" বিধেয়কখন পাৰিত কৰণৰ বাবে উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ**এতিয়া মই "The Assam College Employees (Provincialisation) (Amendment) Bill, 2023" বিধেয়কখন সদনত পাৰিত কৰণৰ বাবে দাঙি ধৰিলো। যিসকল মাননীয় সদস্য/সদস্যা বিধেয়কখনৰ সপক্ষে আছে, তেখেতসকলে কওঁক, হয়, যিসকলে বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাৱো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়কখন পাৰিত হ'ল।

"The Assam Science and Technology University (Amendment) Bill, 2023". Hon'ble Minister.

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে "The Assam Science and Technology University (Amendment) Bill, 2023" বিধেয়কখন বিবেচনাৰ বাবে উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰস্তাৱটো হ'ল বিধেয়কখন বিবেচনা কৰাৰ বাবে সদনৰ সন্মতি আছেনে ? যিসকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক, হয়, যিসকলে বিপক্ষে আছে তেখেত

সকলে কওঁক নহয়, মই ভাৱো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱতো গৃহীত হ'ল। এতিয়া বিধেয়কখন দফাই দফাই বিবেচনাৰ বাবে লোৱা হওঁক। ২ নং দফাত মাননীয় সদস্য শ্ৰীদেৱব্ৰত শইকীয়াৰ লগতে তেখেতৰ সহযোগীৰ এটা সংশোধনী আছে।

**শ্ৰীভৰত চন্দ্ৰ নৰহ, (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত আমাৰ যিটো Amendment of Preamble আছে section-2 ত। A Teaching Research and Affiliating University of Science and Technology and other alight subject shall be substituted. আমি চাৰ, মাত্ৰ ইয়াতে Research ৰ পাছত এটা শব্দ লগোৱাটো বিচাৰিছো Development যিহেতু এইটো Arts বা Commerce ৰ University নহয়। এইটো Science and Tehnology ৰ University হয়। সেই কাৰণে কেৱল ইয়াত Teaching আৰু Research তে সীমাবদ্ধ থাকিব নালাগে। যি Student সকলে নতুন technology যাতে তেওঁলোকে আৱিষ্কাৰ কৰিব পাৰে বা তেওঁলোকে আৱিষ্কাৰ কৰি প্ৰস্তুত কৰিব পাৰে তেনেকুৱা এটা সুবিধা দিব লাগে। সেইকাৰণে কৈছো যে Teaching, research লগত Development.

**মাননীয় অধ্যক্ষ ঃ** Hon'ble Minister.

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সাধাৰণতে আমাৰ যিবিলাক multinational company থাকে, বিভিন্ন product ৰ এই multnational company বিলাকে তেওঁলোকৰ ব্যৱসায়টো সদায় বঢ়োৱাৰ কাৰণে তেওঁলোকৰ এটা RND ৰ Research and development wing এটা থাকে। আমাৰ এইটো হ'ল শিক্ষানুষ্ঠান। গতিকে আমাৰ শিক্ষানুষ্ঠানৰ ব্যৱসায় বঢ়োৱাৰ কোনো agenda নাথাকে। আমাৰ মুলতঃ যে শিক্ষা আৰু তাৰ লগত এতিয়া আমি গৱেষণাৰ ওপৰত বহুখিনি গুৰুত্ব দিছো আৰু এই বেলেগ কলেজকো যাতে বিশ্ববিদ্যালয়ৰ সুবিধা দিব পাৰো তাৰ কাৰণে affiliation এই তিনিটা objective লৈ teaching,research আৰু ইয়াৰ affiliation অন্যান্য মহাবিদ্যালয়। এই তিনিটা objective ক আমি আমাৰ Preamble খনত স্থান দিছো আৰু মই ভাৱো যে এইটোৱে সঠিক ইয়াত আমি Development শব্দটো কোনো প্ৰয়োজন নাই।

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে উঠাই ল'ব।

**শ্ৰীভৰত চন্দ্ৰ নৰহ, (নাওঁবৈচা) ঃ** উঠাই লৈছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰস্তাৱটো হ'ল ২ নং দফা বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য/সদস্যা সপক্ষে আছে, তেখেতসকলে কওঁক, হয়, যিসকলে বিপক্ষে আছে তেখেত সকলে কওঁক নহয়, মই ভাৱো, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ২ নং দফা বিধেয়কখনৰ অংশ হ'ল। ৩ নং দফাত মাননীয় সদস্য শ্ৰীঅখিল গগৈ ডাঙৰীয়াৰ এটা সংশোধনী প্ৰস্তাৱ আছে।

**শ্ৰীঅখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ৩ নং দফাত যিটো সংশোধনী আনিছো, সেই সংশোধনীটো হ'ল I proposed that the words to maintain and manage Assam Enginnering College as constituent college shall be deleted as provided in the proposed section. বিলখনক লৈ কোনো আপত্তি নাই বেলেগ বিলাকক লৈ যে এখন Science and Technology Universityখনৰ scope বঢ়াব লাগে। তাক ভালকৈ গঢ়িব লাগে। এইবিলাক কথাত চৰকাৰৰ লগত আমাৰ সন্মতি আছে। কিন্তু

এই যে Assam Engineering College খনক Constituent College হিচাপে ল'ব। আমাৰ কটন কলেজ খনক Cotton University কৰোতে Constituent College কৰাৰ কাৰণে কটন কলেজৰ গোটেই ঐতিহ্য, আমাৰ যিটো Heritage আছিল আৰু আমাৰ যিটো গৌৰৱ আছিল কটন কলেজক লৈ আগত যি ধৰণৰ গৌৰৱবোধ আছিল সেইটো ধূলিচাৎ হৈ গ'ল প্ৰায় ১০ বছৰমান ধৰি। Academic গোটেই atmosphere টোৱে খেলি-মেলি হৈ গ'ল। এতিয়া আমাৰ চৰকাৰে বাৰম্বাৰ বিভিন্ন ধৰণৰ এনেকুৱা University বিলাক বনাই আছে। কিন্তু University বিলাক বনাবৰ কাৰণে যিটো infrastructure development কৰিব লাগে তাৰ কাৰণে যি টকা দিব লাগে, সেইটো নিদি বেলেগ এখন কলেজৰ যিটো property আছে, সেই property টো constituent college বুলি কৈ সেই property টোকে university খনক দি দিব খোজে। ভট্টদেৱ কলেজলৈ আপুনি চাওঁক, সকলো কলেজ university বিলাকলৈ, আপুনি যদি চায় সেই একেটা ঘটনা ঘটিছে। এতিয়া Assam Science and Technology University খনক আগতে কেৱল Engineering College বিলাকৰ পৰীক্ষা পতা বা তেওঁলোকক control কৰাৰ এখন university হিচাপে কৰি এতিয়া তাৰ scope বহলাব কোৰা হৈছে। আমি তাক welcome কৰিছো। কিন্তু Assam Engineering College খনক তাৰ Constituent College কলেজ হিচাপে লোৱাৰ পৰা অব্যাহতি দি, এই বিশ্ববিদ্যালয়খনক ডাঙৰ এটা কেম্পাচ দি তেওঁলোকক ডাঙৰ infrastructure বনাবৰ বাবে ধনৰ ব্যৱস্থা কৰা বিষয়টোহে ইয়াত সন্নিবিষ্ট কৰিব লাগে বুলি ভাৱো। আসাম ইঞ্জিনিয়াৰিং কলেজ গোটেই ভাৰতবৰ্ষৰ ভিতৰত এখন অন্যতম কলেজ। তাক ধ্বংস কৰিবৰ কাৰণে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব নালাগে বুলি মই ভাৱো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিয়ক।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী শিক্ষা ইত্যাদি বিভাগ)ঃ** তেখেতৰ তথ্যত বিভ্ৰাট আছে। তেখেতে কৈছে কটন কলেজখনক Constituent কলেজ কৰা হৈছে। কটন কলেজখনক কেতিয়াও কটন বিশ্ববিদ্যালয়ৰ Constituent কলেজ কৰা হোৱা নাছিল বা কৰা নহ'ল। কটন কলেজখনক কটন বিশ্ববিদ্যালয়লৈ উন্নীতকৰণ কৰা হৈছিল। গতিকে মহাবিদ্যালয় এখনক বিশ্ববিদ্যালয়লৈ আপগ্ৰেড কৰা আৰু মহাবিদ্যালয় এখনক Constituent কলেজ কৰাৰ মাজত পাৰ্থক্য আছে। দ্বিতীয়তে, Affiliated College আৰু Constituent কলেজৰ মাজতো পাৰ্থক্য আছে। Affiliated মানে সেই কলেজখন বিশ্ববিদ্যালয়ৰ নহয়। সেই কলেজখন এটা বেলেগ Entity. কিন্তু কলেজে যিহেতু ডিগ্ৰী প্ৰদান কৰিব নোৱাৰে আৰু একমাত্ৰ বিশ্ববিদ্যালয়েহে ডিগ্ৰী প্ৰদান কৰিব পাৰে, সেয়েহে বিশ্ববিদ্যালয় এখনৰ সহায় আৰু Affiliation ৰ তাত দৰকাৰ হয়। সেই কলেজখনৰ প্ৰতি বিশ্ববিদ্যালয়খনৰ কোনো দায়বদ্ধতা নাথাকে। সেই কলেজখনৰ পৰা বিশ্ববিদ্যালয়খনে মাচুল ল'ব যে মই তোমালোকৰ ছাত্ৰ-ছাত্ৰীক ডিগ্ৰী দিম। গতিকে তাৰ বিনিময়ত মাচুল দিব লাগিব। বিভাগ এটা খুলিবলৈ হ'লে অনুমতি ল'ব লাগিব। আজিকালি পৃথিৱীত Affiliated College প্ৰায় নোহোৱা হৈ গৈছে। কিন্তু আমাৰ অসমত এতিয়াও বৃহৎ সংখ্যক Affiliated College চলি আছে। এই কলেজ সমূহে ডিগ্ৰী ল'বৰ বাবে বিশ্ববিদ্যালয়ৰ ওচৰত অনুমতি ল'ব লাগে, মাচুল দিব লাগে। কিন্তু Constituent কলেজ হ'ল বিশ্ববিদ্যালয় খনৰ নিজা কলেজ। ইয়াত সেই Constituent কলেজখনে কোনো মাচুল দিব নালাগে। কাৰণ সেইখন বিশ্ববিদ্যালয় খনৰ নিজা কলেজ। সেয়েহে এতিয়া অসম ইঞ্জিনিয়াৰিং কলেজখন যেনেকৈ আছে, তেনেকৈ থাকিব। কিন্তু

ইয়াৰ ষ্টেটাচটো হ'ব যে It is a Constituent College of Assam Science and Technology University. অৰ্থাৎ অসম ইঞ্জিনিয়াৰিং কলেজখন এই বিশ্ববিদ্যালয়খনৰ নিজা কলেজ আৰু এই বিশ্ববিদ্যালয়খনৰ নিজৰ সন্তান হৈ পৰিব। ইয়াৰ লগে লগে ইঞ্জিনিয়াৰিং কলেজসমূহৰো গভৰ্ণিং বডি গঠন কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছো। Assam Science and Technology University ৰ যিজন V.C হ'ব, তেওঁ অসম ইঞ্জিনিয়াৰিং কলেজৰ গভৰ্ণিং বডিৰ চেয়াৰমেন হ'ব। অসমৰ নতুনকৈ প্ৰতিষ্ঠা কৰা বিশ্ববিদ্যালয় আছে, তাতেও আমি Constituent College ৰ ব্যৱস্থা কৰাৰ কাৰণে এটা প্ৰক্ৰিয়া আৰম্ভ কৰিছো। অৰ্থাৎ মাধৱদেৱ কলেজখন যাতে বিলুপ্ত হৈ নাযায়। কলেজখন মাধৱদেৱ বিশ্ববিদ্যালয়ৰ Constituent College হৈ পৰিব, বজালী কলেজখন ভট্টদেৱ বিশ্ববিদ্যালয়ৰ Constituent College হৈ পৰিব আৰু হোজাই কলেজখন ৰবীন্দ্ৰ নাথ বিশ্ববিদ্যালয়ৰ Constituent College হৈ পৰিব। অৰ্থাৎ কলেজসমূহৰ নিজৰ অস্তিত্ব থাকিব আৰু কলেজসমূহ যিহেতু বিশ্ববিদ্যালসমূহৰ নিজা কলেজ হ'ব গতিকে এই কলেজবিলাকৰ বিকাশ আৰু দ্ৰুততৰ হ'ব। আসাম ইঞ্জিনিয়াৰিং কলেজখনক Constituent College কৰাৰ লগে লগে ইয়াৰ মান-মৰ্য্যদা বহুখিনি ওপৰলৈ যাব বুলি পৰিকল্পনা কৰি এই কামটো কৰিছো।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা স্পষ্টীকৰণ বিচাৰিছো। আসাম ইঞ্জিনিয়াৰিং কলেজখনক আপোনালোকে Assam Science and Technology University ৰ Constituent College কৰিলে। মই যিমানদূৰ বুজিছো আসাম ইঞ্জিনিয়াৰিং কলেজৰ যিখিনি ফেকাল্টি, সেইখিনি 12 (B) Recognition লাগিব। এইখন কলেজৰ যিখিনি ফেকাল্টি পৰৱৰ্তী সময়ত আহিব, সেই ফেকাল্টিৰ দায়িত্ব কোনে ল'ব? তেওঁলোকৰ নিযুক্তি, দৰমহা ইত্যাদি বিশ্ববিদ্যালয়ৰ পৰা যাব নে আসাম ইঞ্জিনিয়াৰিং কলেজ হিচাপে অন্য সুঁতিৰ পৰা যাব। কাৰণ 12 (B) Recognition ৰ কাৰণে নিশ্চিতভাৱে আপোনালোকক ফেকাল্টি লাগিব আৰু সেই ফেকাল্টিখিনি আপোনালোকে আসাম ইঞ্জিনিয়াৰিং কলেজৰ পৰা Constituent College কৰি হয়তো আনিব বিচাৰিছে। আসাম ইঞ্জিনিয়াৰিং কলেজখন এখন স্বতন্ত্ৰ কলেজ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত আছে। সেইখন তেনেকৈয়ে চলাওঁক। যিখন বিশ্ববিদ্যালয় কৰিছে সেইখন স্বতন্ত্ৰভাৱে কৰি তাৰ ফেকাল্টি আপোনালোকে নিযুক্তি দিয়ক। নিযুক্তি সমস্যাটো এৰাবৰ বাবে আপোনালোকে আসাম ইঞ্জিনিয়াৰিং কলেজখনক Constituent College কৰিছে নে অন্য কিবা কাৰণত কৰিছে, জনাওঁক।

**ডাঃ ৰণোজ পেগু, (মন্ত্ৰী শিক্ষা ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই পুনৰ কৈ আছো যে আসাম ইঞ্জিনিয়াৰিং কলেজখন যেনেকৈ আছে, তেনেকৈয়ে থাকিব আৰু তাৰ ফেকাল্টিসকলে যি ধৰণে এতিয়া অসম চৰকাৰৰ পৰা বেতন আদি পাই আছে, সেই ধৰণেই পাই থাকিব। কলেজখনে এতিয়া অসম চৰকাৰৰ পৰা যি ধৰণে গ্ৰাণ্ট আদি পাই আছে সেইধৰণে পাই থাকিব। তাৰোপৰি তেওঁলোকে নিজা বিশ্ববিদ্যালয় এখনৰ পৰা চাপোৰ্ট পাব আৰু যিটো চাপোৰ্ট পোৱাৰ বাবে মহাবিদ্যালয়খনে দ্ৰুতভাৱে আগবাঢ়িব পাৰিব। ইয়াৰ লগত আৰু এটা কথা মই ক'ব বিচাৰিছো যে আমাৰ যি শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিশ্ববিদ্যালয় আছে, সেই বিশ্ববিদ্যালয়খনে নিজে কোনো Academic Course Conduct নকৰে। কলেজসমূহে Course বিলাক Conduct কৰে। বিশ্ববিদ্যালয়ে পৰীক্ষা পাতে আৰু ডিগ্ৰী দিয়ে। এতিয়া Assam Science and

Technology University ৰ ক্ষেত্ৰতো তেনেধৰণে ভৰা হৈছিল যে এই বিশ্ববিদ্যালখনে নিজাববীয়াকৈ কোনো Course Conduct নকৰিব। ইয়াৰ Examination Wing খুব শক্তিশালী হ'ব আৰু বিভিন্ন কলেজক Affiliation দিব আৰু সেই কলেজ সমূহৰ পৰীক্ষা অনুষ্ঠিত কৰি সেই কলেজসমূহক ডিগ্ৰী প্ৰদান কৰিব। কিন্তু এতিয়া Assam Science and Technology Universityখনৰ সীমিতভাৱে P.G Academic Course Conduct কৰাৰ কথা ভৰা হৈছে। কিন্তু তাৰ বাবে ফেকাল্টি লাগিব আৰু ইয়াৰ বাবে যিখিনি ফেকাল্টি থাকিব, সেইখিনি বিশ্ববিদ্যালয় খনৰ নিজা ফেকাল্টি হ'ব। কলেজৰ যিখিনি ফেকাল্টি সেইখিনি কলেজৰ বাবে হ'ব। কিন্তু প্ৰশাসনিকভাৱে বিশ্ববিদ্যালয়খনে কলেজখনক আৰু কলেজখনে বিশ্ববিদ্যালয়খনক চাপোৰ্ট দিব আৰু দুয়োখনৰ মাজৰ চাপোৰ্ট চিষ্টেমত মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয় দুয়োখনৰে বিকাশ হ'ব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় অখিল গগৈ ডাঙৰীয়া আপুনি আপোনাৰ সংশোধনী প্ৰস্তাৱটো উঠাই ল'ব নে?

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই কৈছিলো যে বিশ্ববিদ্যালয়খনক নতুন এটা গঠন দিব লাগে। কিন্তু বিশ্ববিদ্যালয়খনৰ কেৱল মাত্ৰ ২০-২২ বিঘা মানহে মাটি আছে। এই Assam Science and Technology University খনৰ ভালকৈ আন্তঃগাঁথনিখিনি বনাবৰ বাবে ধন দিয়াৰ পৰিৱৰ্তে এই কলেজখনৰ গোটেইখিনি সম্পত্তি বিশ্ববিদ্যালখনক দি দিব খোজা হৈছে। তাৰ বাহিৰে বেলেগ একো নাই। চৰকাৰে কেৱল নামতহে বিশ্ববিদ্যালয়খন বনাব বিচাৰিছে। মই বাকী সকলো কথা মানি লৈছো। কিন্তু আমাৰ আসাম ইঞ্জিনিয়াৰিং কলেজখনক ইয়াৰ Constituent College হিচাপে ৰাখিব নালাগে বুলি ভাৱো আৰু সেয়েহে মই মোৰ সংশোধনী প্ৰস্তাৱটো উঠাই ল'ব খোজা নাই।

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া মাননীয় অখিল গগৈ ডাঙৰীয়াৰ সংশোধনী প্ৰস্তাৱটো সদনত দাঙি ধৰিলো। যিসকল মাননীয় সদস্য-সদস্যা সংশোধনী প্ৰস্তাৱৰ সপক্ষে আছে তেখেতসকলে কওঁক 'হয়', যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়' (সদনে সংশোধনীটো নাকচ কৰে)। মই ভাৱো 'নহয়'ৰ সপক্ষে, 'নহয়' ৰ সপক্ষে, 'নহয়'ৰ সপক্ষে সংশোধনীটো নাকচ হয়। প্ৰশ্নটো হ'ল- ৩ নং দফাটো বিধেয়কৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যা বিধেয়কৰ সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়', যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়'
(সদনে বিধেয়কখন সমৰ্থন কৰে)।মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে ৩ নং দফাটো বিধেয়কৰ অংশ হ'ল। ৪ নং দফাটো কোনো সংশেধনী প্ৰস্তাৱ নাই। ৪নং দফাটো বিধেয়কৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যা বিধেয়কৰ সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়' যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়' (সদনে বিধেয়কখন সমৰ্থন কৰে)। মই ভাৱো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে ৪ নং দফাটো বিধেয়কৰ অংশ হ'ল। ৫ নং দফাত মাননীয় দেৱব্ৰত শইকীয়া ডাঙৰীয়া, তেখেতৰ সহযোগী আৰু হাফিজ বছিৰ আহমেদ ডাঙৰীয়া, তেখেতৰ সহযোগীসকলৰ সংশোধনী প্ৰস্তাৱ আছে।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওবৈচা) ঃ** আমি এই সংশোধনীটো মুভ নকৰো।

**মাননীয় অধ্যক্ষ ঃ** তেওঁলোকে সংশোধনীটো মুভ নকৰে। সেইকৰাণে ৫ নং দফাটো বিধেয়কৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যা বিধেয়কৰ সপক্ষে আছে, তেখেতসকলে কওঁক 'হয়' যিসকল বিপক্ষে আছে, তেখেতসকলে কওঁক 'নহয়' (সদনে বিধেয়কখন সমৰ্থন কৰে)।

মই ভাৰো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে ৫ নং দফাটো বিধেয়কৰ অংশ হ'ল। ৬ নং দফাত মাননীয় সদস্য অখিল গগৈ ডাঙৰীয়াৰ এটা সংশোধনী আছে। আপুনি ক'ব নে?

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আগৰ সংশোধনীত আমি ভোটত হাৰিলো। কিন্তু ইয়াত যিটো সংশোধনী আনিছে, এইটো চেকশ্যনত কৈছিল যে আগতে Principal Secretary to Government of Assam, তেওঁ কলেজখনৰ, বিশ্ববিদ্যালয়খনৰ চোৱা-চিতা কৰিব। এতিয়া হাইয়াৰ এডুকেশ্যন বিভাগত Principal Secretary ৰ হাতত যিটো দায়িত্ব আছিল, senior most Secretary এজনৰ হাতত সেই দায়িত্বটো প্ৰদান কৰিব খোজা হ'ল। ঘটনাটো কি? আগতে, সৰু বিশ্ববিদ্যালয় এখনত Principal Secretary ক দায়িত্ব দিছিল, এতিয়া ডাঙৰ বিশ্ববিদ্যালয় এখনত তাতকৈ সৰু পদবীক দায়িত্ব দিয়া হৈছে। ইয়াত চৰকাৰৰ কিবা ভুল হৈছে, নে শিক্ষা বিভাগে, আগৰ আইনকেইখনতো গোটেইখিনি লগলগাই ....interruptions...

**মাননীয় অধ্যক্ষঃ** হৈছে আৰু। মাননীয় মন্ত্ৰী।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ )ঃ** High PTR ত যেনেকৈ গণ্ডগোল হৈছে, গোটেই নপঢ়াকৈ আইন কেইখন আনিছে, ইয়াতো সেই গণ্ডগোল কৰিছে নেকি বুলি ভাৰো ....interruptions...

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ওলোটাই বিধায়কগৰাকীক প্ৰশ্ন কৰিব বিচাৰিছো যে ইয়াত ব্যৱস্থাটো আছিল প্ৰধান সচিবৰ। এইটো এটা technical problem. Principal Secretary নাথাকিলে কোন হ'ব? তেনেহ'লে বিশ্ববিদ্যালয়খনত সদস্য নাথাকিব নেকি? আজিৰ তাৰিখত Higher Education Department ত Principal Secretary নাই ...interruptions... নাথাকিবও পাৰে। কিন্তু, তেওঁৰ অনুপস্থিতিত যিগৰাকী senior most Secretary, বা Commissioner Secretary থাকে, যিগৰাকী senior most তেওঁহে member হ'ব আৰু যদি Secretary জন senior most হয়, তেন্তে তেওঁ member হ'ব। গতিকে প্ৰশাসনিক ক্ষেত্ৰত এইটো এটা technical problem মই ভাৰো ইয়াত কোনো বেলেগ কথা নাই। এইটো গ্ৰহণ কৰিব পাৰে।

**মাননীয় অধ্যক্ষঃ** অখিল গগৈ আপুনি উঠাই ল'ব নে?

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ )ঃ** মই উঠাই লৈছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

এতিয়া ৬ নং দফাটো বিধেয়কৰ অংশ হ'ব।

যি সকল মাননীয় সদস্য-সদস্যা দফাটোৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৰো 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, ৬ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

৭ নং দফাত কোনো ধৰণৰ সংশোধনী প্ৰস্তাৱ নাই।

প্ৰস্তাৱটো হৈছে-

৭ নং দফাটো বিধেয়কখনৰ অংশ হ'ব।

যি সকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল

বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৱো 'হয়' সপক্ষে, 'হয়' সপক্ষে, 'হয়' সপক্ষে, ৭ নং দফাটো বিধেয়কখনৰ অংশ হ'ল।

১ নং দফা, পৰিসৰ আৰু আৰম্ভণত কোনো সংশোধনী প্ৰস্তাৱ নাই।

এতিয়া প্ৰশ্নটো হ'ল-

বিধেয়কখনৰ ১ নং দফা, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব।

যি সকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।

মই ভাৱো 'হয়' সপক্ষে, 'হয়' সপক্ষে, 'হয়' সপক্ষে, বিধেয়ক খনৰ ১ নং দফা, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ল।

এতিয়া মাননীয় মন্ত্ৰী।

**ডাঃ ৰণোজ পেগু, (শিক্ষামন্ত্ৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই "The Assam Science and Technology University (Amendment) Bill, 2023" বিধেয়কখন পাৰিতকৰণৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** "The Assam Science and Technology University (Amendment) Bill, 2023" বিধেয়কখন পাৰিতকৰণৰ বাবে সদনত দাঙি ধৰিলো-

যি সকল মাননীয় সদস্য-সদস্যা বিধেয়কখনৰ সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।)

মই ভাৱো 'হয়' সপক্ষে, 'হয়' সপক্ষে, 'হয়' সপক্ষে, বিধেয়কখন পাৰিত হ'ল।

এতিয়া **কাৰ্যসূচী নং-২০** The Assam Public Safety (Measures) Enforcement Bill, 2023. মাননীয় মন্ত্ৰী।

**শ্ৰী অশোক সিংহল,(মন্ত্ৰী, গৃহ আৰু নগৰ পৰিক্ৰমা ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে "The Assam Public Safety (Measures) Enforcement Bill, 2023." বিধেয়কখন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** বিধেয়কখন বিবেচনা কৰাত সদনৰ সন্মতি আছে নে?

যি সকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।)

মই ভাৱো 'হয়' সপক্ষে, 'হয়' সপক্ষে, 'হয়' সপক্ষে, প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া বিধেয়কখন দফাই দফাই বিবেচনাৰ বাবে লোৱা হওঁক।

২ নং দফাত মন্ত্ৰী ডাঙৰীয়াৰ দুটা চৰকাৰী সংশোধনী আছে। মই তেওঁক সংশোধনী প্ৰস্তাৱ দুটা উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী অশোক সিংহল, (গৃহ আৰু নগৰ পৰিক্ৰমা ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, Apartment word টো য'ত লিখা আছে, তাত society ৰে replace কৰিব লাগে। মই সংশোধনীটো

কৈ দিছো- 2(c) Society means both registered and unregistered resident welfare society or resident or housing socieities or houses etc. 2(d) ত amendment আছে , Owners means when used in reference to any premises or persons who recieves the rent of the said premises or would be legally entitled to do so. If the premises was let out and also includes an agent or trustee who is legally authorized to recieve such rent on behalf of the owner.

**माननीय অধ্যক্ষঃ** প্ৰশ্নটো হ'ল-সংশোধনী দুটা উত্থাপন কৰাত সদনৰ সন্মতি আছে নে ?

যি সকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে তেখেত সকলে কওঁক 'হয়', যি সকল বিপক্ষে আছে তেখেত সকলে কওঁক 'নহয়'।

(সদনে সন্মতি জনায়)।)

মই ভাৱো 'হয়' সপক্ষে, 'হয়' সপক্ষে, 'হয়' সপক্ষে, সংশোধনী দুটা গৃহীত হ'ল।

২ নং দফাত অখিল গগৈ ডাঙৰীয়াৰো সংশোধনী আছে।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ )ঃ** মই ২ নং দফাত নতুন clause এটা ভৰাবলৈ অনুৰোধ কৰিছো। সেইটো হ'ল - (l) District Magistrate shall include additional district Magistrate. পিছত, এই বিলখনৰ ওপৰত যেতিয়া আলোচনা হ'ব,তেতিয়া এই বিষয়ে ওলাব যে এই গোটেইখিনি বস্তু চোৱাৰ বাবে পুলিচক দায়িত্ব দিছে। তাৰ পৰিৱৰ্তে আমাৰ Magistrate ক চোৰা-চিতাৰ দায়িত্ব দিয়াৰ বাবে definition ৰ যিটো ২ নং section, তাত District Magistrate ক সোমোৱাৰ বাবে অনুৰোধ কৰিছো।

**মাননীয় অধ্যক্ষঃ** মাননীয় মন্ত্ৰী।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী, গৃহ আৰু নগৰ পৰিক্ৰমা ইত্যাদি)ঃ** মাননীয় অধ্যক্ষ মহোদয়, সামগ্ৰিকভাৱে আমি যদি চাওঁ, এই বিলখন public safety ৰ বাবে অনা হৈছে। বহু ঠাইত ব্যক্তিগত ঘৰত অপৰাধ হয়, চুৰি হয় বা কিবা অঘটন যদি ঘটি যায়, কিন্তু পুলিচে CCTV ৰ footage নথকাৰ বাবে কোনো clue নাপায়। ফলত পুলিচে investigation ত বহুত অসুবিধা পায়। সেয়েহে, মাননীয় মুখ্যমন্ত্ৰীয়ে আইন শৃংখলাৰ প্ৰতি বহুত চিন্তা-চৰ্চা কৰি সিদ্ধান্ত লয় যে ২০০ কোটি টকা খৰচ কৰি গুৱাহাটী মহানগৰীৰ চুকে-কোণে CCTV camera লগোৱা হ'ব। তেতিয়া আমাৰ মনত এটা কথা আহিল যে চৰকাৰে যিসমূহ ৰাজহুৱা স্থান যেনে ৰাস্তা-ঘাট, ৰে'ল ষ্টেশ্যন বা এয়াৰ পৰ্টতহে CCTV লগাব পাৰে, কিন্তু, মানুহৰ ঘৰত লগাব নোৱাৰে। কাৰণ তেতিয়া privacy ভংগ কৰা হ'ব। তাৰ কাৰণেই এই গোটেই ব্যৱস্থাটো অনা হ'ল, আইনখন অনা হ'ল যে ইয়াৰ জৰিয়তে যি মানুহৰ G+2 তকৈ অধিক ঘৰ আছে, তেওঁলোকৰ entry আৰু exit ত CCTV লগাব যাতে কালিলৈকে কিবা এটা অঘটন হ'লে পুলিচে CCTV ৰ footageটো ল'ব পাৰে। ইয়াৰ ফলত investigation তো সহায় হ'ব আৰু অপৰাধো কমিব। কোনোবাই গণ্ডগোলীয়া কাম কৰাৰ আগতে CCTV ৰ surveillance ত থকা দেখি তাৰ পৰা বিৰত থাকিব। এই গোটেই ব্যৱস্থা কৰিয়েই এই বিলখন অনা হৈছে। সন্মানীয় সদস্যগৰাকীয়ে কৈছে যে Magistrateক দিব লাগে। কিন্তু, investigation ৰ কামটো Magistrate এ নকৰে। Investigation ৰ কামটো সাধাৰণতে পুলিচৰ ।এই investigation খিনি কৰাৰ বাবে পুলিচক clip টো লাগে আৰু তাত Magistrate ৰ কোনো ভূমিকা

নাই। সেইকাৰণে মই ভাবো যে এইটো কৰাটো উচিত নহ'ব।

**মাননীয় অধ্যক্ষঃ** হ'ব। সন্মানীয় সদন, এতিয়া ২ বাজিলেই। আমি continue কৰো নে অহাকালি পাছ কৰিব? আপোনালোকে আজি উঠাই ল'লে এইখন পাছ হৈ যাব।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মহোদয় ইয়াত আমাৰ আলোচনা আছে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে তেন্তে কাইলৈ কৰিম । আমাৰ শক্তি মন্ত্ৰী ডাঙৰীয়ানীয়ে আজি Lunch ৰ ব্যৱস্থা কৰিছে আৰু GNB Bhawan ত এটা Presentation ও আছে। গতিকে, সন্মানীয় সদস্যসকলক উপস্থিত থকাৰ বাবে মাননীয় মন্ত্ৰী ডাঙৰীয়ানীৰ হৈ অনুৰোধ জনালো।

**সদন ৬ এপ্ৰিল, ২০২৩ৰ ৰাতিপুৱা ০৯-৩০ বজালৈ স্থগিত ৰখা হ'ল।**